# দিশপুৰ মহাবিদ্যালয় আলোচনী

# অৰীণ

প্ৰথম বছৰ প্ৰথম সংখ্যা ১৯৯২—৯৩ বৰ্ষ



সম্পাদক :— তপন কুমাৰ হাজৰিকা

# দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী

# অৰুণ

**প্ৰথম বছৰ :: প্ৰথম সংখ্যা**

**১৯৯২ - ৯৩ বৰ্ষ**

*তত্ত্বাৱধায়িকা :*
ডঃ নমিতা ডেকা

*সম্পাদক :*
শ্ৰীতপন কুমাৰ হাজৰিকা

*বেটুপাত অঙ্কণ :*
**শ্ৰীযুত প্ৰমোদ তামুলী**
অম্বিকাগীৰি নগৰ
গুৱাহাটী।



**কৃতজ্ঞতা জ্ঞাপন :**
*দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাই পোন প্ৰথম বাৰৰ বাবে প্ৰকাশ কৰিবলৈ লোৱা বাৰ্ষিক মুখপত্ৰ 'অৰুণ'ৰ বেটুপাত আঁকি দিয়াৰ বাবে গুৱাহাটী অম্বিকাগীৰি নগৰৰ শ্ৰীযুত প্ৰমোদ তামুলীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।*

*অঙ্গ সজ্জা :*
**তপন, হৰেণ।**

*মুদ্ৰক :*
**শ্ৰীযুত দিব্যজ্যোতি কলিতা**
নৱনীতা প্ৰিন্টাৰ্ছ।

**কৃতজ্ঞতা জ্ঞাপন :**
*নৱনীতা প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰী শ্ৰীযুত দিব্যজ্যোতি কলিতা দেৱে 'অৰুণ'ৰ ছপাৰ ভাৰ লৈ সকলোবোৰ কাম সুচাৰুৰূপে সমাপন কৰি দিয়াৰ বাবে তেখেত আৰু তেখেতৰ ছপা শালৰ কৰ্মচাৰীসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।*

# শ্ৰদ্ধাঞ্জলি

জননীৰ সন্তান জাগা
জাগা শক্তিমান, জাগা মাতৃপ্ৰাণ
জননীৰ সন্তান জাগা
মৃত্যু গচকি আঁহা জয়জিনি
তুমি কৰি দুৰ্জন অভিযান
জাগা শক্তিমান.....।।



*জাতীয় জননীৰ মুক্তি যজ্ঞত যিসকল*
*বীৰ-বীৰাঙ্গনাই কলিজাৰ কেঁচা*
*তেজেৰে আত্মাহুতি দি গ'ল*
*সেইসকল বীৰ শ্বহীদৰ*
*আত্মাৰ সদগতি কামনা*
*কৰি কৰা পবিত্ৰ*
*সোঁৱৰণত*
*দিশপুৰ মহাবিদ্যালয়ৰ সমূহ*
*ছাত্ৰ-ছাত্ৰীৰ হৈ শ্ৰদ্ধাৰ্ঘ নিবেদিছোঁ।।*

সম্পাদক, 'অৰুণ'
দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী
১৯৯২-৯৩ বৰ্ষ



সভাপতি :
শ্ৰীযুত বেৰকান্ত হাজৰিকা

## সম্পাদনা সমিতি

**প্ৰথম বছৰ : প্ৰথম সংখ্যা : 'অৰুণ'**

**১৯৯২-৯৩**



তত্ত্বাবধায়িকা :
ডঃ নমিতা ডেকা



অধ্যাপিকা সদস্যা :
শ্ৰীযুতা নন্দিনী বৰুৱা



অধ্যাপিকা সদস্যা :
শ্ৰীযুতা জুনুকা বৰুৱা



ছাত্ৰ সদস্য :
শ্ৰীহেমন্তকুমাৰ নাথ



সম্পাদক :
শ্ৰীতপনকুমাৰ হাজৰিকা

# আশীৰ্ব্বাদম্

*"কঠোৰ ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰিব পাৰে যি,*
*সাহিত্যও জীৱন্ত কৰিব পাৰে সি হে।*
*....সাহিত্যত ব্ৰহ্মচৰ্য্য ধৰ্ম্ম ধৰিব পাৰিলেহে*
*বহিৰ্জগতৰ সকলো আক্ৰমণ*
*প্ৰতিৰোধ কৰিবলৈ মূৰ দাঙি*
*উঠিব পাৰি আৰু*
*কুমাৰণী বাহৰ দৰে সকলো*
*বিজতৰীয়া বীজাণুক ধ্বংস কৰি*
*আপোন জাতলৈ তুলি ল'ব পাৰি।"*

*আমিও আজি সাহিত্যৰ এই*
*কঠোৰ ব্ৰত পালন কৰি*
*গুৰুজন, জ্যেষ্ঠজন, বয়োবৃদ্ধ আৰু*
*জ্ঞানবৃদ্ধসকলৰ আশীৰ্ব্বাদ*
*শিৰত তুলি লৈ বহু ইপ্সিত*
*মহাবিদ্যালয়ৰ আলোচনী* **'অৰুণ'**
*প্ৰকাশ কৰিবলৈ ওলাইছোঁ।*
*এই শুভকৰ্ম্মৰ মুহূৰ্ত্তত*
*শিক্ষা, ৰাজনীতি, সাহিত্য, শিল্প জগতত*
*বিশিষ্ট স্থান অধিকাৰ কৰা*
*স্বনামধন্য ব্যক্তিসকলৰ পৰা*
*আমি লাভ কৰিছোঁ*
*আন্তৰিক শুভাশীষ আৰু প্ৰেৰণা।*
*মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী*
*তথা অধ্যাপক-অধ্যাপিকাৰ কৰকমলত*
*এই আলোচনীখন তুলি দিয়াৰ এই মহৎ*
*উদ্দেশ্য সফল হ'লেই আমাৰ শ্ৰমো সাৰ্থক হ'ব।*

—সম্পাদক



সভাপতি :
শ্ৰীযুত বেৰকান্ত হাজৰিকা

## সম্পাদনা সমিতি

**প্ৰথম বছৰ : প্ৰথম সংখ্যা : 'অৰুণ'**

১৯৯২-৯৩



তত্বাৱধায়িকা :
ডঃ নমিতা ডেকা



অধ্যাপিকা সদস্যা :
শ্ৰীযুতা নন্দিনী বৰুৱা



অধ্যাপিকা সদস্যা :
শ্ৰীযুতা জুনুকা বৰুৱা



ছাত্ৰ সদস্য :
শ্ৰীহেমন্তকুমাৰ নাথ



সম্পাদক :
শ্ৰীতপনকুমাৰ হাজৰিকা

# আশীৰ্ব্বাদম্

*"কঠোৰ ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰিব পাৰে যি,*
*সাহিত্যও জীৱন্ত কৰিব পাৰে সি হে।*
*....সাহিত্যত ব্ৰহ্মচৰ্য্য ধৰ্ম্ম ধৰিব পাৰিলেহে*
*বহিঃজগতৰ সকলো আক্ৰমণ*
*প্ৰতিৰোধ কৰিবলৈ মূৰ দাঙি*
*উঠিব পাৰি আৰু*
*কুমাৰণী বাহৰ দৰে সকলো*
*বিজতৰীয়া বীজাণুক ধ্বংস কৰি*
*আপোন জাতলৈ তুলি ল'ব পাৰি।"*
*আমিও আজি সাহিত্যৰ এই*
*কঠোৰ ব্ৰত পালন কৰি*
*গুৰুজন, জ্যেষ্ঠজন, বয়োবৃদ্ধ আৰু*
*জ্ঞানবৃদ্ধসকলৰ আশীৰ্ব্বাদ*
*শিৰত তুলি লৈ বহু ইপ্সিত*
*মহাবিদ্যালয়ৰ আলোচনী 'অৰুণ'*
*প্ৰকাশ কৰিবলৈ ওলাইছোঁ।*
*এই শুভকৰ্ম্মৰ মূহূৰ্ত্তত*
*শিক্ষা, ৰাজনীতি, সাহিত্য, শিল্প জগতত*
*বিশিষ্ট স্থান অধিকাৰ কৰা*
*স্বনামধন্য ব্যক্তিসকলৰ পৰা*
*আমি লাভ কৰিছোঁ*
*আন্তৰিক শুভাশীষ আৰু প্ৰেৰণা।*
*মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী*
*তথা অধ্যাপক-অধ্যাপিকাৰ কৰকমলত*
*এই আলোচনীখন তুলি দিয়াৰ এই মহৎ*
*উদ্দেশ্য সফল হ'লেই আমাৰ শ্ৰমো সাৰ্থক হ'ব।*

—সম্পাদক



সভাপতি :
শ্ৰীযুত বেৰকান্ত হাজৰিকা

## সম্পাদনা সমিতি

**প্ৰথম বছৰ : প্ৰথম সংখ্যা : 'অৰুণ'**

১৯৯২-৯৩



তত্ত্বাবধায়িকা :
ডঃ নমিতা ডেকা



অধ্যাপিকা সদস্যা :
শ্ৰীযুতা নন্দিনী বৰুৱা



অধ্যাপিকা সদস্যা :
শ্ৰীযুতা জুনুকা বৰুৱা



ছাত্ৰ সদস্য :
শ্ৰীহেমন্তকুমাৰ নাথ



সম্পাদক :
শ্ৰীতপনকুমাৰ হাজৰিকা

# আশীৰ্ব্বাদম্

*"কঠোৰ ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰিব পাৰে যি,*
*সাহিত্যও জীৱন্ত কৰিব পাৰে সি হে।*
*....সাহিত্যত ব্ৰহ্মচৰ্য্য ধৰ্ম্ম ধৰিব পাৰিলেহে*
*বৰ্হিজগতৰ সকলো আক্ৰমণ*
*প্ৰতিৰোধ কৰিবলৈ মূৰ দাঙি*
*উঠিব পাৰি আৰু*
*কুমাৰণী বাহৰ দৰে সকলো*
*বিজতৰীয়া বীজাণুক ধ্বংস কৰি*
*আপোন জাতলৈ তুলি ল'ব পাৰি।"*

*আমিও আজি সাহিত্যৰ এই*
*কঠোৰ ব্ৰত পালন কৰি*
*গুৰুজন, জ্যেষ্ঠজন, বয়োবৃদ্ধ আৰু*
*জ্ঞানবৃদ্ধসকলৰ আশীৰ্ব্বাদ*
*শিৰত তুলি লৈ বহু ইপ্সিত*
*মহাবিদ্যালয়ৰ আলোচনী* ***'অৰুণ'***
*প্ৰকাশ কৰিবলৈ ওলাইছোঁ।*
*এই শুভকৰ্ম্মৰ মূহুৰ্ত্তত*
*শিক্ষা, ৰাজনীতি, সাহিত্য, শিল্প জগতত*
*বিশিষ্ট স্থান অধিকাৰ কৰা*
*স্বনামধন্য ব্যক্তিসকলৰ পৰা*
*আমি লাভ কৰিছোঁ*
*আন্তৰিক শুভাশীষ আৰু প্ৰেৰণা।*
*মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী*
*তথা অধ্যাপক-অধ্যাপিকাৰ কৰকমলত*
*এই আলোচনীখন তুলি দিয়াৰ এই মহৎ*
*উদ্দেশ্য সফল হ'লেই আমাৰ শ্ৰমো সাৰ্থক হ'ব।*

—সম্পাদক

GOVERNOR
ASSAM

**RAJ BHAVAN**
**GUWAHATI**



October 27, 1993.

## MESSAGE

I am happy to learn that the Dispur College Students' Union is going to publish their first edition of College Magazine in the month of October, 1993.

I hope the students and teachers of the College will do their best so that the Institution can achieve all round excellence and an academic atmosphere.

I send my best wishes.

(Loknath Misra)

মুখ্যমন্ত্ৰী, অসম



## শুভেচ্ছাবাণী

শিক্ষা গ্ৰহণৰ কালছোৱাই মনুষ্য জীৱনৰ অতি মূল্যবান সময়। নিবিষ্ট চিত্তেৰে অৰ্জন কৰা বিদ্যাইহে মানুহক জ্ঞানী আৰু পৰিপক্ক কৰি তোলে। জ্ঞানৰ পোহৰৰ যোগেদিহে ভাল-বেয়া, উচিত-অনুচিতৰ মাজত থকা প্ৰভেদবোৰ চকুত পৰে। সেয়ে একাণপতীয়া শিক্ষা গ্ৰহণেই শিক্ষাৰ্থী সকলৰ প্ৰধান কৰ্ত্তব্য। মই আশা ৰাখিছোঁ যে দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও একনিষ্ঠভাৱে এই কৰ্ত্তব্য পালন কৰিব।

দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই পোনপ্ৰথমবাৰৰ বাবে এখন আলোচনী প্ৰকাশ কৰাৰ প্ৰস্তুতি আৰম্ভ কৰাৰ বাতৰিয়ে মোক আন্তৰিক আনন্দ দিছে। মহাবিদ্যালয়ৰ আলোচনী ছাত্ৰ-ছাত্ৰী বৃন্দৰ স্বকীয় বিকাশৰ অন্যতম সোপান। মই আলোচনীখনৰ সফলতাৰ উদ্দেশ্যে শুভকামনা যাচিলোঁ।

দিশপুৰ,
অক্টোবৰ, '৯৩

(শ্ৰীহিতেশ্বৰ শইকীয়া)

**SHRI GOLOK RAJBANSHI**
MINISTER,
Higher and Technical Education
& Parliamentary Affairs
Assam, Dispur
Guwahati-781 006

এম এইচ ১৯।৯৩
D. O. No...................
Date : 29 Oct, 1993



## শুভেচ্ছা বাণী

দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই আলোচনী এখন প্ৰকাশৰ দিহা কৰা বুলি জানিব পাৰি মই অতিশয় আনন্দ পাইছোঁ।

মহাবিদ্যালয়, বিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনীসমূহে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চা আৰু নিজ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত এখন মঞ্চৰ ভূমিকা পালন কৰে। এই মঞ্চৰ যোগে সাহিত্যৰ নতুন দিশৰ বহল ক্ষেত্ৰত প্ৰৱেশ কৰাৰ সুযোগ লাভ কৰে। এনে এটি মহৎ উদ্দেশ্য আগত ৰাখি দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ প্ৰথম সংখ্যাটি প্ৰকাশৰ যি প্ৰচেষ্টা লৈছে ই সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত হওক।

শুভেচ্ছাৰে—

শ্ৰীগোলোক ৰাজবংশী

ড° নিৰ্মল কুমাৰ চৌধুৰী
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়
Vice-Chancellor
GAUHATI UNIVERSITY

গোপীনাথ বৰদলৈ নগৰ
Gopinath Bordoloi Nagar
Gauhati University
Guwahati-781014

Date 20/9/94

প্ৰিয় সম্পাদক,

## জিলিকি উঠক লুইতৰে পাৰ
## -এয়ে মোৰ শুভেচ্ছা বাণী।

(নিৰ্মল কুমাৰ চৌধুৰী)

# সূচীপত্ৰ


সম্পাদকীয়
অধ্যক্ষৰ আশীষবাণী
তত্বাবধায়িকাৰ একাষাৰ

**প্ৰবন্ধ সম্ভাৰ :**

গুৱাহাটী আৰু ইয়াৰ পুৰণি পুখুৰী দুটিমান— - অধ্যাপিকা শ্ৰীবীণা চৌধুৰী/ ৬
নামধৰ্ম্মৰ প্ৰাসঙ্গীকতা— মৃগেন বেজবৰুৱা/ ১০
ব্ৰজনাদকাৰী কবি অম্বিকাগিৰী ৰায়চৌধুৰী— মাইনু দেৱী/ ১৩
গোৱালপৰীয়া ফকৰা যোজনা— গণেশচন্দ্ৰ ৰায়/ ১৬
মহাপ্ৰভু শ্ৰীশ্ৰীগৰখীয়া গোঁসাই থানৰ চমু ইতিবৃত্ত— অনিমা দাস/ ১৮
অসমীয়া জাতি গঠনত বিষ্ণুৰাভা— অনিল ডেকা/ ২০.
সমাজ সংস্কাৰক হিচাপে শ্ৰীমন্তশংকৰদেৱ— মিনু পাঠক/ ২৩
মিছিং লোকৰ সংস্কৃতি— সৰ্বানন্দ চুক্ৰোং/ ২৫
শঙ্কৰত বিষ্ণু-জ্যোতি— সঞ্জীৱ বাইলোং/ ২৭
গ্ৰন্থাগাৰ সেৱা আৰু অসমৰ শিক্ষানুষ্ঠান— শ্ৰীমিনু দেৱী/ ৩০

**কবিতাৰ কুঁকি :**

দুখৰ দিনৰ সপোন— সুভাষ চন্দ্ৰ বৰ্মন/ ৩৩
বেদনাৰ সুৰ— বেদাউল খান (কনু)/ ৩৩
সিহঁতক ধুনাই পঠোৱা— মালামণি হাজৰিকা/ ৩৪
কবিতা— চৈয়দ মিনাৰুল হক/ ৩৪
দেশ আৰু বিদেশ— গণেশ শইকীয়া/ ৩৪
সম্প্ৰীতিৰ গছজোপা— দিব্যজ্যোতি শৰ্মা পূজাৰী/ ৩৫
অনন্ত ইতিহাস— বিনোদ কটকী/ ৩৫
জীৱন বাটত— মামণি সিংহ/ ৩৫
তোমাৰ বাবে— পিংকালী তামুলী/ ৩৬
দুঃ সময়— তপনকুমাৰ হাজৰিকা/ ৩৬

**গল্পৰ টোপোলা :**

উলংগতাৰ তৃপ্তি— পুলেন্দ্ৰ বৰ্মন/ ৩৮
অপৰাজেয় নিশা— বীনা শৰ্মা/ ৪০
ভ্ৰাইভাৰ— বীৰেণ নাথ/ ৪২
উপলব্ধি— হৰেণ নায়ক/ ৪৪
কালচক্ৰ— অনামিকা দেৱী/ ৪৮
অশ্ৰু— সুশীলা সিংহ/ ৫০
অনুভৱ— গজেন ভাগৱতী/ ৫২

**আমাৰ প্ৰতিভা/ ৫৩**
**আমাৰ অধ্যাপক-অধ্যাপিকাসকল/ ৫৪**
**দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল (১৯৯২-৯৩ কাৰ্যাবৰ্ষ)/ ৫৫**
**বিভাগীয় সম্পাদকৰ প্ৰতিবেদন/ ৫৬**

**ENGLISH SECTION :**

Trinity in the new testament of the Bible— Sumitra Choudhury/ 67
Teenage— Rajdeep Dutta/ 69
College (poem)— Junus Burda/ 70
Loneliness (poem)— Sanjip Das/ 70

**১৯৯৩ চনত অনুষ্ঠিত প্ৰথম মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগীতাসমূহৰ ফলাফল/ ৭১**




# ॥ সম্পাদকীয় ॥





*শব্দ-ব্ৰহ্ম জিজ্ঞাসাঃ*

শব্দক 'ব্ৰহ্ম' বোলা হয়। পৰম-ব্ৰহ্ম বা পূৰ্ণ-ব্ৰহ্মৰ স্বৰূপ বিকশিত হয় শব্দ ব্ৰহ্মক আশ্ৰয় কৰি। 'অন্ন-ব্ৰহ্ম' 'জীৱ-ব্ৰহ্ম' আদি ব্ৰহ্মসত্বাসমূহৰো শব্দ-ব্ৰহ্মই স্নায়ু কেন্দ্ৰ। চাৰিবেদ, চৌধ শাস্ত্ৰ', ওঠৰ পুৰাণ তথা ন-পুৰণি সকলো গ্ৰন্থ শব্দ ব্ৰহ্মৰ অৱদান।

সৃষ্টি-ৰহস্য ভেদ কৰিবলৈ ৰহস্যবাদী ভাৱধাৰা অনাদিৰ পৰা অনন্ত কাললৈ যুগে যুগে নিতে নৱ গতিৰে উৰ্দ্ধগামী চিন্তাৰ উন্মেষ ঘটাইছে আৰু তাৰ পৰাই প্ৰৱাহিত হৈছে জ্ঞানৰ নিৰৱধি ফল্গুধাৰা। এই ফল্গু স্নানে আমাৰ মনত উদ্ৰেক কৰে জীৱন জিজ্ঞাসাৰ অপাৰিমেয় তৃষ্ণাৰ আৰু তৃষ্ণাৰ নিবৃত্তিৰ বাবে আমি আশ্ৰয় লওঁ শব্দ-ব্ৰহ্মৰ। শব্দ-ব্ৰহ্মৰ বাঙ্ময় চিত্ৰনেই এতিয়া সাহিত্য বুলি পৰিচিত।

*সাহিত্য বিদ্যা পৰিক্ৰমাঃ*

সাহিত্য এবিধ সুকুমাৰ কলা; সংস্কৃতিৰ মূল সৌধ। জন-জীৱনৰ অণু পৰমাণুক লৈয়ে সাহিত্য সৃষ্টি হয়। সুখ-দুখ, হাঁহি-কান্দোন, হৰ্ষ-বিষাদ, জন্ম-মৃত্যু, সফলতা-বিফলতা আদিয়েই সাহিত্যৰ উপজীব্য, সাহিত্যিকৰ বিচৰণ ভূমি। সেয়ে দেশ-কাল-পাত্ৰ ভেদে একো একোটা জাতি বা একো একোখন সমাজৰ জীৱন ধাৰা সাহিত্যৰ মাজেদি চিত্ৰিত হয়। সেয়েহে সাহিত্যক 'সমাজৰ দাপোন' বুলি আখ্যা দিয়া হৈছে। যিটো জাতি বা যিখন সমাজৰ শৰীৰ ৰুগ্ন হয়, সেই জাতিৰ বা সমাজৰ সাহিত্যও ৰুগ্ন ভাৱেই চিত্ৰিত হয়। কলাকাৰ অৰ্থাৎ সাহিত্যিক সকলে সাহিত্যৰূপী বেজালী মন্ত্ৰেৰে বৈদ্য-ধনন্তৰীৰ ভূমিকাৰে ৰুগ্ন সমাজ শৰীৰ চিকিৎসা কৰি সুস্থ বা নিৰোগী কৰিব পাৰিলে সেই সাহিত্য প্ৰগতিশীল হয়। প্ৰগতিশীল সাহিত্যইহে জাতিক বা সমাজক প্ৰগতিবাদী কৰি গঢ় দিব পাৰে। এনে সাহিত্য ৰচনাত পঞ্চতপা ঋষি মুনিৰ দৰে সাধনাৰ অনুশীলন কৰাটো অপৰিহাৰ্য্য। অনুশীলনৰ পূৰ্ব প্ৰস্তুতি হিচাপে আমি মননশীল অধ্যয়নৰ অভ্যাস নকৰিলে অনুশীলন কাৰ্যাকৰী নহয়।

গতিকেই আমি আমাৰ পাঠ্য-পুথিক আলম্বন কৰি গল্প, উপন্যাস, নাট, সমালোচনা, সাংবাদিকতা আদি সাহিত্যৰ ভিন্ন ভিন্ন স্তৰত ভিন ভিন সাহিত্যিকে গ্ৰহণ কৰা শব্দ সম্ভাৰ, ৰচনাশৈলী, উপস্থাপনৰ কৌশল আদিৰ প্ৰতি গভীৰ দৃষ্টি ৰাখি প্ৰদত্ত নীতিৰে কচি সম্মত বিষয়ৰ অনুশীলন কৰা প্ৰয়োজন। একেবাৰতে নহলেও নেৰা-নেপেৰা অধ্যৱসায়ে সাধনাৰ ফলশ্ৰুতি সময়ত উপহাৰ দিব। তেনে প্ৰচেষ্টাই আমাৰ মাজৰ কাৰোবাক ব্যাস-বাল্মিকী, ভৱভূতি-কালিদাস, ৰবীন্দ্ৰনাথ-শ্বেক্সপীয়েৰ, ইবছেন, মেক্সিম গৰ্কি, মম-চেকভ, শঙ্কৰ-মাধৱ, কৃষ্ণকান্ত-বাণীকান্ত, ৰমন-নিউটন, ৰাধাকৃষ্ণণ, ৰাচেল প্ৰভৃতি মহা মনিষীৰ শাৰীত তুলিব। আমাৰ এই অনুশীলনৰ কাণ্ডাৰী হ'ব আমাৰ বহু প্ৰতীক্ষিত দিশপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'অৰুণ'। আমাৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যা 'অৰুণ'ত প্ৰকাশৰ বাবে পঠোৱা বিভিন্ন লিখনিসমূহৰ সৰহ ভাগতে ওপৰত উল্লেখ কৰা 'সাহিত্য বিদ্যা পৰিক্ৰমা'ৰ অভাৱ সুস্পষ্ট যদিও লিখাৰ বাবে কৰা প্ৰয়াস নিতান্তই শুভ লক্ষণৰ পৰিচায়ক বুলি সন্তুষ্টি লাভৰ থল আছে। এই প্ৰয়াস তৃণ-বনৰ পৰা মহামহীৰুহ হওক, এয়াই মোৰ আশা।

### ব্যক্তিগত দুআষাৰঃ

আমাৰ দিশপুৰ মহাবিদ্যালয়ৰ শুভাৰম্ভ হয় ১৯৭৮ ইং বৰ্ষত। প্ৰাথমিক অৱস্থাত কেৱল নৈশ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠিত হলেও ১৯৮৭-৮৮ ইং বৰ্ষতহে দিবা-নৈশ উভয়তে শিক্ষাদান আৰম্ভ কৰা হয় আৰু ইয়াৰো ছয় বছৰ পাছতহে চৰকাৰৰ স্বীকৃতি লাভ কৰাৰ বাবে সক্ষম হয়। প্ৰতিষ্ঠা কৰাৰে পৰা সুদীৰ্ঘ ১৩ বছৰলৈকে মহাবিদ্যালয়খনে এখন পূৰ্ণাঙ্গ ছাত্ৰ একতা সভা লাভ কৰিব পৰা নাছিল। লগতে বঞ্চিত হৈ আছিল মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ এখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত। অৱশেষত বহুত পলম কৰি হলেও যোৱা ইংৰাজী ১৯৯২ বৰ্ষত মহাবিদ্যালয়খনে চৰকাৰৰ স্বীকৃতি লাভ কৰাৰ লগে লগে এখন পূৰ্ণাঙ্গ ছাত্ৰ একতা সভা গঠন কৰাটো অপৰিহাৰ্য্য হৈ উঠে আৰু তাৰ ফলশ্ৰুতিতে মহাবিদ্যালয়ৰ পূজ্যাস্পদ অধ্যক্ষ মহোদয়, সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰী প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ ঈপ্সিত বাৰ্ষিক আলোচনী এখন প্ৰকাশকৰণৰ পথো প্ৰশস্ত হৈ উঠে। ছাত্ৰ একতা সভাৰ বৰ্ষবৰ্ষীয়া নিৰ্বাচনত ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী, সকলে আলোচনীখনৰ সম্পাদক হিচাপে মোক আগবঢ়াই দিয়াত মই নিতান্তই গৌৰৱান্বিত। কিন্তু এই বিজয় গৌৰৱৰ আঁৰত ছাঁয়া ৰূপেই থকা এটা শংকাই মোক সদায়ে বিব্ৰত কৰি আহিছে। সেই শংকা হ'ল— মোৰ কাৰ্যদক্ষতাৰ অভাৱ, অবাটে বাট বোলাৰ ভ্ৰমাত্মক অনুকম্পাৰ বহতীয়া হোৱাৰ ভয়, লগতে অলোচনী প্ৰকাশৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ এয়ে প্ৰথম প্ৰচেষ্টা হোৱাৰ বাবে নিজা চানেকীৰ অভাৱ। অন্য মহাবিদ্যালয়ৰ আলোচনীৰ চানেকী লবলৈকো তুলনামূলক ভাৱে আমাৰ যৎসামান্য অৰ্থ মঞ্জুৰীৰ নিমিলা অঙ্কৰে কটা-কটি কৰি বিপৰ্যয়ৰহে বাট কটা হ'ব। তথাপিও মোৰ সহযোগী সকলৰ সহায়-সহযোগ, ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ পৰা পোৱা উৎসাহ উদ্দীপনা, পূজ্যাস্পদ শিক্ষাগুৰুসকলৰ দিহা-পৰামৰ্শ আৰু সক্ৰিয় সহযোগিতাৰ বাবেই 'অৰুণ'ক আপোনালোকৰ হাতত তুলি দি এক অনাবিল আনন্দ লাভ কৰিছোঁ। 'অৰুণ'ক যদিও বহুমুখী সম্ভাৱেৰে বিকশিত কৰি মানদণ্ডৰ তুলাচনীত গধুৰ কৰি তুলি দিব পৰা নহ'ল, তথাপিও ক্ষীণকায় এই সংখ্যাক দুষ্প্ৰাপ্য লাভৰ পৱিত্ৰতাত মৰমৰ হাত বুলাই ভৱিষ্যত সংখ্যাসমূহত 'অৰুণ'ক স্বাস্থ্যবান কৰি গঢ়ি পূৰ্ণ বিকাশ ঘটালেহে ১ম বছৰৰ ১ম সংখ্যা 'অৰুণ'ৰ সম্পাদক হিচাপে কান্ধত তুলি আগবঢ়াই আনোতে ওখোৰা-মোখোৰা পথত খোৱা উজুটি, কণ্টকাপূৰ্ণ পথৰ হুল-জেঙৰ খোচ, কাঁইটৰ আঁচোৰৰ তিক্ততাৰ উপশম ঘটিব আৰু তাতেই সকলোৱে গৌৰৱ সাব্যস্ত হ'ব।

আলোচনী এখন প্ৰকাশ কৰাৰ কথা ভবাটো সহজ কিন্তু প্ৰকাশ কৰি উলিয়াওতে অকল্পনীয় জটিলতাই বেৰি ধৰে। এইক্ষেত্ৰত বন্ধা সীমিত অৰ্থৰ কথা বিশেষভাৱে উল্লেখনীয়। এনে বিপৰ্যয়ত বিপৰ্যস্ত হৈ বহুসময়ত পূজ্যাস্পদ অধ্যক্ষ মহোদয় আৰু অধ্যাপক, বিষয়ববীয়াসকল, মাননীয় ছাত্ৰ একতা সভাৰ মোৰ সহযোগীসকল, তথা দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ ওচৰত জ্ঞাতে বা অজ্ঞাতে কৰা মোৰ ৰুঢ়তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। বহু লেখক লেখিকাৰ লিখনি স্থানাভাৱ অথবা অন্য অপৰিহাৰ্য্য কাৰণত প্ৰকাশ কৰিব পৰা নহ'ল, তেখেতসকলে নিৰাশ নহৈ ভৱিষ্যতলৈ অনুশীলন অব্যাহত ৰখিব বুলি আশা কৰিছোঁ। তদুপৰি আলোচনী সম্পাদনাত হোৱা বহু ভুল-ভ্ৰান্তি তথা ছপাৰ ভুলৰ বাবেও ক্ষমা বিচাৰিছোঁ।

'অৰুণ' প্ৰকাশৰ ক্ষেত্ৰত দিশপুৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাস্পদ অধ্যক্ষ মহোদয়ৰ আৰু তত্ত্বাৱধায়িকা হিচাপে সন্মানীয় অধ্যাপিকা ড০ নমিতা দেকা বাইদেউৰ দিহা-পৰামৰ্শ আৰু অনুপ্ৰেৰণা মোৰ চিৰস্মৰণীয় হৈ ৰ'ব। সম্পাদনা সমিতিত থাকি অধ্যাপিকা নন্দিনী বৰুৱা আৰু অধ্যাপিকা জুনুকা বৰুৱা বাইদেৱে মোক যথেষ্ট সহায় কৰি ঋণী কৰি ৰাখিলে। অধ্যাপক ৰাতুল বৰা অন্য শিক্ষাগুৰুসকলৰ দিহা-পৰামৰ্শ আৰু সহপাঠী বন্ধু-বান্ধৱী সৰ্বশ্ৰী গনেশ শইকীয়া, গৌতম কলিতা, হৰেণ নায়ক, দিলীপ, ৰাজদ্বীপ, কণু খান, মিতালী ভূঞা, মিনু দেৱী, গীতা দাস, বিজু পাঠক, নিৰ্মালী বৰ্মণ, টুটুমণি দাস আৰু চন্দনা দাসৰ পৰা হাতে-কামে পোৱা সহায়ৰ উপৰিও সম্পাদনা সমিতিৰ সদস্যবৰ্গ, ছাত্ৰ একতা সভাৰ সদস্যবৃন্দলৈকো সময় সাপেক্ষে পোৱা সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত দিশপুৰ মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে আলোচনী সম্পাদক হিচাপে মোক নিৰ্বাচন কৰি 'চিৰচেনেহী ভাষা জননী'ৰ সেৱাৰ গৌৰৱময় সুযোগ দিয়াৰ লগতে আমাৰ মহাবিদ্যালয়ৰ ইতিহাসত 'অৰুণ'ৰ ১ম বছৰ ১ম সংখ্যাৰ বাট-কটীয়া সম্পাদক হিচাপে প্ৰতিষ্ঠা লাভৰ সুযোগ দিলে সেইসকললৈ মোৰ স্নেহপূৰ্ণ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। কিমাধিকমিতি॥

ধন্যবাদেৰে





# আমাৰ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়ৰ আশীষবাণী



দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী 'অৰুণ'ৰ প্ৰথম প্ৰকাশত মই ব্যক্তিগতভাৱে খুবেই সুখী হৈছো। মহবিদ্যালয়খন স্থাপন হোৱা বহুবছৰ হোৱা স্বত্বেও আলোচনী এখন প্ৰকাশ নোপোৱাৰ কাৰণ বহুতো। যি সকলে আলোচনীখন প্ৰকাশ কৰাত সহায় কৰিলে তেখেতসকললৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

**বেৱকান্ত হাজৰিকা**
অধ্যক্ষ, দিশপুৰ মহবিদ্যালয়
২১-১-৯৪

# তত্ত্বাবধায়িকা হিচাপে মোৰ একাষাৰ

"আজ কোন কাজ নয়। সব ফেলে দিয়ে
ছন্দোবদ্ধ গ্ৰন্থগীত, এস তুমি প্ৰিয়ে
আজন্ম সাধনধন সুন্দৰী আমাৰ,
কবিতা কল্পনালতা।"

কবিগুৰু ৰবীন্দ্ৰনাথে তেওঁৰ আজন্ম সাধনাৰ ধন কল্পনালতক আন্তৰিকতাৰে আহ্বান জনাইছে। কবিৰ নিকট সাধনাৰ ধন যে কল্পনা, কল্পনাই যে কবিমানসৰ গঠন আৰু পুষ্টিসাধনত সহায় কৰে, সেই কথা সকলো কবিয়ে স্বীকাৰ কৰি আহিছে। অমৃতস্বৰূপ এই কল্পনাশক্তিৰ অধিকাৰী হ'ব পাৰিলেই কবিয়ে শ্ৰেষ্ঠতা লাভ কৰিবলৈ সমৰ্থ হয়। কিন্তু কল্পনা জানো কেৱল কবিয়েই কৰে? প্ৰতিজন মানৱেই বিভিন্ন বিষয়ক লৈ কল্পনাৰ সাগৰত উটি ভাঁহি ফুৰে। কল্পনা যুক্তিৰ দ্বাৰা সুনিৰ্দ্দিষ্ট, সংযমৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু সত্যৰ দ্বাৰা প্ৰভাৱান্বিত। কবি নহ'লেও মানৱ হিচাপে কল্পনাৰ ছাঁয়াত জুৰনি লোৱাৰ অৱকাশ ময়ো পাইছিলোঁ। দিচপুৰ মহাবিদ্যালয়ত অধ্যাপিকাৰ পদত নিযুক্তি লাভ কৰাৰ পিছৰে পৰাই মনত প্ৰচণ্ড অনুভূতিৰ জোকাৰণি অনুভৱ কৰিছিলোঁ। ভাবিছিলোঁ কেনেকৈনো মহাবিদ্যালয়খনিৰ উন্নতি সাধিব পৰা যায়; কিন্তু সুযোগ বা সুবিধা হাতলৈ অহা নাছিল। মহাবিদ্যালয়খনিত পুৰ্ণাঙ্গ 'ছাত্ৰ একতা সভা' গঠিত হোৱাত 'আলোচনী'ৰ তত্ত্বাবধায়িকাৰ দায়িত্ব মোতেই অৰ্পণ কৰা হ'ল। আজি যেন মোৰ আন্তৰিক কল্পনাৰ এফাল 'অৰুণ'ৰ স্নেহজালি হৈ পুৰাকাশত দেখা দিছে।

সঁচাকৈয়ে বহুতো অভাৱ-অনাটনৰ মাজেদি দিচপুৰ মহাবিদ্যালয়ৰ আলোচনী 'অৰুণ'ৰ জন্ম। এয়া আমাৰ প্ৰথম প্ৰচেষ্টা। যিসকল ছাত্ৰ-ছাত্ৰীৰ প্ৰবন্ধ, গল্প, কবিতা বা অইন ৰচনাই আলোচনীখনত ঠাই পাইছে, সেইবোৰ অতি উচ্চ মানদণ্ডৰ বুলি দাবী কৰাৰ ধৃষ্টতা আমাৰ নাই। তথাপি, তাৰ মাজতেই যে ভৱিষ্যতৰ পৈণত হাতৰ স্বাক্ষৰ লুকাই আছে, সেইকথাৰ ইঙ্গিত পোৱা যায়। ছাত্ৰ-ছাত্ৰীসকলৰ গল্প, কবিতা বা প্ৰবন্ধাদিৰ লিখাৰ ক্ষেত্ৰত যি আগ্ৰহ দেখিলোঁ, সি প্ৰকৃততে প্ৰশংসনীয়। ছাত্ৰ-ছাত্ৰীসকলৰ এই উদ্যম চিৰদিন অটুট থকাৰ কামনা কৰিলোঁ।

'অৰুণ' প্ৰকাশ কৰি উলিওৱাত মাননীয় অধ্যক্ষ শ্ৰীযুত বেৰকান্ত হাজৰিকাদেৱৰ সহায় সহযোগিতা মনত ৰাখিবলগীয়া। মোৰ তত্ত্বাৱধানৰ কামত সহকৰ্মী শ্ৰীমতী বীণা চৌধুৰীয়ে সহায়ৰ হাত আগবঢ়োৱাত থাউকতে ধন্যবাদ জনাইছোঁ। শ্ৰীমতী নন্দিনী বৰুৱা আৰু শ্ৰীমতী জুনুকা বৰুৱাৰ সহযোগিতাৰো শলাগ লৈছোঁ। নৱনীতা প্ৰিণ্টাৰ্ছে কুহেলিকা আঁতৰাই 'অৰুণ'ৰ পোহৰ বিস্তাৰিত হোৱাত সহায় কৰি ধন্যবাদৰ পাত্ৰ হ'ল লগতে আমাকো অনাবিল আনন্দ প্ৰদান কৰিলে। আলোচনী-সম্পাদক হিচাপে শ্ৰীমান তপনকুমাৰ হাজৰিকাই দায়িত্ব পালনত ত্ৰুটি কৰা নাই।

আলোচনীখন যাতে সৰ্বাঙ্গ সুন্দৰ হয় তাৰবাবে যৎপৰোনাস্তি চেষ্টা কৰা হৈছে। ভুল-ভ্ৰান্তিও যথাসাধ্যে শুধৰোৱা হৈছে। তথাপি, অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে মাৰ্জ্জনা বিচাৰিছোঁ। শেষত 'অৰুণ' চিৰঞ্জীৱি হোৱাৰ কামনাৰে—

**ড০ নমিতা ডেকা**
তত্ত্বাবধায়িকা







# গুৱাহাটী আৰু ইয়াৰ পুৰণি পুখুৰী দুটিমান

শ্ৰীবীণা চৌধুৰী
প্ৰবক্তা, অসমীয়া বিভাগ

বৰ্ত্তমানৰ গুৱাহাটী চহৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত অৱস্থিত হলেও তাহানি কিন্তু উত্তৰ আৰু দক্ষিণ দুয়োপাৰ সামৰি বৰগুৱাহাটী আছিল। এই বৰগুৱাহাটীখনেই কামাখ্যা, উমানন্দ, শুক্ৰেশ্বৰ, বশিষ্ঠাশ্ৰম আৰু অশ্বক্ৰান্ত- এই পাঞ্চতীৰ্থক সাবটি অতীজৰে পৰা অতি পৱিত্ৰ ঠাই বুলি খ্যাত। বৰগুৱাহাটীৰ পুৰণি নাম প্ৰাগজ্যোতিষপুৰ। মহীৰঙ্গদানৱ, ঘটকাসুৰ, নৰকাসুৰ, ভগদত্ত, ভাস্কৰবৰ্মা, ধৰ্মপাল আদি প্ৰখ্যাত প্ৰাচীনৰজাসকলে প্ৰাগজ্যোতিষপুৰৰ গুৰুত্ব, সৌন্দৰ্য্য, উপলব্ধি কৰি তাৰ মূল্যায়ন কৰিছিল। মেটমৰা বুৰঞ্জী আৰু ভূগোলেৰে জিলিকি থকা ঐতিহ্যপূৰ্ণ প্ৰাগজ্যোতিষপুৰ এটা সময়ত গুৱাহাটী হ'ল। ইংৰাজসকলে অসমৰ মাটিত ভৰি দিয়াৰ আগতে অৰ্থাৎ আহোম ৰাজত্বৰ শেষ পৰ্য্যায়ত নামনি অসম চলাবলৈ ইয়াৰ শাসনকৰ্তা বৰফুকনে গুৱাহাটীতে ৰাজধানী পাতি থাকিছিল। ৰামায়ন, মহাভাৰত, পুৰাণ-শাস্ত্ৰ আদিৰ উপৰিও কৌটিল্যৰ অৰ্থশাস্ত্ৰ, বৃহৎ সংহতি (৫ম শতিকা), পুৰুষোত্তম ৰচিত ত্ৰিকাণ্ড (৭ম শতিকা), ৰাজশেখৰৰ কাব্য-মীমাংসা (৯ম শতিকা), মিনহাজৰ তবাকৎ ম্ন-ই-নাছিৰি (১৮ শতিকা) তথা বিভিন্ন ইতিহাসত বানিজ্য কেন্দ্ৰ, স্থাপিত, ভ্ৰমণকাৰী, শিল্পী, পণ্ডিত-সাধকৰ আবাস-ভূমি বুলি উল্লেখিত প্ৰাগজ্যোতিষপুৰ কেতিয়াৰ পৰা গুৱাহাটী নামেৰে খ্যাত হৈ পৰিল সি অতিশয় তাৎপৰ্য্যপূৰ্ণ। কিছুমান শাস্ত্ৰত আকৌ প্ৰাগজ্যোতিষপুৰ নগৰখন ভাৰতৰ পশ্চিমে সাগৰতীৰত অৱস্থিত বুলি উল্লেখ আছে।

পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ডায়েৰীত লিখা টোকামতে- গুৱাহাটী নাম সম্ভৱত: সপ্তম শতিকাৰ পিছৰ। হিউৱেনছাঙৰ বিৱৰণীমতে নগৰখনৰ সৰহভাগ মাটি দ' আৰু খেতিৰ উপযোগী আছিল। নগৰৰ চাৰিওফালে নদী বা ডাঙৰ পুখুৰীৰ পৰা পানী নি সোঁত বোৱাই দিয়া হৈছিল। সেই সময়ৰ গুৱাহাটীৰ সীমা দক্ষিণপাৰে লতাশিলত আৰম্ভ কৰি পৰ্বতে পৰ্বতে জয়দুৱাৰৰ চকী। এই চকীৰ ওচৰতে দীঘলীপুখুৰীৰ নিচিনা আৰু এটা পুখুৰী আছে যিটো পুখুৰীক হিউৱেনছাঙৰ Banked up lake বুলি ধৰিব পাৰি। জয়দুৱাৰ চকীৰ পৰা পূবফালে দ'পৰ্বত এশাৰী গণেশৰ পৰ্বতত লাগিছে। গণেশৰ পৰ্বত গৈ ফটাশিলৰ পৰ্বতৰ মুৰত লাগি দুৰ্গাসৰোবৰ পৰ্বতত লাগিছে আৰু কামাখ্যা পৰ্বতৰ দক্ষিণ সীমাৰে গৈ পাণ্ডু পাইছে। উত্তৰপাৰে শৰাইঘাটৰ পৰা আৰম্ভ কৰি অগিয়াঠুৰী পৰ্বতৰ ওপৰে গৈ চিলাৰ পৰ্বতত ওলাই, ৰংমহলৰ পশ্চিমে গৈ দীৰ্ঘেশ্বৰী পৰ্বতত লাগিছে আৰু দীৰ্ঘেশ্বৰী পৰ্বতৰ পৰা আহি মনিকৰ্ণেশ্বৰৰ ওচৰত, ৰৰনদীৰ মুখত কানাই বৰশীবোৱা শিলত ওৰ পৰিছে। এই সীমাৰ ভিতৰত গুৱাহাটীখন ভাস্কৰ বৰ্মাৰ দিনৰপৰা আহোমৰ দিনলৈ একে থকা বুলি সন্দেহ কৰা হয়। গুৱাহাটী নগৰৰ চাৰিওফালে পৰ্বত, য'তেই পৰ্বত নাই তাতেই গড় আৰু খাৱৈ দিয়া হৈছে। পুৰণি গুৱাহাটীৰ দৰে বিশেষ গড়মৰা নগৰ Fortified town) পৃথিৱীৰ ভিতৰতে তাকৰ। গতিকে গুৱাহাটী নগৰ প্ৰতিৰক্ষাৰ এক অতুল শক্তি। গুৱাহাটী শত্ৰুৰ হাতত পৰামানেই যেন অসম সমগ্ৰ শত্ৰুৰ গ্ৰাসত পৰা তেনে ভাৱ এটা আছিল।

কিন্তু অতীতক অলপ জুকিয়াই চালে গুৱাহাটী নামটো সিমান প্ৰাচীন যেন অনুমান নহয়। কিছু পণ্ডিতে গুৱাহাটী নামটো খৃষ্টীয় ১৫ শতিকাৰ পৰাই বুৰঞ্জীত সোমাই থকা বুলি ক'ব খোজে যদিও ১৭৫২ চনৰ নৱগ্ৰহৰ শিলৰ ফলিত শেহতীয়াভাৱে প্ৰাগজ্যোতিষপুৰ





নামৰ উল্লেখ পোৱা হৈছে। সন্দেহ জন্মে- সেই সময়ত কথিতভাৱে গুৱাহাটীৰ ব্যৱহাৰ আছিল যদিও মান্যাৰ্থত বা লিখাৰ ক্ষেত্ৰত প্ৰাগজ্যোতিষপুৰ নামটোহে গ্ৰহণীয় কৰা হৈছিল নিশ্চয়। উল্লেখযোগ্য, সেই একে শতাব্দীৰ শেষফালে ৰাজঘৰীয়াভাৱে গুৱাহাটী নামৰো প্ৰথম প্ৰচলন হোৱা দেখা যায়। ১৭৯২ খৃ:ত স্বৰ্গদেৱ গৌৰীনাথ সিংহই দিয়া তামৰ ফলি এখনত 'গুৱাহাটী' নামৰ উল্লেখ আছে। এইজনা ৰজাৰে আন এখন ফলিত আকৌ 'গুহাটী' নামটোৰহে উল্লেখ আছে। তাৰো এশ (১০০) বছৰ আগেয়ে স্বৰ্গদেউ গদাধৰ সিংহই 'গুৱাকহট্ট' শব্দটোহে ব্যৱহাৰ কৰা পাওঁ। এইজনা স্বৰ্গদেউৰ দিনৰ এটা কামানৰ গাত লিখা আছে— "....শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱ সোমাৰেশ্বৰ গদাধৰ সিংহেন জৱনং জিত্বা গুৱাহাটীট্টমিদম্ প্ৰাপ্তম শাকে ১৬০৪।" অৰ্থাৎ সৌমাৰেশ্বৰ গদাধৰ সিংহই মোগলক পৰাজয় কৰি গুৱাৰ হাটত (তামোলৰ বজাৰত) এইটো (কামানটো) ১৬০৪ শকত (১৬৮২ খৃ:ত) পালে। এইয়ে বিখ্যাত ইটাখুলি যুদ্ধ যাৰ দ্বাৰা বছৰ বছৰ জুৰি শত্ৰুৰ অধীনত নি:শেষ হৈ যাব খোজা গুৱাহাটীৰ পুণৰ উদ্ধাৰেই নহয়, বৃটিছ অহাৰ দিনলৈকে অসমৰ স্বৰ্গদেউৰ হাতত গুৱাহাটী থিৰে থাকিব পাৰিছিল। ১৬৮২ খৃ:ত গদাধৰ সিংহই মোগল শাসনৰ কেন্দ্ৰস্থল ইটাখুলি অধিকাৰ কৰিছিল আৰু এই ইটাখুলি নামৰ ঠাইতে 'গুৱাকহট্টম' বা গুৱাৰ হাট আছিল বুলি অনুমান কৰিব পাৰি। আন এবাৰ মোগল আক্ৰমণৰ পিচত মোমাই তামুলী বৰবৰুৱাই আৰু আহ্লায়াৰখাঁৰ মাজত ১৬৬৮ খৃ:ত সন্ধিসুত্ৰমতে বৰনদী আৰু অসুৰৰ আলি দুয়োপক্ষৰ সীমা নিৰ্ধাৰণ হোৱাত মোগলে ইটাখুলিত শাসন কেন্দ্ৰ পাতি কামৰূপ শাসন কৰে। এই ক্ষেত্ৰত প্ৰাগজ্যোতিষপুৰ নাইবা গুৱাহাটীৰ নাম উল্লেখ নাই। আকৌ , ইটাখুলিৰ পুৰণি নাম মন্ত্ৰাচলং বৰ্ত্তমান পানবজাৰৰ উপাযুক্তৰ বাসভৱন অঞ্চলেই এই পুৰণি মোগল শাসনৰ কেন্দ্ৰ। মোগল শাসকসকলে 'প্ৰাগজ্যোতিষপুৰ' শব্দটো ব্যৱহাৰ নকৰালে চাই মোগল শাসনৰ সময়তে গুৱাহট্টৰ পৰাই গুৱাহাটীৰূপ পোৱা বুলি ধৰি লব পাৰি।

আন এটা দিশৰ পৰা, গুৱাহাটীয়ে গুহাৰ হাটী নাইবা গুৱাৰ হাটীকো সূচাব পাৰে। অৱশ্যে এই ঠাই পাহাৰ-পৰ্বতে আগুৰা হলেও গুহা নাই। কিন্তু অধিবাসী সকলৰ প্ৰিয়বস্তু গুৱা (তামোল)ৰ পৰিমান অপৰ্য্যাপ্ত। হট্ট মানে বজাৰ বা হাট। গতিকে গুৱাহট্ট মানে তামোলৰ বজাৰ হ'ব পাৰে। আগৰ কালত অসমৰ লোকে আনক্ষেত্ৰতকৈ কেৱল তামোল পানৰ বজাৰেই কৰিছিল। বিদেশী বুৰঞ্জীলেখক চিহাবুদ্দিনে গড়গাওঁ নগৰৰ বৰ্ণনা প্ৰসংগত লেখি থৈ গৈছে— "The only traders who sit in the bazar are betel-left seller. It is not their Praetice to buy and Sell ontieles of food in the market place." গতিকে প্ৰাগজ্যোতিষপুৰৰ নিচিনা ৰাজধানী নগৰ এখনৰ ঠাইত তামোলৰ বজাৰ থকাটো স্বাভাৱিক। তথাপি সাধাৰণ গুৱাৰ বজাৰ বা হাটীয়ে প্ৰাগজ্যোতিষপুৰৰ দৰে গৌৰৱমণ্ডিত নামৰ ঠাই দখল কৰাটোও আচৰিত। সেয়ে ৰমেশ চন্দ্ৰ কলিতাৰ "প্ৰাগজ্যোতিষপুৰ আৰু গুৱাহাটী" নামৰ প্ৰবন্ধত লিখা কথাখিনি প্ৰণিধানযোগ্য— "...উক্ত গুৱাহাট্ট বা গুৱাৰ বজাৰ অঞ্চলটোৰ নাম বৰ্ত্তমান পানবজাৰ। কাষতে মুছলমানলোকৰ বসবাসৰ প্ৰাধান্য হোৱাৰ কাৰণো নগৰৰ পাতনি মেলা মোগল প্ৰশাসনেই হ'ব পাৰে। পানবজাৰ নামটো পুৰণি গুৱাহাট্ট বা গুৱাৰ হাটৰ ৰূপান্তৰ মাথোন। ইংৰাজসকলে দেশ লৈ পানবজাৰৰ কাষতে কাছাৰী পাতি শাসন চলোৱাত বংগদেশৰ লোক আমদানি কৰি আনিছিল। পানবজাৰ পুৰণি বঙালী লোকসকলৰ বসতি প্ৰধান অঞ্চল হিচাপে এতিয়াও বিদ্যমান। তেওঁলোকৰ প্ৰভাৱত পৰিয়েই গুৱাৰ বজাৰৰ ঠাইত পানবজাৰলৈ ৰূপান্তৰ ঘটা বুলি অনুমান হয়। কাৰণ তেওঁলোকে 'গুৱা' শব্দটো 'পাণ' শব্দেৰে বুজায়।"

১৮৫৩ চনৰ জুনমাহত ধৰ্মকান্ত গোহাঁইয়ে 'অৰুণোদই'ত লিখা 'গুআহাটিৰ বিবৰণ' (Deseription of Gowahati) ত চাৰিখন বজাৰৰ কথা উল্লেখ আছে— "নগৰৰ মাজত বজাৰ চাৰিখন;/ পূব চক বজাৰ, পশ্চিমে দলঙ্গপাৰ/ দক্ষিনে আচই এক পল্টন বজাৰ। মাজত ফাঁচি বজাৰ আচে একখন,/ তিনিও বজাৰ জুৰ নহই সমান।" পানবজাৰৰ উল্লেখ নথকালে চাই নিশ্চয় পানবজাৰৰ নামটো বেছি পুৰণি নহয় বুলি অনুমান কৰিব পাৰি।

এনে এখন ঐতিহ্যপূৰ্ণ নগৰত বৃটিছ অহাৰ পূৰ্বে জনসংখ্যা যথেষ্ট কম আছিল আৰু প্ৰায়বোৰ ঠাইয়ে হাবি-জংগল আৰু পিতনিৰে ভৰ্ত্তি আছিল। তাৰ কাৰণ বহুকেইটা— মানৰ আক্ৰমনৰ পিচত গুৱাহাটীৰ অধিবাসীবোৰ দূৰ-দূৰণিলৈ গুচি গৈছিল। এই ঠাসত অকল নিৰাপত্তাৰক্ষী আৰু ৰজাৰ বিষয়াসকলহে থাকিবলৈ বাধ্য হৈছিল। তদুপৰি এই অঞ্চলতেই কোঁচ, দাঁতিয়লীয়া ৰজা, আহোম আৰু মোগলৰ মাজত সঘনে হোৱা ৰণৰ বাবে এই ঠাইখন লোকশূণ্য হৈ পৰিছিল। আনহাতে দুই বা তিনি বছৰৰ ভিতৰতে হাজাৰ হাজাৰ লোক নি:শেষ কৰা কলাজ্বৰ, গ্ৰহণী, টাইফয়দ আদিৰ বাবে গুৱাহাটী সুখ্যাত আছিল। এইবোৰৰ উপৰিও শেষলৈ চাহাবৰ ভয়ত জাত যাব বুলি দক্ষিণ গুৱাহাটীৰ বহুলোক উত্তৰ গুৱাহাটীলৈ গুচি যায়। এই গুৱাহাটীতেই, ১৮৫৩ চনত (অসমত প্ৰথম) মিউনিচিপেল কমিটি বা মিউনিচিপেলিটি স্থাপন হয় আৰু কিছুবছৰ পিচত এই কমিটিখন প্ৰথমশ্ৰেণীলৈ তোলা হয়। মিউনিচিপেলিটিৰ কাম আছিল টেক্স আদায় কৰা, ছিটা দিয়াৰ ব্যৱস্থা কৰা, হাবি-জংগল চাফ কৰা, পিতনি পোতা, ভাৰ্ণেকুলাৰ স্কুল স্থাপন কৰা, আলি-পদূলি উন্নত কৰা, পানীৰ ব্যৱস্থা কৰা ইত্যাদি। ১৮৮৫-৮৬ চনত এই মিউনিচিপেলিটিৰ ভিতৰত জনসংখ্যা আছিল ১১,৬৯৫। যিহওক, গুৱাহাটীৰ দিচপুৰলৈ ১৯৭৩ চনত অসমৰ ৰাজধানী স্থানান্তৰিত হোৱাৰ পিচত প্ৰায় এক শতাব্দীৰ পিচত হলেও অসমৰ

গুৱাহাটীয়ে হেৰুৱা সন্মান আৰু গুৰুত্ব ঘূৰাই পাবলৈ সমৰ্থ হৈছে।

হিউৱেনচাঙৰ ভ্ৰমণৰ দিনৰ পৰা আহোম ৰজাৰ দিনলৈকে গুৱাহাটীনগৰখন অগণন সৰু-বৰ জলাশয়েৰে ভৰ্ত্তি আছিল। বৰ্তমান গুৱাহাটীৰ কিমান ব্যক্তিয়ে পোতাপুখুৰী, পোতাবিলৰ ওপৰত বাকৃবজা হৈ বহি আছে তাৰ হিচাপ কোনে উলিয়াব? গুৱাহাটীৰ এই পুৰণি বিল-পুখুৰীবোৰৰ আঁতি গুৰি পাবলৈ বৰ টান- সেইবোৰৰ ধ্বংসৰ লগতে বুৰঞ্জীৰ বহুতো সমল নাইকীয়া হ'ল।

এখন সুন্দৰ নগৰ গঢ়ি তুলিবলৈ হলে তাত উপযুক্ত পানী যোগান আৰু পানী ওলাই যোৱাৰ ব্যৱস্থা থাকিবই লাগিব ভাৰতবৰ্ষৰ বহু প্ৰাচীন ঐতিহ্যপূৰ্ণ চহৰ আছিল তেন্তে এই নগৰখনেও নিশ্চয় এই সভ্যতাৰ পৰা বঞ্চিত হোৱা নাছিল। বৰ্তমান গুৱাহাটী চহৰৰ মাজমজিয়াত থকা বিখ্যাত পুৰণি পুখুৰীটো হ'ল দীঘলী পুখুৰী। 'অৰুণোদই'ত প্ৰকাশিত 'গুৱাহাটীৰ বিৱৰণ' (Description of Gowahati) তো ধৰ্মকান্ত গোহাঁইয়ে লিখিছিল "তাহাৰ পূবতে কমিসানৰ কচাৰি, সনিকটে আছে দিঘলি পুখুৰি।" মহাভাৰতৰ যুগত ৰজা ভগদত্তই জীয়েক ভানুমতীৰ স্বয়ম্বৰ উপলক্ষে এই পুখুৰীটো খন্দোৱা বুলি জনবিশ্বাসে কলেও নিৰ্ভুল ইতিহাস ক'ত? দক্ষিণফালে বেলষ্টেচন আৰু উত্তৰফালে ব্ৰহ্মপুত্ৰ নদীক চুই যোৱাতে পুখুৰীটো এটা সময়ত যথেষ্ট দীঘল আছিল বুলি ভাবিব পাৰি। অসম বাজ্যিক সংগ্ৰহালয়ৰ গাতে লগাকৈ বেলৰ মাটিত থকা খাল কেইটামানে এসময়ৰ দীঘলীপুখুৰীৰে অংশ হিচাপে থকাৰ প্ৰমাণ দিয়ে।

এই দীঘলীপুখুৰীৰ পশ্চিমে পানবজাৰৰ ডনবস্ক স্কুলৰ উত্তৰফালে ডাঙৰ খালৰ দৰে এটা পুখুৰী আছে। ইয়াক নাক্কটা বা নাগকটা পুখুৰী বুলিলেও দৰাচলতে নাগপোতা পুখুৰীহে আচল নাম আছিল। বুৰঞ্জীবিদ্ কনকলাল বৰুৱাদেৱে এই পুখুৰীটোক ৰজাদিনীয়া পুখুৰী বুলি ঠাৱৰ কৰিও হোনো কোনো আঁতিগুৰি বিচাৰি নেপালে।

এই একেটা এলেকাত থকা আনটো পুখুৰী হ'ল বৰ্তমান কটন কলেজিয়েট স্কুলৰ সমুখত থকা হাতীখাল পুখুৰী। জনশ্ৰুতি মতে এই পুখুৰী আহোম ৰজাই উমানন্দ মন্দিৰক উচৰ্গা কৰি দিছিল। কিন্তু কোনজনা স্বৰ্গদেউৰ দিনত তাৰ একো প্ৰমাণ পাবলৈ নাই, নিশ্চয় তেতিয়া নামো বেলেগেই আছিল। কালক্ৰমত বৰফুকনৰ টোল সেই ঠাইতে অৱস্থিত হোৱাৰ বাবে কাষতে থকা পুখুৰীটো বৰফুকনৰ হাতীশালৰ হাতীক গা-ধুওৱা কাৰ্য্য সমাধা কৰা হৈছিল গুণে হাতীখাল পুখুৰী হ'ল। শেষত বৰফুকনৰ কাল উকলি যোৱাত কোনোবা সৌন্দৰ্য্যপ্ৰয়াসী ব্যক্তি। অনুষ্ঠানে হয়তো ইয়াত পদুম ৰোৱালে, যাৰ ফলস্বৰূপে সময়ত ইয়াৰ নাম হ'লগৈ পদুম পুখুৰী। এই পুখুৰীটোৰেই বিভিন্ন সময়ত বিভিন্নজনৰ মাজত এচ. পি (S.P) নাইবা ডি.চি (D.C) বঙলাৰ পুখুৰী বুলিও জনাজাত হৈছিল। যাহওক, কিছুদিন আগেয়ে ইয়াৰ কাষত অসম গণ পৰিষদৰ শাসনকালৰ গৃহমন্ত্ৰীৰ বাসভৱন আছিল আৰু এই সময়তে এই পুখুৰীটোৰ পৰা পদুমফুলবোৰ উঠাই দিয়াৰ বাবে বৰ্তমানে ই উকা পুখুৰী ৰূপেহে বৈ আছে।

আনহাতে উজানবজাৰ ঠাইটুকুৰাত এটি ৰজাদিনীয়া পুখুৰীপোৱা যায় উগ্ৰতাৰা পুখুৰী নাইবা তাৰাপুখুৰী যাৰ বৰ্তমান পৰিচয় হ'ল দুটা পুখুৰী সামৰি যোৰপুখুৰী। পূৰ্বতে থকা এটা বৰপুখুৰীৰ মাজেৰে আলি কৰি দুটা বা যোৰ পুখুৰী কৰা হয়। বৃটিছৰ আমোলত এই ঘটনা ঘটালেও কাৰদিনত বিভক্তিকৰণ কৰা হৈছিল সি বৰ্তমানো অজ্ঞাত। পুখুৰীৰ পাৰৰ শিলালিপি এখনত এই মন্দিৰ আৰু পুখুৰীৰ নিৰ্মানৰ সময় ১৬৬০ শক (১৭৩৮ খৃষ্টাব্দ) বুলি উল্লেখ আছে। জনশ্ৰুতি মতে, আহোম ৰজা শিৱসিংহৰ পত্নী বৰৰজা ফুলেশ্বৰীয়ে এই দেৱালয় স্থাপন কৰে আৰু দেৱালয় দৰ্শনৰ বাবে ভক্তসকল সুকলমে আহিব পৰাকৈ ব্ৰহ্মপুত্ৰৰ পৰা এই দেৱালয়ৰ প্ৰাংগন চুই যোৱাকৈ এটা জান কাটি লোৱা হৈছিল যি বৰ্তমানেও নাওজান নামে জ্ঞাত। অৱশ্যে বৰৰজা গৰাকী এই মন্দিৰ দৰ্শনাৰ্থী আছিল নে নাছিল জনা নাযায়। কিন্তু প্ৰাচীন খেলনাও আদিৰ ব্যৱহাৰলৈ লক্ষ্য কৰিলে এই জান যথেষ্ট ডাঙৰ হোৱাটোৰেই অনুমান কৰিব পাৰি। শেষত ইংৰাজসকলে পুখুৰীৰ বাবে আশ্যকীয় ঠাই ৰাখি দীঘল জানৰ বাকীবোৰ পুতি পেলালে। আনকি নিজৰ ঘোঁৰা-বাগী চলোৱাৰ সুবিধাৰ্থে হওক নইবা সৌন্দৰ্য্য বৰ্ধনৰ বাবেই হওক; উগ্ৰতাৰা পুখুৰীটো দুটাভাগত ভাগকৰি মাজেৰে ৰাষ্টা নিৰ্মান কৰা হ'ল। বৰ্তমানৰ ইছলাম পট্টিৰ মাজেৰেই এই জানটো থকাৰ সন্দেহ কৰা হয়। কিছুবছৰ আগলৈকে নাওজান আলি এটা আছিল যাৰ বৰ্তমান পুনৰ নামকৰণ কৰা হৈছে সতী শান্তি বাধিকা পথ হিচাপে। উজান বজাৰতেই অৱস্থিত বৰ্তমান মৃতপ্ৰায় ৰজাঘৰৰ পুৰণি পুখুৰীটোৰ সতেও যোৰপুখুৰী সংলগ্ন হৈ আছিল বুলি পুৰণি লোকসকলে বিশ্বাস কৰে।

আন এটা ৰজাদিনীয়া উল্লেখযোগ্য পুখুৰী হ'ল নৱগ্ৰহ পুখুৰী নাইবা বৰ্তমান শিলপুখুৰী ৰাহু-অৱস্থানৰ গাতে লাগি থকা শিলপুখুৰীটো। চিত্ৰাচল পাহাৰত থকা নৱগ্ৰহ মন্দিৰটো আচলতে জ্যোতিষ-চৰ্চাৰ কেন্দ্ৰ। সৃষ্টিকৰ্তা ব্ৰহ্মাই উক্ত ঠাইতেই গ্ৰহ-নক্ষত্ৰৰ সৃষ্টি কৰিছিল বুলি এই দেশৰ নামেই প্ৰাগজ্যোতিষ। বৰ্তমান মন্দিৰটো আহোম ৰজা ৰাজেশ্বৰ সিংহই ১৭৫২ খৃঃত নিৰ্মান কৰাইছিল। একে সময়তেই মন্দিৰৰ নামনিত সমতল পুখুৰীটোও খন্দা বুলি অনুমান কৰিব পাৰি। কাৰণ, শিলেৰে পাৰ বন্ধোৱা এই পুখুৰীটো ন-চুকীয়া। হয়তো মন্দিৰৰ ভিতৰত থকা নটা গ্ৰহৰ অধিপতি দেৱতাসকল ক্ৰমে সূৰ্য্য, চন্দ্ৰ, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰাহু আৰু কেতুৰ প্ৰতীক স্বৰূপে পুখুৰীটোও ন-চুকীয়া কৰা হৈছিল। প্ৰাচীন পুখুৰীটোৰ আকাৰ আৰু চুকুবোৰ লোপ পাই এতিয়া মথো তাৰ ক্ষুদ্ৰ আয়তনৰ অৱশেষহে বৈ আছে।

প্ৰাচীন গুৱাহাটীৰ আন এটা উল্লেখযোগ্য পুখুৰী হ'ল ভাৰত বিখ্যাত কামাখ্যা মন্দিৰৰ প্ৰখ্যাত সৌভাগ্যকুণ্ড। মন্দিৰৰ উত্তৰফালে





দেৱীৰ ক্ৰীড়া-পুষ্কৰিণী হিচাপে খ্যাত সৌভাগ্যকুণ্ডটি ইন্দ্ৰাদি দেৱতাৰ দ্বাৰা নিৰ্মাণ কৰা হয় বুলি কয়। আনহাতে প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকাসুৰে কামাখ্যাদেৱীৰ ৰূপ-লাৱণ্যত মুগ্ধ হৈ বিয়া কৰোৱাৰ প্ৰস্তাৱ দিয়াত দেৱীয়ে এটা স্বৰ্ত্ত দাঙি ধৰিছিল— ৰজা নৰকাসুৰে কামাখ্যাদেৱীক পাবলৈ হলে একাতিৰ ভিতৰতে এটা মন্দিৰ, এটা পুখুৰী আৰু মন্দিৰৰ ওপৰলৈ উঠাৰ সুবিধাৰ বাবে এটা শিলৰ খট্ খটি পথ বান্ধি দিব লাগিব (বহুতৰ মতে পৰ্বতৰ চাৰিওফালে চাৰিটা শিলৰ খট্ খটি পথ আৰু এটি জিৰণি ঘৰ)। তাৰ পিছৰ কথা বুৰঞ্জীৰ সকলো পাঠকেই জানে। কেনেকৈ কামবোৰ শেষ হওঁ হওঁ অৱস্থাত ৰাতি নৌ-পুৱাতেই দেৱীয়ে চক্ৰান্ত কৰি কুকুৰাৰে ডাক্ দিয়ায় আৰু নৰকৰ বাধা ব্যৰ্থ কৰে। যিহওক, কামাখ্যাপুখুৰীৰ নিৰ্মাণকৰ্তা নৰক হ'লে ইয়াৰ সময়সীমাও বুৰঞ্জীৰ মতেই নিম্নাত। এই সৌভাগ্যকুণ্ড দ্বাৰভাঙ্গা মহাৰাজে দুভাগ কৰি মাজেৰে ইটাৰ দেৱাল দিছে যাৰ এভাগ পানী সৰ্বসাধাৰণৰ বাবে আৰু আনভাগেৰে দেৱী ভগৱতীৰ স্নান-ভোগ আদিত ব্যৱহাৰ কৰা হয়। উল্লেখযোগ্য যে উক্ত মন্দিৰক সামৰি ঋনমোচন কুণ্ড, অমৃতকুণ্ড, চন্দ্ৰাৱতী পুখুৰী (নতুন পুখুৰী) আদি প্ৰাচীন আৰু অতিপ্ৰাচীন আঠোটা (৮) কুণ্ড বা পুখুৰী বৰ্তমান।

কামাখ্যা পাহাৰৰ নামনিত দক্ষিণফালে এটা সময়ত 'দুৰ্গা সৰোবৰ' নামে কামাখ্যাদেৱীয়ে জলক্ৰীড়া কৰা এক সৰোবৰ আছিল। বৰ্তমান এই সৰোবৰৰ ঠাইবোৰ চিন স্বৰূপে সৰু পুখুৰীৰ অৱশিষ্টহে আছে বুলি বহুতে ক'ব খোজে।

বহু কিম্বদন্তী, বহু জনশ্ৰুতি আৰু বহু অৱশিষ্ট পুখুৰীৰে এতিয়াও গুৱাহাটী পূৰ্ণ। বৰ্তমান চিৰিয়াখানা পথৰ কৰ্মাচ কলেজৰ গাতে এটা পুখুৰী থকাৰ প্ৰমাণ আছে। স্বৰ্গদেউ গদাধৰ সিংহৰ বায়েক বাউলী গাভৰু (নামনি অসমৰ বৰফুকন বন্দৰ বৰফুকনৰ পত্নী) গড়গাওঁ অভিমুখে নাৱেৰে যোৱাৰ পথত গুৱাহাটী এৰাৰ লগে লগেই মূৰ্চ্ছা গৈ (পাৰিবাৰিক কাৰণত) মৃত্যু মুখত পৰে। শেষত বৰফুকননী মেদামৰ বাবে মাটি তোলোতে উক্ত পুখুৰীৰ সৃষ্টি হৈছিল। এই বাউলী গাভৰুৰ মৈদামৰ বাবেই এই ঠাইখনো 'বাউলী মৈদাম' হৈ শেষত বামুণীমৈদাম হিচাপে জনাজাত হৈ পৰিল।

সেইদৰে পল্টন বজাৰৰ (অভাৰ ব্ৰীজৰ এমূৰত) ৰেল লাইনৰ দাঁতিত এটি সৰু পুখুৰী দেখা বহু বৃদ্ধ লোক গুৱাহাটীত এতিয়াও আছে। সেই পুখুৰীৰ মৃত্যু ঘটাই তাত অগ্নিনিৰ্বাপক বাহিনীক স্থাপন কৰা হৈছে। আনহাতে গুৱাহাটী মহানগৰীত প্ৰাপ্ত এখন শিলালেখত ১৪৯৭ খৃঃত ৰজা হেড়ম্বাধিপতি দুনুত্ৰবাই প্ৰাগজোতিষ নগৰত গণেশৰ মূৰ্ত্তি স্থাপন কৰি এটা পুখুৰী খন্দা বুলি সংস্কৃত ভাষাত লিখাই থৈছে। এই ৰজাজন বেলতলা ৰাজ্যৰ ৰজা আৰু উক্ত গণেশ মূৰ্ত্তি স্থাপন কৰা ঠাইখন গণেশগুৰি বুলি বহুতে ক'ব খোজে যদিও পুখুৰীটোৰ বিষয়ে সন্দিহান।

এনেধৰণৰ বহু পুখুৰী বৃটিছসকলেই পুতি বাসস্থান কৰি তুলিছিল। আনকি পুখুৰী পুতিবৰ বাবে বিষয়া আৰু কৰ্মচাৰীও নিযুক্ত কৰিছিল। হৰকান্ত সদৰামীনৰ আত্মজীৱনীত আছে— "জাহাজত গোহাটী যাই শ্ৰী কে- স্পল সাহেৱ সহিত 'মুনচিপলৰ' (মিউনিচিপেলৰ) কমিটী কৰি খুদ্ৰ খুদ্ৰ পুখুৰী পোতা বায় দিওঁ। ও কলৰ দ্বাৰা পানী তোলিবৰ বায় নিছোঁ" (১৮৮২/৩ আগষ্ট)।

আন এটা বাক্যত আছে — "৪ ভাদ্ৰ— x x x পুখুৰী পোতা খৰছ বাবত ৩০,০০০, ত্ৰিশহাজাৰ টাকা কৰ্জ্জ কৰা বিষয় শ্ৰীশ্ৰী চীফ্ কমিচনৰ সাহেবেৰ পাশ পাঠনি চিঠি দস্তখত কৰা যায়।" উক্ত গ্ৰন্থতেই 'ইটাখুলী পুখুৰী'বো নাম পোৱা যায়।

আনহাতে, বৰ্তমান লতাশিল পথাৰত হেনো পূৰ্বতে এটা পুখুৰী আছিল। পুখুৰী পুতি পিছত খেলমাটি কৰা হয়। ডঃ প্ৰফুল্ল দত্ত গোস্বামীৰ "মাণিক চন্দ্ৰ বৰুৱা" নামৰ গ্ৰন্থৰ মতে— "প্ৰথমতে উজান বজাৰৰ বজাৰ বহিছিল লতাশিল খেল-পথাৰত থকা এটা ডাঙৰ পুখুৰীৰ পাৰত। বৰ্তমান বজাৰ বহা খোলা তেতিয়া ওখ টিলা। এই টিলাৰ মাটি কাটি নি লতাশিলৰ পুখুৰীটো মৰা হয় আৰু তাত এখন খেলপথাৰৰ সৃষ্টি হয়; আনহাতে বৰ্তমান বজাৰৰ কাৰণে সমান ঠাই এডোখৰো ওলায়।" এই লতাশিল খেলমাটিতে অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিবেশন ১৯২০ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্ব বহিছিল। এই পথাৰখনেই এটা সময়ৰ 'য়ুনিয়ন ফিল্ড' আৰু আধুনিক বিহুতলী হিচাপে পোন প্ৰথম মঞ্চত বিহু তোলাৰ অভিলেখ এই খেলমাটিতেই স্থাপন হৈছিল।

ভৰলুমুখ অঞ্চলতো তৰুণ ফুকন উদ্যানৰ পূবফালে থকা সৰু পুখুৰী (হলিৰাম ঢেকিয়াল ফুকনে খন্দোৱা), কালিপুৰ আশ্ৰমৰ পুখুৰী, সোনাৰাম ফিল্ডৰ দাঁতিৰ পুখুৰী আদি বহু সৰু-বৰ পুখুৰী এতিয়াও জিলিকি আছে। এইবোৰৰ উপৰিও অতীত গুৱাহাটীৰ বুকুত বহুসংখ্যক ৰজাদিনীয়া প্ৰাচীন-অতিপ্ৰাচীন জলাশয়- পুখুৰী আছিল যিবোৰ আজি লুপ্ত। সেইবোৰৰ ইতিহাস উদ্ঘাটন কৰিব পাৰিলে হয়তো কামৰূপ- প্ৰাগজ্যোতিষপুৰ-গুৱাহাটীৰ জয়ধ্বজা নতুন ৰবণেৰে ৰবণীয়া হৈ পৰিলেহেঁতেন।

দূৰ-অতীতৰ গৌৰৱময় স্মৃতিবোৰ ইতিহাসে কৰ বিচাৰিলেও তাৰ সত্যতা কিমান কোনে প্ৰমাণ কৰিব? আগ্ৰহৈৰা কিমানজনৰ? গতিকে জনা কথাবোৰো আমি পাহৰিবলৈ চেষ্টা কৰি থকাটোৱেহে স্বাভাৱিক হৈ পৰিছে। এই প্ৰবন্ধত আচলতে আটাইয়ে জনা সৰু সৰু সাধাৰণ কথা কিছুমানক নতুনকৈ চোৱাৰ-চেষ্টা কৰা হৈছে। কিন্তু এনে প্ৰচেষ্টাত গৱেষণাৰ বিপৰীতে জনশ্ৰুতি, কিম্বদন্তী আৰু ভাৱ-প্ৰৱণতাইহে আগস্থান পাইছে। আশাকৰোঁ, ভৱিষ্যত আগ্ৰহশীল ব্যক্তিৰ বৈজ্ঞানিক বিচাৰ-ভংগীৰ পোহৰ পৰিলে, এই বিষয়টোৱে বিন্দুৰ মাজত সিন্ধু হৈ যথেষ্ট পাণ্ডিতিক সমল আগবঢ়াব পাৰিব। ●

# নামধৰ্ম্মৰ প্ৰাসংগিকতা

শ্ৰীমৃগেন বেজবৰুৱা
স্নাতক ২য় বৰ্ষ

হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলে
বহে ব্ৰহ্মাণ্ডক ভেদি॥

এক শৰণ ভাগৱত ধৰ্ম্মকে আমি নামধৰ্ম্ম বুলি কওঁ। ইয়াক ঘৰুৱা অৰ্থত ভক্তিধৰ্ম্ম বুলিও কোৱা হয়। যিসময়ত অসমত যাগ-যজ্ঞ বলি বিধান আদি কুসংস্কাৰৰ সোঁত বৈছিল সেই সময়ত অসমীয়া সাংস্কৃতিক জাতীয় জীৱনৰ ত্ৰাণকৰ্তা অৱতাৰী মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱিৰ্ভাৱ হৈছিল। সেই সময়ৰ কু-সংস্কাৰেৰে জৰ্জৰিত অসমৰ সমাজখনক নাম ধৰ্ম্ম প্ৰচাৰৰ জৰিয়তে সাহিত্য, কলা, আৰু সাংস্কৃতিক ক্ষেত্ৰত, শঙ্কৰদেৱে যি আপুৰুগীয়া দান দি থৈ গল তাৰ বাবে আমি আজিও গৌৰৱান্বিত।

শ্ৰীমন্ত শঙ্কৰদেৱৰ মহাপুৰুষীয়া ধৰ্ম্ম বৰ্তমান অসমীয়া সমাজত পৰিচিত। এই ধৰ্ম্মৰ মূল ভেঁটি হ'ল একেশ্বৰবাদ। নামধৰ্ম্মৰ বা ভক্তি ধৰ্ম্মই ভক্তিমাৰ্গক জ্ঞান আৰু কৰ্মতকৈ শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিছে। অদ্বৈত্য দৰ্শনৰ গুঢ়াৰ্থ বা লক্ষ্য অদ্বৈত ব্ৰহ্ম, যাক উপলব্ধি কৰিব পাৰি কেৱল একশৰণ অব্যাভিচাৰি ভক্তিৰ মাজেৰে। অদ্বৈত দৰ্শনৰ মূল বা যথাৰ্থ সত্তা সেই নিৰ্গুণ নিৰাকাৰ ব্ৰহ্ম, যি সৰ্বাবো চৈতন্য স্বৰূপ। নাম ধৰ্ম্মৰ উপাস্য বিষ্ণু বা কৃষ্ণক নামঘোষাত এনেদৰে বৰ্ণোৱা হৈছে।

কৃষ্ণ এক দেৱ দুখহৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি-স্থিতি অন্তকাৰী দেৱ তাংকবিনে আন নাহিকেৰ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ॥ ৫৮৬
নমো নমো নিত্য নিৰঞ্জন নাৰায়ণ শিৱ সনাতন
অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা।
পৰম পুৰুষ ভগৱন্ত নাহি পূৰ্বাপৰ আদিঅন্ত
তুমিসে চৈতন্য সমস্তে ভৱ ভাৱন্তা॥

(ঈশ্বৰ নিৰ্ণয়) ৫৮৭

মহাপুৰুষজনাৰ দ্বাৰা প্ৰচাৰিত ধৰ্ম্মকে বৰ্তমান যুগত শ্ৰেষ্ঠ ধৰ্ম্ম বুলি ক'ব পাৰোঁ। এইবাবেই নাম ধৰ্ম্ম হৈছে জাতি, বৰ্ণ, ধনী, দুখীয়া ভেদ প্ৰকাৰ এই ধৰ্ম্মৰ দৃষ্টিত সমান। কৃষ্ণ নাম শ্ৰৱন কীৰ্ত্তন কৰিলে সকলো বাঞ্ছিত ফল লাভ হয়।

কলিত পৰম উপায় নাম।
একদায়ে সিজে ত্ৰিতয় কাম॥
উপজে পুণ্য পাপ হোৱে দূৰ।
মিলে মহামোক্ষ সুখ প্ৰচুৰ॥

(ভাগৱত তাৎপৰ্য্য)





গুৰুজনাই সকলো দেৱ দেৱতাৰ ভিতৰত বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে। কৃষ্ণ বা বিষ্ণুৱে সকলো জীৱ জগত, প্ৰাণীজগতৰ প্ৰতিটোতে আত্মাৰূপে আছে। মহাপুৰুষজনাই সমাজৰ ভেদাভেদ দূৰকৰি সকলো ধৰ্ম্মকে সমান চকুৰে চাই সকলো জীৱ তথা পৰম ব্ৰহ্মাৰ নাম লবলৈ শিষ্যসকলক উপদেশ দিছে। ভক্তি প্ৰদীপ আৰু ভাগৱতত মহাপুৰুষ জনাই এনেদৰে লিখিছে।

"পৰৰ ধৰ্ম্মক নিহিংসিবা কদাচিত।
কৰিবা ভূতক দায়া সকৰুণ চিত॥"

ভক্তি প্ৰদীপ (১৪০-৪৫)

"সমস্ত প্ৰাণীক দেখিবাহাআত্মাসম।
উপায় মধ্যত ইটো অতি মুখ্যত্তম॥"
"ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি সমতুল॥"
"নীচত সাধুত যাৰ ভৈল একজ্ঞান
তাহাকেশে পণ্ডিত বুলিয়া সৰ্ব্বজান"॥

(কীৰ্ত্তন ১৮৭৮-৮২ : ভাগৱত একাদশ স্কন্ধ)

"ব্ৰাহ্মণ চাণ্ডাল তোৰ দাতা ক্ৰুৰশান্ত।
সবাতো আত্মাক তুমি দেখিবা নিতান্ত॥
তেজি লাজ গৰ্বসমে হুয়া উপশাম।
সমস্তকে দণ্ডৱতে কৰিবা প্ৰণাম॥

(ভক্তিৰত্নকৰ ১৯৬)

শ্ৰীমন্ত শঙ্কৰদেৱৰ নৱ বৈষ্ণৱ ধৰ্ম্ম আন্দোলন অকল অসমত বিস্তাৰ নাছিল। সেই সময়ছোৱাত সমগ্ৰ ভাৰতবৰ্ষত ৰামানন্দ, কবিৰ, নানক প্ৰভৃতি ধৰ্ম্মগুৰু সকলে একেশ্বৰবাদী ধৰ্ম্ম প্ৰচাৰ কৰি মানুহৰ অন্তৰ জয় কৰিছিল। অসম তথা ভাৰতবৰ্ষতে যাগ-যজ্ঞ আদি শক্তি পূজাৰ প্ৰভাৱ হ্ৰাস কৰিছিল আৰু নাম ধৰ্ম্মৰ মূলতত্ব মানুহৰ মাজত প্ৰচাৰ হৈছিল। নাম ধৰ্ম্মৰ সহজ সৰল নীতি নিয়ম সকলোৱে পালন কৰিছিল। তেখেতৰ মতে আমি ভক্তিভাৱে ঈশ্বৰক প্ৰাৰ্থনা কৰোতে কোনো ধন সম্পত্তি নালাগে। ভগৱদ গীতাত (৯/২৬) কৈছে—

"পত্ৰং পুষ্পং তোযং যোসে ভজং প্ৰযচ্ছতি।
তদহং ভূক্তাপহৃতম অশ্নামি প্ৰথাত্মানঃ॥

অৰ্থাৎ ভক্তিভাৱে ভগবানৰ নামত ফুল তুলসী অৰ্পণ কৰিলেই তেওঁ তুষ্ট হয়। তেওঁক পূজিবলৈ ভক্তিভিন্ন একো সম্পদৰ আৱশ্যক নাই। এয়াই হৈছে নামধৰ্ম্মৰ সাৰতত্ব। নিৰাকাৰ, নিৰ্গুণ, চৈতন্য স্বৰূপ পৰমব্ৰহ্মৰ ওচৰত নিজক সঁপি দিয়াটো নাম ধৰ্ম্মৰ প্ৰধান উদ্দেশ্য। ভকতে অন্য দেৱ দেৱীৰ কথা মনলৈ নানি এক মন, ধ্যান ধাৰণাৰে ঈশ্বৰৰ নাম উচ্চাৰণ কৰাটো আচল ভক্তি। এই প্ৰসঙ্গতে মহাপুৰুষ শঙ্কৰদেৱে ভাগৱতৰ ২য় স্বন্ধত (৬৪৫) এই দৰে লিখিছে।

অন্য দেৱী দেৱ নকৰিবা সেৱ
গৃহে নপসিবা তাৰ।
মূৰ্ত্তিকো নচাইবা প্ৰসাদো নখাইবা
ভক্তি হৈবে ব্যভিচাৰ॥

ইয়াৰ অৰ্থ হৈছে ভক্ত সদায় এক ধ্যান ধাৰণাৰে ঈশ্বৰৰ নাম কীৰ্ত্তন কৰিব লাগে। ভক্তই অন্য দেৱ-দেৱীক সেৱা কৰিব নালাগে। দেৱ-দেৱীৰ মূৰ্ত্তি প্ৰতিষ্ঠিত পূজা গৃহ আনকি পূজাৰ প্ৰসাদো গ্ৰহণ কৰিব নালাগে। কাৰণ সেইফালে মন ঘূৰালেই তেওঁৰ ভগবানৰ নামৰ প্ৰতি থকা ধ্যান আৰু আত্মসংযমত ব্যাঘাত ঘটিব আৰু ভক্তিত ব্যভিচাৰ সৃষ্টি হ'ব পাৰে। অৰ্থাৎ ভকতে একচিত্তে নিজকে অৰ্পণ কৰাটোৱে হ'ল হৰি ভক্তিৰ মূল। নৈতিকতাৰ ফালৰ পৰা নামধৰ্ম্ম, বৌদ্ধ ধৰ্ম্ম আৰু ইছলাম ধৰ্ম্মৰ মিল আছে। বৌদ্ধ ধৰ্ম্মৰ "বুদ্ধংশৰণং গচ্ছামি" আৰু "সংঘং শৰণং গচ্ছামি" নীতি আমাৰ মহাপুৰুষীয়া ধৰ্ম্মৰ শৰণৰ (ভকতে লোৱা) সম্পূৰ্ণ সমকক্ষ।

একেশ্বৰবাদী ইছলাম ধৰ্ম্মৰ মতে নাম ধৰ্ম্মৰ প্ৰধান মিলো আছে। কোনো কোনোৱে আকৌ ইছলাম ধৰ্ম্মৰ মূলমন্ত্ৰ "লা ইলাহি

ইল্লাল্লাহ্ মোহম্মদ ৰুছুলুল্লাহ্'' নাম ধৰ্ম্মৰ সাৰ কথা — 'একদেৱ একসেৱ একবিনে নাই কেৱ'ৰ মিল থকা বুলি কব খোজে। এই খিনিতে নামধৰ্ম্ম আৰু খৃষ্ট ধৰ্ম্মৰ মাজত থকা মিলক আমি উলাই কৰিব নোৱাৰো। নিউটেষ্টামেন্টৰ সন্ত ম্যেথুৰ সমাচাৰত আছে—'' ৬। ২২। শৰীৰৰ জ্যোতি হ'ল চকু; তোমাৰ চকু যদি এক দৃষ্টি সম্পন্ন (একেশ্বৰ লক্ষযুক্ত) হয়, তেন্তে তোমাৰ সমস্ত শৰীৰ পোহৰত উদ্ভাসিত হব''' ৬।২৪।কোনো মানুহে দুজন গৰাকীক তোষিব নোৱাৰে''। ''৬।৩৩। পাছে পোনতে ঈশ্বৰ আৰু তেওঁৰ সত্য ৰাজ্যৰ অন্বেষণ কৰা, তুমি বিচৰা সকলো খিনি হাতে হাতে পাবা'' ''৭।৭। খোজা দিব; বিচাৰা পাবা; টোকৰ মাৰ, মুকলি হব'' ''৭।১৩। ঠেক খন দুৱাৰে সোমাবা, কিয়নো বহল দুৱাৰ আৰু মুকলি বাটে সৰ্ব্বনাশৰ পিনে আদৰি নিয়ে; আৰু সেই পিনে যাওঁতাবোৰৰ লেখ জোখ নাই।'' ''৭।১৪ দুৱাৰ খনো চেপামৰা আৰু বাটটো ঠেক, সেয়ে প্ৰকৃত জীৱনৰ বাট, তাক বিচাৰি পাওঁতা লেখত তাকৰ'' এজনে যেনিবা সংসাৰ খন জিনিলে, নিজ আত্মাৰ ধ্বংস কৰি, তেওঁৰ লাভ কি? '২২।১।১৩ মোৰ ঘৰ (সংসাৰ) খন নামঘৰ হব লাগিছিল; পাছে তোমালোকে পাতিলা ডকাইতৰ গহ্বৰ।'' ''২৩।১৩ ঠিক কপটীয়াহঁত, স্বৰ্গৰ দুৱাৰ তহঁতেই খুন্দি খুন্দি মাৰিলি; নিজেও নোসোমালি আনকো সোমাবলৈ নিদিলি।'' ধৰ্ম্ম ব্যৱসায়ীৰ বিৰুদ্ধেই এনে কথা কোৱা হৈছে। সন্তমাৰ্কৰ সমাচাৰত কৈছে, ১২।২৯ প্ৰথম আদেশ শুনাহঁক, আমাৰ ভগবান একেজন ঈশ্বৰ। ''১২।৩০। আৰু তোমালোকেই সেই জনকে সমস্ত হৃদয়েৰে; সমস্ত আত্মাৰে; সমস্ত চিত্তৰে সমস্ত শক্তিৰে ভক্তি কৰিবা।'' ''১২।৩২ ঈশ্বৰ একেজন আৰু তেওঁৰ পিনে কেও নাই।'' সন্তজনৰ সমাচাৰত কৈছে, '১।১ আদিতে আছিল নাম (ওম্কাৰ); নাম আছিল ঈশ্বৰ।' ১/৪ তেওঁতে আছিল প্ৰাণ আৰু প্ৰাণেই আছিল মানুহৰ দীপ্তি।' '১।১৪ নামেই হ'ল মঙহ (শৰীৰ) আৰু নামৰ মাজত থাকিল সৌন্দৰ্য্যময় আৰু সত্যময়, বৌদ্ধ, খৃষ্ট, ইছলাম আৰু মহাপুৰুষীয়া ধৰ্ম্মৰ একেশ্বৰবাদ পৰিলক্ষিত হয়। গতিকে এই আটাইকেইটা ধৰ্ম্মৰ সাৰ কথা হ'ল অহিংসা॥ ●

**বিঃদ্ৰ—** *এই প্ৰবন্ধটো যুগুত কৰোঁতে ডিম্বেশ্বৰ নেওগৰ ''যুগনায়ক শঙ্কৰ দেৱ'' অতুল শৰ্মাৰ ''নামধৰ্ম্ম আৰু ইয়াৰ আধ্যাত্মিক তত্ত্ব''ৰ প্ৰবন্ধ আৰু ডঃ কালিচৰণ দাসে লিখা ''বেদান্ত দৰ্শন আৰু শঙ্কৰ দেৱৰ ধৰ্ম্মমত'' সম্পৰ্কে লিখনিৰ পৰা সহায় লোৱা হৈছে।*

[redacted]

● ওজালে অপনী যাঁদোকো হমাৰে সাথ ৰেহনে দো
নজানে কিস গলিমে জিন্দেগীকি শ্যাম হোযায়ে।
তোমাৰ স্মৃতিৰ জোতি মোৰ কাষত থাকিবলৈ দিয়া।
নাজানোতো, কোন পথত জীৱনলৈ এন্ধাৰ নামে ।

● মুহব্বত ৰাহ্দে যাতী হ্যায়
দিল্ যব দিল্সে মিলতা
মগৰ মুস্কিল তো যহী হ্যায় কি
দিল্ বড়ী মুস্কিলসে মিল্তা।

প্ৰেমে আনন্দ দি যায় তেতিয়া— যেতিয়া এখন অন্তৰ আন এখন অন্তৰৰ লগত মিলি যায়। কিন্তু অসুবিধা এই খিনিতেই যে বহুত কষ্টৰ মূৰতহে এখন প্ৰকৃত অন্তৰ পোৱা যায়।

সংগ্ৰাহিকা
টুটুমণি দাস
উঃমাঃ ২য় বৰ্ষ।

● কভি ব্যঠে ব্যঠে দিলকি হালত এয়সি হোতি হ্যায়
তড়পকৰ চায়ন মিলাতা হ্যায়, খুশি ৰোনেশে হ্যোতি হ্যায়।

কেতিয়াবা মনৰ অৱস্থা এনেকুৱা হয় যে কৃচ্ছতাতে শান্তি লাভ হয়। অবিৰাম অশ্ৰুপাততেই আনন্দিত হয় চিত্ত।

● খিজাকে গুলছন মেভি
কভি কভি ফুল খিল যাতে হ্যায়।
আন্ধেৰি ৰাতো মেভি
কভি কভি তাড়ে নিকল আঁতে হ্যায়
মোঝকো দেখকৰ না হাঁসো ইউ হাচিনা
কি হসঁতে হসঁতে আছুঁ ভিনিকল আঁতে হ্যায়॥

শুকাই যোৱা ফুলনি এখনতো কেতিয়াবা ফুল ফুলি উঠে। তমশাচ্ছন্ন ৰাতিটো কেতিয়াবা তৰা ওলায়। মোলৈ চাই এনেদৰে নাহাঁহিবা সুন্দৰী, কিয়নো হাঁহোতে হাঁহোতেই কেতিয়াবা চকুলো ওলাই আহে—।

[redacted]

সংগ্ৰাহিকা
ফুনু বৰ্মন
উঃ মাঃ ২য় বৰ্ষ





# বজ্ৰানাদকাৰী কবি অম্বিকাগিৰি ৰায়চৌধুৰী

**শ্ৰীমাইনু দেৱী**
স্নাতক দ্বিতীয় বাৰ্ষিক

অসমকেশৰী তথা বজ্ৰানাদকাৰী কবি হিচাপে অম্বিকাগিৰী ৰায়চৌধুৰী সৰ্বজনবিদিত। 'চেতনা' আলোচনী দিনৰ কবিসকলৰ ভিতৰত ৰায়চৌধুৰীদেৱৰ জনপ্ৰিয়তা আছিল সৰ্বাধিক। 'চেতনা' আলোচনী ৰায়চৌধুৰীদেৱৰ নিজা সৃষ্টি। ৰায়চৌধুৰীদেৱ ল'ৰালি কালৰপৰাই স্বদেশপ্ৰেমী আছিল। ১৯০৪-০৫ চনৰ কালছোৱাৰ ভিতৰতে তেওঁ স্বদেশী আন্দোলনত যোগ দিয়ে আৰু নানাধৰণৰ উন্নয়নমূলক কামত আত্মনিয়োগ কৰে। ৰায়চৌধুৰীদেৱৰ জীৱনৰ উদ্দেশ্যই আছিল অসমীয়া জাতি আৰু সাহিত্যক সু-প্ৰতিষ্ঠিত কৰা।

ৰায়চৌধুৰীদেৱৰ কবিতাসমূহ বিশ্লেষণ কৰিবলৈ গ'লে তেওঁৰ কবিতাত দুটা সুৰ স্পষ্টভাৱে পৰিলক্ষিত হয়। এটা হ'ল তেওঁৰ কবিতাত প্ৰকাশ পোৱা আধ্যাত্মিক বা ৰহস্যবাদৰ সুৰ আৰু আনটো হ'ল উদ্দীপ্ত জাতীয়বাদৰ প্ৰবল সুৰ। ৰায়চৌধুৰীদেৱৰ কবিতাসমূহ ওজঃগুণেৰে সমৃদ্ধ। পাহৰণি কবি কমলাকান্ত ভট্টাচাৰ্যৰ দৰে তেওঁ অকল অতীতক সুঁৱৰি জাতিক ভৎসনা কৰা নাই। তেওঁৰ কবিতাত এনে ভাব ফুটি উঠিছে যে তেওঁ যেন অসমীয়া জাতিটোক পৰাধীনতাৰ গ্ৰাসৰপৰা মুক্ত কৰি দেশৰ উন্নতিৰ হকে জগাই তুলিবলৈ দায়বদ্ধ। তেওঁৰ মতে এলেহুৱাৰ বাবে সংসাৰত কোনো ঠাই নাই; যি জীৱনত দেশসেৱাৰ বাবে তিলমানো অনুৰাগ নাই সেই জীৱন অৰ্থহীন। সেয়েহে তেওঁ কৈছে—

''যি জীৱনত দেশ সেৱনত
আত্মাহুতিৰ অনল শিখা নাই,
সেই জীৱনত নাই অবাৰত
প্ৰয়োজনৰ উচ্চ দাবি ভাই।

অকল কথাৰ মাজেৰে দেশৰ বিষয়ে ব্যক্ত কৰি দেশপ্ৰেমৰ ভাবটো প্ৰকাশ কৰাৰ তেওঁ পক্ষপাতী নহয়; দেশৰ বাবে অক্লান্তভাৱে পৰিশ্ৰম কৰি দেশখন উন্নতিৰ পথত আগুৱাই নিয়াতহে মনযোগ দিব লাগে বুলি তেওঁ কৈছে। স্বদেশ সেৱাৰ নামত আমাৰ দেশত যি ভণ্ডামী চলিব লাগিছে, যি অন্যায় অবিচাৰ, দুৰ্নীতি চলিব লাগিছে, তাক বৰ্তমানৰ ডেকাচামে ভাঙি চুৰমাৰ কৰিব লাগে বুলি কবিয়ে উদাত্ত কণ্ঠেৰে আহ্বান জনাইছে। অন্যায়-অবিচাৰ, ভণ্ডামী আদিৰ বিৰুদ্ধে যুঁজ কৰি নিজৰ মাতৃভূমিক পঙ্কিলতাৰ গ্ৰাসৰপৰা মুক্ত কৰিবলৈ তেওঁ ডেকাশক্তিক আহ্বান জানাইছে।

কবিয়ে কৈছে—

''জাগ ডেকা তেজ বজ্ৰ মুঠিত
ভাঙি পুনু গঢ়া হাতুৰি লৈ
স্বদেশ সেৱাত ভণ্ডামীবোৰ
ভাঙি উৰি য'ক চূৰ্ণ হৈ।''

(জাগ ডেকা তেজ জাগ)

দেশৰ দুৰাৱস্থা দেখি ৰায়চৌধুৰীদেৱৰ অন্তৰ হাহাঁকাৰ কৰি উঠিছে। কবিয়ে যেন দেশখনৰ তেনে অৱস্থা সহ্য কৰিব পৰা নাই আৰু সেয়ে তেওঁ মাতৃভূমিৰ দুৰাৱস্থাৰ কথা দেশবাসীক চিঞৰি কৈছে; কিন্তু কোনেও কবিৰ চিঞৰ বাখৰলৈ সহাঁৰি জনোৱা নাই। সহাঁৰি নোপোৱা স্বত্বেও কবিৰ আৰ্তনাদৰ, চিঞৰৰ বিৰাম নাই।

"হায়! হায়!হায়! দেশৰ নো মোৰ কিয় এনে হ'ল?
যাৰ বাবে মই কৰোঁ ধৰোঁ সিয়ে ধৰি মাৰে,
যাৰ বাবেই মই পৰি মৰোঁ সিয়ে গালি পাৰে!
কোনোৱেচোন নুশুনে মোৰ আটাহ আৰ্তনাদ,
তথাপিতো নাই কোনো মোৰ ক্লান্তি অৱসাদ।"

ৰায়চৌধুৰীদেৱৰ কবিতাবোৰ যে অকল জাতীয় ভাবধাৰাৰ ভাবেৰে পৰিপূৰ্ণ এনে নহয়, তেওঁৰ কিছুমান কবিতাত ৰহস্যবাদী সুৰৰ ধ্বনিও প্ৰকাশ পাইছে। বৈদিক ঋষিয়ে যিদৰে পৰমতত্ত্বত অৱগত হৈ তাৰে সৈতে একাত্মবোধ কৰি মহীয়ান কৰি তুলিছে, তেনেদৰে ৰায়চৌধুৰীদেৱো নিজক তত্ত্বব্যেক্তা ৰূপত প্ৰকাশ কৰি দৃঢ় অন্তঃকৰণৰ পৰিচয় দিছে। মানুহে যেতিয়া পৰমজনাৰ সন্ধান পায়, তেতিয়া হীনতা, নীচতা, কপটতা, দুৰ্বলতা আদি নাইকিয়া হয় আৰু তেওঁ অতুলনীয় মহিমাৰে উদ্ভাসিত হৈ শক্তিশালী হয়। ৰায়চৌধুৰীদেৱৰ কবিতাতো তেনেকুৱা সুৰ বিদ্যমান। তেওঁৰ 'তুমি' কাব্যৰ বাহিৰেও অন্যান্য কিছুমান কবিতাত ৰহস্যবাদী সুৰৰ আভাস পোৱা যায়। ৰায়চৌধুৰীদেৱৰ 'তুমি' কাব্য আধ্যাত্মিকতাৰ অম্লান জ্যোতি। আকৌ 'আমন্ত্ৰণ' নামৰ কবিতাটিত কবিয়ে কৈছে যে তেওঁ ইমান কোমল সুৰত বীণখন বজাব যে সেই বীণৰ সুললিত সুৰৰ ধ্বনিয়ে উপাস্যক ওচৰলৈ টানি আনিব আৰু কবিৰ লগত এক হৈ মিলি যাব। এই 'তুমি' আৰু 'মই'ৰ খেলা 'আমন্ত্ৰণ'— এই কবিতাটিত স্পষ্টভাৱে ফুটি উঠিছে। কবিয়ে 'তুমি' শব্দেৰে পৰমাত্মা আৰু 'মই' শব্দেৰে জীৱাত্মাক বুজাইছে আৰু কৈছে যে জীৱাত্মাৰ পৰমাত্মাৰ লগত যেতিয়া একাত্মভাৱৰ সঞ্চাৰ হয় অৰ্থাৎ দুটা বস্তু মিলি যেতিয়া এক হয় তেতিয়া দুয়োৰো মাজত কোনো পাৰ্থক্য নাথাকে, কোনো ভেদ নাথাকে। কবিৰ ভাষাত—

"সময়ত আৰু মই
দেখিলে তোমাক ক্ষীণ,
লৰালৰিকৈ গৈ
বজাম বেথাৰে বীণ;
তাতেই অপাৰ জীৱন মাধুৰী
খুলিবই, জ্বলিব অপাৰ আগুৰি।
মোত মিলি যাও বুলি
আহিবা সকলো ভুলি,
তোমাৰ নহ'লে মোৰপৰা লৰা,
লাগিলে আনিম মই।
মই ৰম তোমাত, তুমি মোত ৰবা
ৰম সনাসনি হৈ।"

'লীলানন্দ' নামৰ কবিতাটিত কবিয়ে তেওঁৰ যিজন বঞ্চিত সেই বঞ্চিতজনক ভাই বুলি সম্বোধন কৰিছে আৰু সেই বঞ্চিতৰ যি বিৰহ-বেদনা সি উক্ত কবিতাটিৰ মাজেৰে প্ৰকাশ পাইছে। সেই বিৰহকে তেওঁৰ লীলানন্দ বুলি কৈছে। কবিৰে যদিও বঞ্চিতজনৰ সান্নিধ্য লাভৰ সৌভাগ্য উদিত হোৱা নাই, বিৰহত ছটফটাই কাল কটাইছে তথাপিতো কবিয়ে তেওঁৰ বঞ্চিতজনক অনুবোধ জনাইছে যাতে সেইজন তেওঁৰ অন্তৰৰপৰা একেবাৰে নাইকিয়া হৈ নাযায়। 'পূৰ্ণানন্দ' কবিতাটিত কবিৰ অধ্যাত্ম জীৱনৰ গভীৰ অনুভূতি প্ৰকাশ পাইছে; আনহাতে 'মোৰ আনন্দ অভিযক'ত কবিয়ে জগতৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ যিবোৰ অনু-পৰমাণু সেইবোৰত সৃষ্টিৰ মূলত্ত্বৰ বিকাশ দেখিবলৈ পোৱা যায় বুলি অভিহিত কৰিছে।

দেশাত্মবোধ তথা ৰহস্যবাদ— এই দুই ভাব ধাৰাৰ মাজেৰে কবিগৰাকীৰ অন্তৰৰ গভীৰ ভাব আৰু অনুভূতিৰ প্ৰকাশ পাইছে 'অনুভূতি নামৰ কবিতাপুথিখনৰ মাজেৰে। কবিৰ নিজস্ব কথাৰপৰাই বুজিব পাৰি যে তেওঁৰ অন্তৰৰ যি অনুভূতি সেই অনুভূতিৰ প্ৰকাশৰ বাবেই কবিতাপুথিখনৰ নামকৰণ কৰা হৈছে "অনুভূতি" বুলি কবিয়ে কৈছে— "নানা সময়ত, নানা উপলক্ষে মোৰ মন সমুদ্ৰত ঢেও ধৰি উঠা ভাবোৰ্মিমালাৰ ছান্দিক কল্লোলবিলাক ভাষিকভঙ্গীত ৰূপ লৈ ওলাবলৈকে আকুলতাৰ উৎস ফালি ওলাই আহিছিল, তাৰেই কেইটামান বুটলি লৈ ইয়াত প্ৰকাশ কৰা হ'ল। এইখনৰো নামকৰণ কৰিলে মোৰ জেষ্ঠা দুহিতা শ্ৰীমতী শুচিব্ৰতাই "অনুভূতি" বুলি। তেওঁৰ মতে এইবোৰত হেনো মোৰ অনুভূতিৰ উমানেই সৰহ।' "অনুভূতি'ৰ কবিতাবোৰৰ ছন্দ জটিল আৰু "সচৰাচৰ ছান্দিক জগতত খাপ নোখোৱা বিধৰ।" 'অনুভূতি'ৰ কবিতাবোৰৰ মাজেৰে তিনিটা ধাৰাই নৈৰ সোঁতৰ দৰেই প্ৰবাহিত হোৱা দেখা যায়— দেশানুৰাগ, ৰহস্যবাদ আৰু কৰ্মোদ্দীপনা।



ৰায়চৌধুৰীদেৱৰ অন্তৰৰ যি দেশাত্মবোধ সি অতি তেজোদ্দীপ্ত, তাত অতীতক সুঁৱৰি চকুলো টুকি থকাৰ অৱসৰ নাই; তাত আছে অকৰ্মণ্যতা, হীনতা-নীচতাৰ বিৰুদ্ধে বজ্ৰনিৰ্ঘোষনাদ।

বজ্ৰনাদকাৰী কবি হিচাপে খ্যাত অগ্নিকাগিৰি ৰায়চৌধুৰীৰ ভাষাৰ প্ৰধান গুণ হ'ল তেজস্বীতা। তেওঁৰ ৰচনাত সংস্কৃত তৎসম আৰু তৎভৱৰ শব্দৰ প্ৰয়োগ দেখা যায়। তেওঁৰ ৰচনাত আন এটা বৈশিষ্ট্য দেখিবলৈ পোৱা যায়, সেইটো হৈছে সন্ধিৰ প্ৰয়োগ। সাধাৰণতে যদিও সন্ধিৰ প্ৰয়োগ দেখা নাযায় অথবা সন্ধিৰ নিয়ম মানি চলা নহয়, তথাপি কিন্তু চৌধুৰীদেৱৰ কবিতাত সঘনাই সন্ধিৰ প্ৰয়োগ দেখা যায়। উদাহৰণস্বৰূপে—

"ক্ষিতাপতেজ-মৰৎ ব্যোম" ইয়াত ক্ষিতি + অপৰ সন্ধি মন কৰিলগীয়া।

ৰায়চৌধুৰীদেৱৰ গহীন অনুভূতিৰ লগত তেওঁৰ বজ্ৰ-কঠিন ভাষাও সুন্দৰকৈ খাপ খাই পৰিছে। ৰায়চৌধুৰীদেৱে তেওঁৰ ৰচনাত সুন্দৰ সাৱলীল শব্দ প্ৰয়োগ কৰি সুকোমল ভাবৰাশি অবাধিত গতিত প্ৰকাশ কৰিছে। তেওঁৰ ৰচনাৰ গতি একেটা সোঁতত বৈ যোৱা বিধৰ নহয়। ইয়াৰ যদি কাৰণ বিচাৰি চোৱা যায় তেন্তে দেখা যাব যে যেতিয়া তেওঁৰ মন বিদ্ৰোহত বিভোৰ হয় তেতিয়া তেওঁৰ লিখনিত অন্তৰত জাগ্ৰত হোৱা বিদ্ৰোহী ভাষা প্ৰবল গতিত প্ৰকাশিত হৈছিল আৰু যেতিয়া তেওঁৰ মন শান্ত সমাহিত হৈ থাকে, সেই পৰিবেশত তেওঁৰ লিখনীত প্ৰকাশ পাইছিল শান্তসমাহিত লয়লাসপূৰ্ণ ভাষা। একেটা ঠাঁচৰ শব্দপ্ৰয়োগৰ মাজেৰে ভাবৰ উত্থান পতন নোহোৱা এটা সুন্দৰ পৰিবেশৰ বৰ্ণনা পোৱা যায় তেওঁৰ "মানবায়তন" নামৰ কবিতাটিত মানবীয় প্ৰেমৰ মাজেৰে স্বৰ্গীয় প্ৰেম লাভ কৰিব পৰা যি মত তাৰ সাৰ্থক ৰূপায়ণ ঘটিছে 'তুমি' কাব্যত। ●

## স্বায়েৰী

● শ্যাম হোতে হি ইয়ে দিল উদাস হোতা হ্যায়
টুটে খোৱাবো কে সিৱা, কুছ ন পাস হোতা হ্যায়
তুমহাৰী যাদ মে এয়সে ৰক্ত আতা হ্যায়
জৱ কোই ভী নহী আস পাস হোতা হ্যায়॥

সন্ধ্যা হোৱাৰ লগে লগে মোৰ মনটো [illegible] পৰে। বিফল কল্পনাৰ বাদে মোৰ ওচৰত আন কোনোৱেই নাথাকে। যেতিয়া কোনো মোৰ ওচৰত নাথাকে, সেই সময়তে তোমালৈ মোৰ বৰ মনত পৰে।

● আপতো গেইৰো কী ৰাতে কৰতে হ্যায়
হামনে তো আপনে আজমায়ে হ্যায়,
লোগ কাটোঁ সে বচ্কৰ চলতে হ্যায়,
হামনে তো ফুলোঁ সে জখম্ খায়ে হ্যায়॥

তুমি লোকৰ কথা কোৱা, মইতো তোমাকেই আপোন কৰি লৈছো, মানুহে কাইটৰ পৰা আতৰত থাকে মই ফুলেৰেই আহত হৈছো॥

● পতংগ উৰ গয়া আসমানমে
ধাগা ৰহ গয়া মেৰা পাস্
জিগৰ জাঁহা ভী হো
দিল হ্যায় তেৰা পাস্॥

চিলাখন উৰি গৈ আকাশ পালেগৈ, সুতাডাল মোৰ ওচৰতেই আছে। তেনেকৈয়ে শৰীৰটো মোৰ যতেই নাথাকক হৃদয়খন কিন্তু তোমাৰ ওচৰতেই আছে।

● জিত পৰ্ ইনকিলাব আনে দে
কমসিনী পৰ সাবাৱ আনে দে
এখুদা তেৰী খুদাই পল্ট দুঙ্গা
জড়া লৱ তক্ সাবাব আনেদে
মৰনে আৰ জিনেকা ফয়ছলা হোগা
জড়া উন্কা জাৱাব আনে দে॥

আকণ্ঠ সুৰাপানেৰে মোৰ অন্তৰত সাহসৰ উদ্ৰেক হ'বলৈ দিয়া। ভাগ্য বিধতা তোমাৰ লিখন মই সলনি কৰি দিম মাত্ৰ মোৰ ডিঙিলৈকে সুৰা আহিবলৈ দিয়া। মোৰ মৃত্যু আৰু জীয়াই থকাৰ সিদ্ধান্ত হ'ব মাত্ৰ প্ৰেয়সীৰ উত্তৰ পাবলৈ দিয়া॥

● জৱ নিৰ্দ্দ আতে, তো খোৱাব আতে,
জৱ খোৱাব আতে তো তুম আতী,
তুমহাৰী যাদ মে,
ননিন্দ আতে, ন খোৱাব আতে,॥

টোপনি অহা হলে সপোন দেখিলোহেঁতেন, সপোনত তোমাকেই দেখিলোহেঁতেন, কিন্তু তোমাৰ কথা ভাবোতেই টোপনিও নপাহিলো, সপোনো নেদেখিলো।

সংগ্ৰাহক
কুমাৰ ইন্দ্ৰজিৎ দেৱ
উঃ মাঃ ১ম বৰ্ষ

# গোৱালপৰীয়া ফকৰা যোজনা

শ্ৰীগণেশ চন্দ্ৰ ৰায়
স্নাতক দ্বিতীয় বৰ্ষ

গোৱালপাৰা জিলা বুলিলে বৰ্তমান গোৱালপাৰা, ধুবুৰী আৰু কোকৰাঝাৰ জিলা সমন্বিতে যি বৃহৎ ঠাইখণ্ডক বুজোঁ, প্ৰাক্— স্বাধীনতাৰ কালত গোৱালপাৰা জিলাৰ পৰিসৰ তাতকৈও সু-বৃহৎ আছিল। বৰ্তমানৰ ৰংপুৰ, কোচবিহাৰ জলপাইগুৰিকে আদি ধৰি বাংলাদেশ আৰু পশ্চিম বঙ্গৰ ভালেমান অঞ্চল সেই সময়ত গোৱালাপাৰা জিলাৰ অন্তৰ্ভুক্ত আছিল। প্ৰাচীন কালত এই সু-বৃহৎ অঞ্চলৰ নাম আছিল 'ৰত্নপীঠ'।

বৃহৎ গোৱালাপাৰা জিলাত বসবাস কৰা কোঁচ, ৰাজবংশী, নাথ, ৰাভা, কলিতা, কছাৰী আৰু চাওঁতাল সম্প্ৰদায়ৰ লোকসকলে গোৱালপৰীয়া ভাষা, কৃষ্টি আৰু সংস্কৃতিৰ সুঁতিটোত বিভিন্ন প্ৰকাৰে অৰিহণা যোগাই আহিছে। গোৱালাপাৰা জিলাৰ সমগ্ৰ অঞ্চলতে এক বিশেষ ৰকমৰ ভাষা প্ৰচলিত হৈ আছে। এই ভাষা নহয় অকল বাংলা, নহয় অকল অসমীয়া। ভাষাতত্ত্ববিদ্ গ্ৰীয়াৰ্চন চাহাবে এই ভাষাক "ৰাজবংশী ভাষা" বুলি অভিহিত কৰিছে। কিয়নো গোৱালাপাৰাৰ প্ৰাচীন অধিবাসীৰ সাংখ্যাধিক ৰাজবংশী আছিল আৰু এতিয়াও আছে।

গোৱালাপৰীয়া ভাষাত কথা পাতোতে কেতবোৰ ফকৰা ব্যৱহাৰ কৰে, যিবোৰ ফকৰা অতি সহজ-সৰল শব্দৰে গঠিত অথচ গভীৰ ভাৱ প্ৰকাশক। সমাজৰ বুঢ়া-বুঢ়ীৰ মুখত সাধাৰণতে এনে ফকৰা বেছিকৈ শুনিবলৈ পোৱা যায়। ফকৰা যোজনা বিলাক অতি প্ৰাচীন কালৰে পৰা মানুহৰ মুখে মুখে চলি আহিছে। ফকৰাবোৰ সৰু সৰু বাক্যৰে গঠিত যদিও ইয়াৰ অৰ্থবোৰ তেনে সৰু বা ঠেক নহয়। তাৰে কেইটামান ফকৰা যোজনা আৰু লগতে অসমীয়াত তাৰ অৰ্থ প্ৰকাশ কৰা হ'ল।

১। "খাবাৰ পাই আৰ নাপাই সৎপথত থাকি
হাড় হাড্ডি ফুটুক না ক্যানে সৎকথা ধৰি।"

গোৱালপৰীয়া ভাষাৰ এই ফকৰাটো সমগ্ৰ মানৱ জাতিৰ কাৰণে গ্ৰহণ যোগ্য। ইয়াৰ অৰ্থ হ'ল— "খাবাৰ পাই আৰ নাপায়" অৰ্থাৎ আমি খাব পাওঁ বা নাপাও, তথাপিও সদায় সৎ পথত থাকিব লাগে। সৎ কামেৰে জীৱিকা অৰ্জ্জন কৰিব লাগে আৰু সৎ পথত থাকি উপাৰ্জ্জন কৰোতে "হাড় হাড্ডি ফুটুকা না ক্যানে" অৰ্থাৎ মৃত্যুও নহওক কিয়, তথাপিও আমি সৎ উপায় অৱলম্বন কৰিব লাগে। সৎ পথ এৰি অসৎ পথ অৱলম্বন কৰিব নালাগে।

২। "পেটে পাই ভূসি
মনে নাই খুসি।"

উক্ত ফকৰাটোৰে এইটো বুজোৱা হৈছে যে ভোক লগা স্বাভাৱিক। ভোকে ব্যক্তিৰ মনৰ ৰং সলনি কৰে। "পেটে নাই ভূসি"ৰ অৰ্থ হ'ল যদি পেটত 'ভূসি' অৰ্থাৎ খোৱা বস্তু নাথাকে তেতিয়া ভোকৰ হেঁচাৰ ফলত মানুহৰ মনৰ 'খুসি' অৰ্থাৎ আনন্দ হেৰাই যায়। এক কথাত ক'ব পাৰি যে ভোকে ব্যক্তিৰ মনৰ আনন্দ নোহোৱা কৰে।





৩। "টকাৰ নাম বৈনা
টকা থাকিলে আনা যায়
অন্দৰ বাৰিৰ কইনা।"

উক্ত ফকৰাটোৰে বুজোৱা হৈছে যে টকাৰে কৰিব নোৱাৰা কাম আজিৰ যুগত একো নাই। সেই কাৰণে টকাকে "বৈনা" অৰ্থাৎ টকাই সকলো বুজোৱা হৈছে। টকা থাকিলে "অনা যায়" অৰ্থাৎ আনিব পাৰি "অন্দৰ বাৰিৰ" অৰ্থাৎ ভিতৰৰ আৰু "কইনা" শব্দৰ অৰ্থ হ'ল নতুন বোৱাৰী। কিন্তু ইয়াত 'কইনা' শব্দটোৰে কিছুমান গুৰুত্বপূৰ্ণ কামৰ কথা বুজোৱা হৈছে। অৰ্থাৎ 'অন্দৰ বাৰিৰ কইনা'ৰ অৰ্থ হ'ল এনে কিছুমান গুৰুত্বপূৰ্ণ বা ডাঙৰ কাম যিবোৰ কাম টকা থাকিলেহে কৰিব পাৰি। মনোবল বা জনবল থাকিলেও একো কৰিব নোৱাৰি। মাথোন অৰ্থ বলৰ সহায়তহে কৰিব পাৰি।

৪। "কপালত নাই যি
ঠোক ঠোকাইলে হইবে কি।"

ভাগ্যৰ লিখন অখণ্ডনীয়। "কপাল'ৰ অৰ্থ হ'ল ভাগ্য। ভাগ্যত যদি 'যি' নাথাকে অৰ্থাৎ যি শব্দটোৰে পাৰ্থিৱ ধন সম্পত্তি, মাটি-বাৰি, সুখ আদিৰ কথা বুজোৱা হৈছে। যদি ভাগ্যত পাৰ্থিৱ সুখ লিখা নাথাকে তেনেহ'লে আমি হাজাৰ চেষ্টা কৰিলেও একো সুফল নাপাও। "ঠোক ঠোকা" শব্দটোৰ অৰ্থ হ'ল পুনঃ পুনঃ চেষ্টা কৰা আৰু "হইবে কি" শব্দটোৰ অৰ্থ হ'ল কি লাভ হ'ব। এতেকে যদি আমাৰ ভাগ্যত পাৰ্থিৱ সুখ নাথাকে তেনেহ'লে যিমান পুনঃ পুনঃ চেষ্টা নকৰো কিয় ভাগ্যৰ লিখন খণ্ডন কৰিব নোৱাৰি।

৫। "পিতা মাতা আশীৰ্বাদ
খাওক বাচা দুধ ভাত।"

ওপৰোক্ত ফকৰাটো এটা চিৰসত্য ফকৰা যোজনা। উক্ত ফকৰাটোৰে বুজোৱা হৈছে যে "পিতা মাতা" অৰ্থাৎ মাক দেউতাকে সন্তানক যি আশীৰ্বাদ প্ৰদান কৰে পাৰ্থিৱ কোনো সম্পদেই ডাঙৰ হ'ব নোৱাৰে। "খাওক" শব্দৰ অৰ্থ হ'ল খাই লৈ চলিব পৰা আৰু "বাচা" শব্দটোৰ অৰ্থ হ'ল সন্তান সন্ততি। এতেকে যদি পিতা মাতাই সন্তান সন্ততিক নিৰ্মল মানোভাৱেৰে আশীৰ্বাদ দিয়ে তেনেহ'লে তেনে আশীৰ্বাদৰ বলত ওৰে জীৱন "দুধ ভাত" খাই অৰ্থাৎ সুকলমে কটাব পাৰে। ●

## স্মৰণীয় কথা

সত্যৰ কাৰণে সকলো ত্যাগ কৰিব পাৰি কিন্তু কোনো কাৰণতে সত্যক ত্যাগ কৰিব নোৱাৰি।
— স্বামী বিবেকানন্দ

নিজক সদায় আনন্দত ৰাখিবা। আনন্দময়, উৎসাহী আৰু শক্তিমানৰ কাৰণেহে এই জগতখন, দুৰ্বলীৰ বাবে নহয়।
— এমাৰ্ছন

ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে। ভদ্ৰলোক বা ভদ্ৰ মহিলা হ'বলৈ নহয়।
— পদ্মনাথ গোহাঁঞিবৰুৱা

হেৰৌ অসমীয়া, পাহৰি নাযাবি তইঁত এটা জাতি।
— বেণুধৰ শৰ্মা

আঠুঁকাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় হৈ থকা চহা খেতিয়ক এজন বেছি ডাঙৰ।
— বেঞ্জামিন ফ্ৰেংকলিন

শিক্ষাৰ লক্ষ্য হৈছে ব্যক্তিৰ দেহ আৰু আত্মাৰ সৌন্দৰ্য্য আৰু পূৰ্ণতা দান কৰা।
— প্লেটো

যিজনে সুবিধা পালেই পৰনিন্দা, পৰচৰ্চাত মতলীয়া হয়, সেইজন লোক বাস্তৱিকতে ফেটি সাপতকৈও কোনোগুণে কম বিষাক্ত নহয়।
— উপনিষদ

# মহাপ্ৰভূ শ্ৰীশ্ৰীগৰখীয়া গোঁসাইৰ থানৰ চমু ইতিহাস

শ্ৰীঅনিমা দাস
স্নাতক ২য় বৰ্ষ (কলা)

অসমৰ নানা ঠাইত তীৰ্থস্থান পোৱা যায়। ইয়াৰ ভিতৰত বৰপেটা জিলাৰ সৰভোগৰ অন্তৰ্গত বৰনগৰ অঞ্চলত থকা মহাপ্ৰভু শ্ৰীশ্ৰীগৰখীয়া গোঁসাইৰ থানৰ কথা উল্লেখ কৰিব পাৰি। এই থানখনৰ বিষয়ে জনাৰ আগতে আহক আমি বৰনগৰ নামে ঠাইৰ বিষয়ে কিছুকথা জানি লওঁ।

আনুমানিক পাঁচশ বছৰ বা তাৰ আগেয়ে এই বৰনগৰ অঞ্চলত জনবসতি কম আছিল। কিন্তু কোঁচৰজা মহাৰজা নৰনাৰায়ণৰ ৰাজত্বকালত জনবসতিৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। প্ৰবাদ আছে যে, মহাপুৰুষ নৰনাৰায়ণে তেওঁৰ শনিৰ দশা চলি থকা অৱস্থাত বাৰ বছৰ কাল এই বৰনগৰত কটাইছিল। তেতিয়াৰ পৰাই আৰম্ভ হৈছিল বৰনগৰৰ ইতিহাস। মহাৰাজ নাৰায়ণৰ লগত অহা বীৰ যোদ্ধা সকলো ইয়াত বসবাস কৰিছিল বাবে এই অঞ্চলক বীৰ নগৰৰ ঠাইত বৰনগৰ হ'ল আৰু এই বৰনগৰে এক ব্যাপক অঞ্চল সামৰি ল'লে।

শ্ৰীমদ্ভাগৱত গীতাৰ জ্ঞান যোগত কোৱা হৈছে যে ভগৱান শ্ৰীকৃষ্ণ জন্মৰহিত, অবিনশ্বৰ আৰু প্ৰাণীসকলৰ ঈশ্বৰ হলে প্ৰকৃতিৰ ৰূপেৰেই স্বেচ্ছাই আৱিৰ্ভাৱ হয়। মহাপ্ৰভু শ্ৰীশ্ৰীগৰখীয়া গোঁসাইৰ আৱিৰ্ভাৱ সম্পৰ্কেও ঠিক তেনেদৰেই কোৱা হয়। ভাগৱতত পোৱা যায় যে, ভগৱান শ্ৰীকৃষ্ণ এসময়ত গৰখীয়া সকলৰ শিৰোমণি হৈ বৃন্দাৱনত গৰু চৰাই ফুৰিছিল। সেই গৰখীয়াৰূপী কৃষ্ণই নিজ ইচ্ছাৰে এই থানত নিজকে আত্মপ্ৰকাশ কৰিছে। আকৌ যেনেকৈ ধৰ্ম ৰক্ষাৰ বাবে সাধুসকলক ৰক্ষা কৰি অসাধুসকলক বিনাস কৰাৰ বাবে ভগৱানৰ আৱিৰ্ভাৱ হয় ঠিক তেনেদৰে মহাপ্ৰভু শ্ৰীশ্ৰীগৰখীয়া গোঁসাইৰ আৱিৰ্ভাৱ আৰু কৃপা দৃষ্টিৰে আজিও ধৰ্মৰক্ষাৰ বাবে প্ৰকৃত ভক্তক ৰক্ষা কৰি, অসাধুসকলক বিনাশ কৰি, সুখ্যাতি অক্ষুণ্ন ৰাখি গুণী, জ্ঞানী, সাধু, সন্ত-মহন্তক আকৰ্ষণ কৰি আহিছে। কিংবদন্তিৰ মতে মহাৰাজ নৰনাৰায়ণেবাৰ বছৰকাল বৰনগত কটোৱাৰ পিছত এই ঠাই এৰি গুছি যোৱাত ভতিজাক ৰঘুদেৱৰায়ে বৰনগৰ শাসন কৰে। সেই সময়ত প্ৰায়ভাগ মানুহেই গৰু-মহ পুহিছিল। গৰখীয়াবোৰে পথাৰত গৰু মেলি বাঁহী বজাই নাচি-বাগি দিন অতিবাহিত কৰিছিল। এইদৰে গৰু চৰাই থাকোতে গৰখীয়াবোৰে মন কৰিলে যে বৰকোঁচ পৰিয়ালৰ এঘৰ মানুহৰ এজনী কপিলী গাই দুপৰীয়া সদায় একে সময়তে জাকৰ পৰা নোহোৱা হয় আৰু পিছত আকৌ জাকলৈ উভতি আহে। এই ঘটনা কেইবাদিনো মন কৰাৰ পিছত গৰখীয়াবোৰে অনুসন্ধান কৰি জানিলে যে, গাইজনীয়ে জাকৰ পৰা ওলাই গৈ প্ৰত্যেক দিনেই এডোখৰ নিৰ্দিষ্ট ঠাইত নিজ ইচ্ছাৰে ওহাৰৰ পৰা গাখীৰ এৰি দিয়ে। এই দৃশ্য দেখাৰ পিছত গৰখীয়াবোৰ মনত কৌতুহল ওপজে আৰু সেই ঠাই মাটি খান্দি চাবলৈ সিদ্ধান্ত কৰে। অৱশেষত মাটি খন্দাৰ পিছত মহাপ্ৰভু শ্ৰীশ্ৰীগৰখীয়া গোঁসাইৰ বিগ্ৰহ এটি পোৱাত গৰখীয়াবোৰৰ মনত আনন্দই নধৰা হয়। তেওঁলোকে তেওঁলোকৰ কিশোৰ কল্পনাৰে প্ৰভুক সজাই পৰাই সেই ঠাইতেই থাপনা পাতি মহা আনন্দেৰে প্ৰভুৰ চৰণত সেৱা কৰিবলৈ ধৰিলে। কাৰোবাৰ গৰু হেৰালে প্ৰধান গৰখীয়াজনে প্ৰভুৰ চৰণত সেৱা জনাই ঠিকনা চাই দিশ ধৰি দিয়ে আৰু সেইমতে গৰু বিচাৰি পায়। লাহে লাহে এই সংবাদে আন মানুহকো আকৰ্ষণ কৰিবলৈ ধৰিলে। প্ৰত্যেক দিনেই নাম কীৰ্তন আৰু প্ৰসাদৰ ব্যৱস্থা কৰা হ'ল। পূৰ্বতকৈ বৰ্তমান এই থানখন যথেষ্টখিনি উন্নত হৈছে। থানখনৰ চাৰিওফালে আহল-বহল





হোৱাৰ লগতে চৌহদটো গছ-গছনিৰে সৈতে দেখিবলৈ অতি আকৰ্ষণীয়। মূল মন্দিৰৰ গাতে লাগি থকা পূৱফালে এটা ডাঙৰ পুখুৰী আছে। গোটেই থানখনৰ চাৰিফালে ব্যক্তিগতভাৱে দান কৰা দাঁতাসকলৰ নাম ঠিকনাবোৰ দেৱালৰ লিখনি পঢ়ি আমনি নলগা এটা পৰিৱেশত মূৰ দোঁ খায়।

থানৰ প্ৰকৃত বয়স সম্পৰ্কে সঠিককৈ একো ক'ব নোৱাৰি যদিও নামঘৰটোৰ গাতে লাগি থকা বুঢ়া বকুল জোপালৈ লক্ষ্য কৰি চাৰিশ বছৰতকৈও অধিক হোৱা বুলি ক'ব পাৰি। কিন্তু অতি দুখৰ বিষয় যে, এই চাৰিশ বছৰীয়া গছজোপা কেইমানহমান পূৰ্বে হোৱা ধুমুহাত বাগৰি পৰি থানখনৰ কিছু ক্ষতি সাধন কৰে।

মহাপ্ৰভু শ্ৰীশ্ৰীগৰখীয়া গোঁসাইৰ এই থানখন তাহানিৰ কোঁচৰজা মহাৰাজ নৰনাৰায়ণৰ দিনৰে বুলি স্থানীয় ৰাইজে ঠাৱৰ কৰিছে। মানৰ শেষ আক্ৰমণে বৰনগৰত এক আতঙ্কৰ সৃষ্টি কৰিছিল। বিশেষকৈ হাউলীত চন্দী ৰুৰাৰ পতনৰ পিছত এই অঞ্চলৰ মানুহবোৰ হাবিয়ে বননিয়ে পলাবলৈ ধৰাত এই থানখনৰ পূজাৰীও পলাবলগীয়া হৈছিল। তেনে পৰিস্থিতিত প্ৰভূ অবিহনে থানখন দুস্কৃতিকাৰীৰ অত্যাচাৰত ধ্বংস হৈ যায় বুলি প্ৰভূৰ প্ৰতিকৃতি এটি তৈয়াৰ কৰি নকল প্ৰভুক বেদীতেই এৰি থৈ যায়। মান উভতি যোৱাৰ পিছত পূজাৰীৰ লগতে প্ৰভূ আকৌ থানলৈ উভতি আহে।

এই পৱিত্ৰ ধামত প্ৰতিদিনে দূৰ দূৰণিৰ পৰা হাজাৰ হাজাৰ লোক দৰ্শন কৰিবলৈ আহে। প্ৰত্যেক একাদশী আউসী আৰু দোমাহীত ভাগৱত পাঠ নাম কীৰ্তন আদি হোৱাৰ উপৰিও বছৰত ছয়টা উৎসৱ থানৰ মূল পৰ্ব হিচাপে পালন কৰা হয়। এই পৰ্বসমূহৰ প্ৰথমটো হৈছে বহাগ বিহু। উৎসৱ বিভিন্ন কাৰ্যসূচীৰে সাতদিন ধৰি ইয়াত পালন কৰা হয়।

শ্ৰীকৃষ্ণৰ ৰাস উৎসৱ থানৰ আন এটা মূল পৰ্ব। এই পৰ্ব পুহ মাহৰ শেষ তাৰিখৰ পৰা মাঘ মাহৰ তিনি তাৰিখলৈ চলে। এই মাঘ মাহতেই ধৰ্ম সভা পতা হয়। শ্ৰীকৃষ্ণৰ ৰাস উৎসৱ এই থানত অতি ধুমধামেৰে পালন কৰা হয়। ৰাস চাবলৈ দূৰ দূৰণিৰ পৰা অনেক লোকৰ সমাগম ঘটে।

বছৰৰ শেষৰ পৰ্ব হৈছে দৌল উৎসৱ ভাৰতৰ সকলো ঠাইতেই পালন কৰা হয়। অসমৰো বিভিন্ন ঠাইত এই উৎসৱৰ আয়োজন কৰা হয়। মহাপ্ৰভূ শ্ৰীশ্ৰীগৰখীয়া গোঁসাই থানতো ইয়াৰ ব্যতিক্ৰম নহয়। দৌল পূৰ্ণিমাৰ দিনা মহাপ্ৰভূ গৰখীয়া গোঁসাইক দৌলত তোলা হয় আৰু দিনে ৰাতিয়ে কৃষ্ণলীলা, যাত্ৰাগান আদিৰে উৎসৱ পতা হয়। এই উৎসৱৰ সময়ত প্ৰভূ দৌলত উঠিলে বিয়া, হোম, যজ্ঞ আদি প্ৰভুৰ এলেকাত বন্ধ থাকে।

এই পবিত্ৰ ধামতে কিছুমান কাঠৰ মুখা আজিও হৈ আছে। পুৰণি কালত ইয়াত মুখা পিন্ধি কৰা ভাওনা, নাট আদি প্ৰচলিত আছিল। সাতবিহুৰ দিনা আবেলি নাম প্ৰসঙ্গৰে এই উৎসৱ সামৰা হয়।

ইয়াৰ পিছৰ উৎসৱতো জাগৰণ উৎসৱ। সাধাৰণতে প্ৰত্যেক নিশাই প্ৰভূক পূজাৰীয়ে শুৱাই থয় আৰু ব্ৰহ্ম পুৱাতেই প্ৰভাত প্ৰাৰ্থনাৰে জগাই দিয়ে। কিন্তু জাগৰণৰ সময়ত প্ৰভূ দিনে নিশাই সাৰে থাকে। সাত দিন ধৰি চলা এটা আনন্দমুখৰ পৰিৱেশত এই জাগৰণ উৎসৱ সামৰণি পৰে।

এই উৎসৱ সম্পৰ্কে প্ৰবাদ আছে যে, এসময়ত গোটেই বৰনগৰ অঞ্চলত কলেৰা মহামাৰীয়ে দেখা দিয়াত ৰাইজ আতঙ্কগ্ৰস্ত হৈ প্ৰভুৰ শৰণাপন্ন হয়। তেতিয়াহেনো প্ৰভূই তেওঁৰ প্ৰকৃত ভক্তসকলক ৰক্ষা কৰাৰ বাবে মাজৰাতি ঘোঁৰাত উঠি গাৱঁৰ পদূলিয়ে পদূলিয়ে ঘূৰি ফুৰিছিল। ইয়াৰে পিছতেই মহামাৰীৰ প্ৰভাৱ কমি যায়। প্ৰভূক বগা ঘোঁৰাত উঠি ফুৰা সেই লৈ গাওঁ পৰিভ্ৰমণ কৰাৰ নিয়ম প্ৰচলিত কৰে। পৰিভ্ৰমণৰ সময়ত কিছুমান ঠাইত প্ৰভূই মাছ-মাংসৰ গোন্ধ পোৱা বুলি পূজাৰীক সপোন দেখুওৱা বাবে বৰ্তমানেও এই জাগৰণ উৎসৱ চলি থকা সময়ত ৰাইজে মাছ-মাংস নাখায়। নাট্য সাহিত্য মঞ্চ সাজি সংস্কৃতিৰ ক্ৰমোন্নতিৰ লগে লগে আগৰ নাট ভাওনাৰ কিছু সালসলনি হ'ল আৰু থানৰ মন্দিৰ প্ৰাঙ্গনত প্ৰতিবছৰে মঞ্চ সাজি তাত ন-পুৰণি শিল্পীৰ সহযোগত ভিন ভিন পৌৰাণিক ধৰ্মমূলক নাট আদি পৰিবেশন কৰোৱা হয়। নটগুৰু ব্ৰজনাথ শৰ্মাই ইয়াৰ পৰাই নাটৰ প্ৰেৰণা লাভ কৰিছিল বুলি জনা যায়।

মহাপ্ৰভূ শ্ৰীগৰখীয়া গোঁসাইৰ যি সকল প্ৰকৃত ভক্ত তেওঁলোকে জানে প্ৰভুৰ মহিমা অপাৰ। প্ৰভূই ভক্তসকলৰ সদায় সৎ মনৰ বাঞ্ছা পূৰ্ণ কৰে। বছৰৰ বিভিন্ন পৰ্বৰ সময়ত যিসকল ভক্তৰ সমাগম হয়, যিসকলে শুদ্ধ মন লৈ সৎ চিন্তা লৈ ইয়ালৈ আহে তেওঁলোকে বুজি পায় মহাপ্ৰভুৰ কৃপাদৃষ্টি কেনেকৈ তেওঁলোকৰ জীৱনত বেখাপাত কৰে। ইয়াৰে প্ৰতিটো পূজা পাৰ্বন উৎসৱত ৰাইজৰ উল্লাস উদ্দীপনা ৰাককৈ উপলব্ধি কৰা হয়।

এনেহেন পৱিত্ৰ থানৰ মহিমা বৰ্ণাই শেষ কৰিব নোৱাৰি। মাথোন জয় শ্ৰীশ্ৰীগৰখীয়া গোঁসাই বুলি মনত শান্তি লাভ কৰিব পাৰি। ●

# অসমীয়া জাতি গঠনত বিষ্ণু ৰাভা

শ্রীঅনিল ডেকা
স্নাতক তৃতীয় বর্ষ

"জাগিব লাগিব তই কছাৰী-মিকিৰ
পাতিব লাগিব নব মেলা
জাগা ট্রাইবেল।
পুৰণি আদিম অসমীয়া।
ট্রাইবেল নাৰী শুৱনীয়া.....॥"

এয়া হ'ল আজন্ম বিপ্লৱী উদীপ্ত কণ্ঠৰ অধিকাৰী বিষ্ণুপ্রসাদ ৰাভাৰ জনজাতি লোকসকলক সচেতন কৰিবৰ বাবে ৰচনা কৰা এক বিপ্লৱী কবিতা। ইয়াত অসমৰ আদিম ভাইসকল যাতে মাৰ বান্ধি প্রগতিৰ পথত আগবাঢ়ি যাব পাৰে তাৰ বাবে উৎসাহ যোগাইছে।

বিদেশীৰ কবলত পৰি সংস্কৃতিৰ ন সৃষ্টি, ন কৃষ্টি, ন সাহিত্য মাতৃ গৰ্ভতেই আবদ্ধ হৈ পৰিছে, গীত, বাদ্য নৃত্যৰ যেন আৰু উলহ-মালহ নাইকীয়া হ'ল। যুদ্ধৰ বিভিষীকাই জনতাক পেঁপুৱা লগালে আৰু তেতিয়াই জাগি উঠিল ৰাভাৰ বিপ্লৱী মনটো মুক্তিৰ বাবে। কিন্তু মুক্তিৰ পথ ক'ত? কোন বাটেৰে গলে হালোৱা, হজুৱা, বনুৱা, দুখীয়া বাইজে মুক্তিৰ পোহৰ দেখিব? শোষণহীন সাম্যবাদী শান্তিৰ ৰাজ্যত নিবাস কৰিব পাৰিব। বগা বগুল গুচি গলে ক্লিষ্ট পিষ্টই মুক্তি পাবনে? সেয়েহে তেওঁ ৰচনা কৰিলে—

"ৰণ
মহাৰণ.....
দেশে দেশে
জ্বলিব অগনি, মহাৰণ দাবানল
মুখৰ চাই হ'ল।
হ'ল ধৰা চৰখাৰ
চুৰ্মে চুৰমাৰ
উঠিল পৃথিৱী জুৰি ৰোল হাঁহাকাৰ।"

ৰাভাই মৰ্মে মৰ্মে অনুভৱ কৰিছিল যে অসমীয়া কৃষ্টি সংস্কৃতি সভ্যতাক জীয়াই ৰাখিছে অনাদৃত, শোষিত, নিষ্পেষিতসকলেহে। এইসকলেহে পূৰ্ণ সংস্কৃতিৰ ৰাহক। তেওঁলোকক মানুহৰ দৰে জীয়াই ৰাখিব লাগিব। সেইবাবেই হাতত কলম তুলি লৈছিল।



"দুখীয়া কলিজা নিজৰি লব
টুপি টুপি তেজ শুহি পিব
কাকি কাকি মঙহ, ছোবাই খাব
কুৰুহি হাড় কেইডালো ছোবাব
হুচিয়াৰ! হুচিয়াৰ!!
ধনী মহাজন জমিদাৰ
হুচিয়াৰ! হুচিয়াৰ!!"

বিষ্ণুপ্রসাদ ৰাভাৰ চিন্তাধাৰা সদাই সূৰ্য্যৰ দৰে স্পষ্ট আছিল। তেওঁ আছিল সদায় জনতাৰ শিল্পী, জনতাৰ লেখক, বক্তা, ৰাজনীতিজ্ঞ, ঐতিহাসিক, নাট্যকাৰ, গায়ক, চিত্ৰকাৰ, কবি, চিত্ৰ পৰিচালক, মঞ্চ পৰিচালক, অভিনেতা আদি বহুগুণৰ অধিকাৰী। জনতাৰ দুখ বেদনাই ৰাভাক কাতৰ কৰি তুলিছিল। তেওঁলোকে অন্ন বস্ত্ৰৰ বাবে কৰা কোলাহল ৰাভাদেৱৰ বাবে কলা মেঘৰ গৰ্জ্জন। সেয়েহে তেওঁৰ ৰচনাত মূৰ্ত্ত হৈ উঠিছিল—

"শুন জনতাৰ কোলাহল শুন
শত বজ্ৰৰ কণ্ঠৰ
দুৰ্বাৰ মৰ্মৰ
নয়নত দোগনল শুনা
জনতাৰ বক্ষ ভেদি
বোৱা শোণিতৰ তল
গঢ়ে মহাসাগৰ টলমল
আগবাঢ়ে জলমল
বোৱা শোণিত ঢল।"

হালোৱা, হজুৱা, বনুৱাই সদায় মূৰৰ ঘাম মাটিত পেলাই পৰিশ্ৰম কৰে কিন্তু সমাজ ব্যৱস্থাৰ তাড়নাত তেওঁলোকৰ সদায় হাঁহাকাৰ অন্ন-বস্ত্ৰৰ হেতু।

"গাম পীড়িতৰ চিৰ বিজয়ৰ গান
ফিৰাই আনিম দলিতৰ সম্মান
মৰা জগতৰ হৃদয়ত ঢালি প্ৰাণ
আনিম ধৰাত চিৰ শান্তিৰ আভাস।"

সত্য, সুন্দৰ আৰু সাম্যৰ পূজাৰী ৰাভাদেৱে পিষ্ট, ক্লিষ্ট, নিপিড়ীত, নিৰ্য্যাতিত, উপবাসী, কাৰাবাসী অন্নহীনৰ কাৰণে প্ৰকৃত মুকুতি ভূকুতি আৰু প্ৰগতিৰ বাবে যি সপোন দেখিছিল সেই সপোনকেই বাস্তৱত ৰূপ দিবলৈ জপিয়াই পৰিছিল বিপ্লৱৰ অগনি শিখা হাতত লৈ। তেওঁৰ সাহিত্য সংগীত কলা সকলোতে সাম্যবাদৰ মহান আদৰ্শ ৰূপায়িত হৈছে। ধ্বনিত হৈছে মহা মানৱৰ মুকুতিৰ সুৰ। দেহৱীনাৰ তাঁৰৰ জোকাৰণিয়ে আত্মাক পৰশিছে। ৰাভাদেৱৰ শিল্পী জীৱনৰ অনুপ্ৰেৰণা, অনুভূতি, জ্ঞান, অভিজ্ঞতা আৰু শকতিৰ মূল ধাৰাবোৰ যেন মহৎ শিল্পী শ্ৰীমন্তশংকৰদেৱৰ পৰা নিজৰি আহিছিল।

বিষ্ণুপ্ৰসাদ ৰাভাই এখন সংহতিপূৰ্ণ বহল অসমৰ কথা সদাই কৈছিল। তেওঁ বৰ অসমবাসীক সম্বোধন কৰি কৈছিল— নিৰ্য্যাতিত, নিষ্পেষিত জনগণৰ মুক্তিৰ হকে আহ্বান জনাই গাইছিল—

"হে বিপ্লৱী বীৰ অধিনায়ক
দিয়া অগনি বাণী বিপ্লৱৰ

ভাঙা বন্দীশাল কৌটি কালৰ
মুক্ত হওক নির্য্যাতিতৰ.....।"

আকৌ আন্তৰিক আবেগ প্ৰকাশ কৰি তেওঁ অসমবাসীক কৈছিল—

"অ মোৰ নিচলা অসমী হালোৱা বনুৱা ভাই
কোনে পতিয়াব তোৰ আজি এনে বিলাই
কপালৰ ঘাম মাটিত পেলাই
সাঁচিছিলা যিটো ধন;
সকলো লুটিলে ধনী চিনা জোকে
ভাঙিলে তোৰ মন;
এদিন তই এই ধুনীয়া অসম
সোণৰ গোটেই
অসম তোৰ আছিল অসমীয়া সপোন।"

বিষ্ণুপ্ৰসাদ ৰাভাই বৃহত্তৰ অসমখনক ঐক্য সংহতিৰ এনাজৰীৰে গঢ়ি তুলিব বিচাৰিছিল। তেওঁ জনজাতিসকলৰ মুক্তিৰ বাবেও কৰ্ম্মপটু হ'বলৈ আহ্বান জনাইছিল। ইংৰাজী ১৫ আগষ্ট ১৯৪৭ চনৰ পৰবর্তী শাসকবৰ্গৰ শোষণনীতিত ব্যক্তি প্ৰতিভাক ব্যাহত কৰা নানান আইন অৰ্ডিনেন্সে ধনীক সাউদ সদাগৰসকলৰ ঔপনিবেশিক আক্ৰোশক পোহ-পাল দি ঠন ধৰোৱা বিভিন্ন বিধানবোৰৰ বিৰুদ্ধে তেওঁ বিপ্লৱত নামি পৰিছিল। কাৰণ ৰাভাদেৱে প্ৰত্যক্ষ কৰিছিল—

"পিশাচে নি শুহি
ৰক্ত পিয়েছি
হিয়া তোৰ যায় জহি
ওৰে নিশা দিন;
সউ ধনৰে থকুৱা
জননীৰ তেজ পিয়া
ৰক্তেৰে ৰঙচুৱা।"

ইত্যাদি।

*এই মহান পুৰুষজনে ১৯০৯ চনৰ ৩১ জানুৱাৰীত ঢকাত জন্ম গ্ৰহণ কৰি ১৯৬৯ চনৰ ২০ জুনত ইহলীলা সম্বৰণ কৰে।*

● দিলঁ মে ৰহনে কে লিয়ে, দিলঁ ছাহিয়ে, ৰেৰফাওঁ কো দিলঁ নৌহি, মেহফিল ছাহিয়ে॥

অন্তৰত স্থান পাবলৈ হৃদয়ৰ প্ৰয়োজন, প্ৰবঞ্চকবোৰক হৃদয় নহয়, বৈথকখানাৰহে প্ৰয়োজন।

সংগ্ৰাহীকা
মালামণি হাজৰিকা
স্নাতক ১ম বৰ্ষ

● আসক আৰ্খোসে ৰোৱা ঔৰ জিগৰ জ্বলতা হ্যায়
কিয়া কেয়ামা হ্যায় কি বৰসাৎমে ঘৰ জ্বলতা হ্যায়।

দুচকুত অশ্ৰুৰ প্লাবন, অথচ অন্তৰ ছাঁই হৈ যাব ধৰিছে। কি যে মহা প্ৰলয় ধাৰাষাৰ বৰষুণৰ মাজতেই যেন ঘৰটো পুৰি ছাঁই হৈ যাব লাগিছে।

সংগ্ৰাহীকা
বিজুমণি পাঠক
উঃ মাঃ ২য় বৰ্ষ





# সমাজ সংস্কাৰক হিচাপে শ্ৰীমন্তশঙ্কৰদেৱ

শ্ৰীমিনু পাঠক
স্নাতক দ্বিতীয় বাৰ্ষিক

যদা যদাহি ধৰ্মস্য গ্লানি ভৱতি ভাৱতঃ।
অভ্যুথানম্ ধৰ্মস্য তদাত্মাং সৃজাম্যহম॥
পৰিত্ৰাণয় সাধুনাং বিনাশয় চ দুস্কৃতম।
ধৰ্ম সংস্থাপনাৰ্থায় সম্ভাবামি যুগে যুগে॥

ভগৱানৰ বৈচিত্ৰময় সৃৰ্য্যৰ ৰহস্য উপলব্ধিয়ে হৈছে তেওঁৰ প্ৰকৃত বিশ্বজনীন অস্তিত্ব। "সত্যম শিৱম সুন্দৰম"ক মানুহৰ আধ্যাত্মিক দৃষ্টিৰে হৃদয়ংগম কৰা। তেতিয়া মানুহে জীৱ জগতৰ প্ৰতিটো জীৱাত্মাত নিৰাকাৰ ভগৱান বিৰাজমান হোৱা দেখিব আৰু বিনন্দিয়া বিশ্বক চিৰসুন্দৰ আৰু চিৰশান্তি প্ৰদৰ্শনী প্ৰেম মন্দাকিনী প্ৰৱাহিত স্বৰ্গপুৰী যেন এখন অনুপম ঠাই বুলি অনুভৱ কৰিব। দুখৰ বিষয় কিছুমান স্বাৰ্থপ্ৰেমী মানুহে পাৰ্থিৱ সুখৰ আশাত নানান অন্যায় অনাচাৰ কৰি পৃথিৱীৰ ধৰ্মৰাজ্যত অধৰ্মৰ প্লাৱন সৃষ্টি কৰে। এইদৰে ভগৱানৰ প্ৰতি ভক্তি তথা সততাৰ বিনাশ হোৱাত তেওঁ সহ্য কৰিব নোৱাৰি একোজন মহাপুৰুষ ৰূপে নিজেই পৃথিৱীত আৱিৰ্ভাৱ হয়। এই মহাপুৰুষ সকলে সত্য ধৰ্ম প্ৰদান কৰি ঈশ্বৰ ভক্তিপৰায়ণ হ'বলৈ উপায় দিয়ে। এনে সৃষ্টিকৰ্তা পৰম ব্ৰহ্মাৰ সৃষ্টিৰ গৃহ আমাৰ অসম ৰাজ্যত ১৫শ শতিকালৈ প্ৰকৃত তথা শুদ্ধ ভগৱানৰ ভক্তিৰ ওপৰত অনাচাৰ অবিচাৰ চলিছিল। যেতিয়া অসমৰ সমাজ ধৰ্ম সংস্কৃতি, ভাষা, সাহিত্যৰ আন্ধাৰ যুগ আহিছিল ঋষি মুনিয়ে লিখি থৈ যোৱা বেদ উপনিষদৰ কথা মানুহেই পাহৰি পেলাইছিল, নানান দেৱ দেৱীৰ মাজত পূজা কৰি যেতিয়া জীৱ বলিদান দিব ধৰিছিল, নিজৰ ভোগ সুখৰ কাৰণে যেতিয়া সমাজত নৰবলি হৈছিল এনে এটা চৰম দুৰ্য্যোগৰ সময়তে উশৃঙ্খল সমাজখনক শৃংখলাবদ্ধ কৰিবলৈ অসমৰ মাজ মজিয়াত ভগৱানৰ শক্তিৰ আৱিৰ্ভাৱ হয়।

শংকৰ জন্মিলেকৰে
বৰদোৱা গ্ৰামে, শংকৰ জন্মিলোৰে
জন্ম লৈলা, সত্যসন্ধা কুসুম্বৰ ঘৰত
শিক্ষা লৈলা মহেন্দ্ৰ কন্দলীৰ টোলত

শংকৰদেৱে গুৰু গৃহত কমদিনৰ ভিতৰতে অতি বিচক্ষণতাৰ পৰিচয় দিয়ে আৰু সকলো শাস্ত্ৰ অধ্যয়ন কৰি এজন বিদগ্ধ পণ্ডিত ৰূপে পৰিগণিত হয়।

যেতিয়া আমাৰ এসময়ৰ সমাজ ব্যৱস্থাত ঘুণে ধৰি ভাঙি যোৱাৰ উপক্ৰম হৈছিল, যেতিয়া মানুহৰ মন নানান কু-সংস্কাৰেৰে পীড়িত

হৈ বিভিন্ন জনগোষ্ঠীৰ লোকৰ মাজত থকা একতাৰ ডোল দাল ছিঙিছি, তেতিয়া মানুহৰ মনত উচ্চ, নীচ, ধনী, দুখীয়াৰ ভেদ ভাৱে ঠাই লৈছিল। সেই সময়তে শংকৰদেৱে ভাগৱতী ধৰ্ম প্ৰচাৰৰ মাধ্যমেৰে সমাজক একত্ৰিত কৰিবলৈ সক্ষম হৈছিল। শংকৰদেৱ আছিল এজন সমাজ সচেতক গাৰ্হস্থ্য ধৰ্মী একান্ত বিষ্ণুভক্ত লোক। তেওঁৰ পাণ্ডিত্য আৰু বহুমুখী প্ৰতিভাই তেওঁক এজন মহাপুৰুষ ৰূপে পৰিগণিত কৰে। সেইবাবে তেওঁ নিজৰ বিচক্ষণ ভাৱে জনগণৰ অন্তৰ শুদ্ধ কৰিবলৈ গৈ মানুহৰ মাজত যে, কোনো উচ্চ-নীচ নাই সকলো প্ৰাণী মাত্ৰেই যে আমি পৰম পিতা পৰমেশ্বৰৰ সন্তান আৰু তেওঁ যে, শ্ৰেষ্ঠ দেৱ এই মহান জ্ঞান দান কৰিবলৈ সমৰ্থবান হৈছিল। শংকৰদেৱে সকলো জাতিক সমানে আধ্যাত্মিক চিন্তা চৰ্চাকৰাৰ সুযোগ দিয়া বাবেই সকলে মানুহ একত্ৰিত হৈ এটা সাম্যবাদী বিশ্বপ্ৰেমী মহান অসমীয়া জাতি গঠন কৰিছিল। তেওঁ সকলো আগ্ৰহী জনকে তেওঁৰ ধৰ্মত আকোঁৱালি লৈ সকলো সামাজিক মান সম্মান দান কৰি অসমীয়া সমাজৰ ভিতৰুৱা কৰিছিল। প্ৰথম সুস্থ সমাজ আৰু জাতিৰ অৰ্থে তেওঁৰ ডাঙৰ অৱিহণা হ'ল তেওঁৰ সাহিত্য আৰু সংস্কৃতিৰ অৱদান। শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ অসমীয়া জাতিৰ সঞ্জীৱনী শক্তি তেওঁৰ অসমীয়া ভাষাৰ গ্ৰন্থৰাজিয়ে অসমীয়া ভাষাৰ সাহিত্যক মহিমামণ্ডিত কৰি এটা সুস্থ ভেটি গঢ়িছিল। তেওঁ অসমৰ হেজাৰ হেজাৰ জনগণৰ মাজত অমৃত সুধাৰ নিজৰা বোৱাই নামঘৰ সাজি নৃত্য, গীত ভাওনা আদি ৰচনা কৰি নিজে তাৰ ভাও লৈ আৰু নাম কীৰ্তন প্ৰসঙ্গ আদি কৰি তেওঁ সমাজখনক কটকটীয়া কৈ একতাৰ ডোলেৰে বান্ধিছিল। তেওঁ ঠায়ে ঠায়ে নামঘৰ, সত্ৰ আদি পাতি দিছিল। এই নামঘৰ অসমীয়া জাতীয় সংস্কৃতিৰ যাদুঘৰ স্বৰূপ, শিক্ষাৰ কেন্দ্ৰ হোৱাৰ উপৰিও বাইজৰ সমস্যা সমাধানৰ বিচাৰালয় আছিল। এই যুগত অসমৰ সত্ৰ আৰু নামঘৰসমূহে গাৰ্হস্থ্য জীৱন যাপন কৰি পবিত্ৰ বৈষ্ণৱ ধৰ্মেৰে একত্ৰিত হৈ ভগৱানৰ ভক্তিত ব্ৰতী হ'বলৈ শিকাইছিল। সত্ৰ আৰু নামঘৰবোৰ আজিও শংকৰী কলাকৃষ্টিৰ মাধ্যমেৰে ধৰ্ম আৰু সংহতি ৰক্ষাৰ কেন্দ্ৰ হৈ আছে। শংকৰদেৱে নিজে ভগৱান বিষ্ণুৰ ভাও লৈ "চিহ্নযাত্ৰা" ভাওনা কৰে। এই ভাওনা চাই থকা মানুহে এনেকৈ মোহিত হৈছিল, যে দিন হৈছে নে ৰাতি হৈছে তেওঁলোকে একো গম পোৱা নাছিল। তেওঁ নিজ হাতে তুলাপাটত সাত বৈকুণ্ঠৰ পট আঁকিছিল। এনেদৰে তেওঁ সকলোকে এক ভাবাপন্ন কৰিছিল। মহাপুৰুষজনাই অসমীয়া জাতিটোক, খোল, তাল, আদি বজাই ভগৱনাৰ নাম কীৰ্তন আৰু গীতা ভাগৱতৰ পৰা সহজ ভাঙনী কৰি ভগৱানৰ ভক্তিৰ সাৰমৰ্ম নাম-প্ৰসঙ্গ গাবলৈ শিকাইছিল। এনেদৰে একাধিকজনে লগ হৈ ভাগৱানৰ ভক্তি কৰাৰ বিধান দিছিল হিন্দুৰ ধৰ্মশাস্ত্ৰ 'ভাগৱত' পুৰাণৰ পৰা। তেওঁ সমাজখনক একশৰণ নাম ধৰ্মত জাগ্ৰত কৰি পৰস্পৰৰ মাজত আপোন ভাৱ অতি কটকটীয়া কৰিছিল। কীৰ্তন ঘোষা তেওঁৰ শ্ৰেষ্ঠ সাহিত্য কীৰ্ত্তি। তেওঁ নিজে বৰগীত ৰচনা কৰি নিবিড় ভাৱে ভগৱানৰ ভক্তিত সকলোকে মোহিত কৰি শান্তি দিছিল।

নাৰায়ণ কাহে ভকতি কৰো তেৰা
মেৰি পামৰ মন মাধৱ ঘনে ঘণ
ঘাটোক পাপ নাছোৰ॥

এক ভগৱনাৰ ভক্তিৰ মাধ্যমেৰে গুৰুজনাই জাতি ধৰ্ম নিৰ্বিশেষে অসমীয়া সমাজখনক কুসংস্কাৰৰ পৰা দুৰ কৰি এক শৰণ ধৰ্ম তথা প্ৰীতিৰ ডোলেৰে বান্ধিছিল। যেনে—

কি নামে বান্ধিলা ভেঁটি শংকৰ গুৰু
কি নামে বান্ধিলা ভেঁটি............।
তোমাৰ গীতে মাতে পৱিত্ৰ
সুৰেৰে আমি অসমীয়া জাতি।
অসমীয়াৰ মাজে নাছিল একতাৰ জৰী
তুমি প্ৰভু বান্ধি গৈলা সবাক অসমীয়া জাতি,

প্ৰায় ছয়কুৰী বছৰ জীয়াই থাকি অসমীয়া জাতি, অসমীয়া সমাজ আৰু অসমীয়া ভাষাৰ নতুন ভেঁটি প্ৰতিষ্ঠা কৰি ১৫৬৮ খৃষ্টাব্দত তেখেতে কোচবিহাৰত বৈকুণ্ঠ প্ৰয়াণ কৰে।

জয় জয় জয় গুৰু শ্ৰীমন্ত শংকৰ।
তযু পদতলে কৰো প্ৰণাম হাজাৰ॥ ●





# মিচিং লোকৰ সংস্কৃতি

শ্ৰীসৰ্ব্বানন্দ চুংক্ৰাং
স্নাতক ১ম বৰ্ষ

অসমৰ প্ৰতিটো জনগোষ্ঠী নিজা নিজা বাৰেৰহনীয়া সংস্কৃতিৰে বৰণীয়া। নৃত্য গীত আদিৰেই প্ৰধানতে সংস্কৃতিৰ ব্যাখ্যা নহয়। সমাজৰ আদান-প্ৰাদান, আচাৰ ব্যৱহাৰ বা কাৰ্য্যকলাপৰ পৰা সংস্কৃতি আহৰণ কৰা হয়। সামগ্ৰীক ভাৱে মানুহৰ আচৰণ ভাৱ-ভঙ্গী আৰু কৰ্ম্মৰ যোগেদি হৃদয়বৃত্তি আৰু মস্তিস্কৰ পৰিবৰ্তনশীল প্ৰকাশেই হ'ল সংস্কৃতি।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ বাবে বহণীয়া কৃষ্টি সংস্কৃতিৰ দৰে মিচিং লোকৰ সংস্কৃতিও কেবাটাও দিশেৰে বৈশিষ্ট্যপূৰ্ণ। মিচিংসকল আদিতে পৰ্ব্বতত বাস কৰি বৰ্তমান ভৈয়ামত বাস কৰা অসমৰ এটা জনগোষ্ঠী। আদিতে মিচিং সকলে উত্তৰপূৱ পাহাৰত বসবাস কৰিছিল। মিচিং সকলে পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহোতে 'মিৰি' নামেৰে জনা গৈছিল। কাৰণ মিৰি নামটো অসমত দিয়া নাম। প্ৰচীন কালত অসমৰ অসমীয়া লেখক, ইংৰাজ লেখকসকলে মিৰি বুলি লিখিছিল। কিন্তু মিৰি সকলে নিজকে মিচিং বুলিহে পৰিচয় দিবলৈ ভাল পায়। মি (মানুহে) চিং (ভাল) মিচিং সকলে অৰ্থাৎ আমি ভাল মানুহ বুলি পৰিচয় দিয়ে। মিচিং সকল নিজে সূৰ্য্য দেৱতাৰ বংশধৰ বুলি পৰিচয় দিয়ে। চন্দ্ৰ হল পিতৃ আৰু সূৰ্য্য হ'ল মাতৃ। তাৰোপৰি মিচিং সকলে মিবুৰ (দেওধাই) পৰা ইন্দ্ৰৰ বংশধৰ মানুহ বুলি পৰিচয় দিবলৈ সক্ষম হয়। কাৰণ ইন্দ্ৰই পৃথিৱীক শাসন কৰিবলৈ স্বৰ্গৰ পৰা মানুহ পঠিয়াইছিল বুলি ইতিহাসে কৈ আহিছে। লগতে তেওঁলোকৰ ভৱিষ্যত মঙ্গলৰ কৰাণে হাতত তৰোৱাল আৰু কুকুৰাজোৰাকো দি পঠিয়াইছিল। তাৰ পৰাই মিচিংসকলে নিজকে ইন্দ্ৰৰ বংশধৰ মানুহ হিচাপে পৰিচয় দিয়ে। যিহেতু মিচিং সকলৰ মিবু (দেওধাই) সকলে তেওঁলোকৰ কাৰ্য্যকলাপ তৰোৱালেৰে পৰিচালনা কৰে। মিবু হৈছে মিচিং লোকৰ আটাইতকৈ উচ্চ মানুহ। কিবা দুখ কষ্ট হ'লে মিবুক মাতি আনি ঘৰৰ সকলো সমস্যা সমাধান কৰে।

মিচিং জনগোষ্ঠীৰ মাজত কিছুমান বিভাগ আছে। এইবোৰ হ'ল— চোয়াং বা চায়েঙ্গীয়া, অয়ানা বা আয়েঙ্গীয়া, মৰিং বা মৰেঙ্গীয়া দেলো বা তায়োতায়ে, পাগৰ বা দাম্বুক, চামুগুৰীয়া বা তামাৰ। সম্ভৱতঃ চামুগুৰীয়া বা তামাৰ গোষ্ঠীৰ মিচিং সকলেই প্ৰথমে পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহিছিল। মিচিংসকলে প্ৰধানতে শদিয়াৰ পৰা বোৰৈবুকলৈ (লক্ষীমপুৰলৈ) বসবাস কৰি আছে। বৰ্তমান অৱশ্যে এইটোৱে নহয়, মিৰি (Mirjs) বা (Mishings) সকলে সমগ্ৰ অসম জুৰি বিস্তৃত। প্ৰয়োজনীয় ভাষিক বিভাগ অনুসৰি মিচিং সকল মঙ্গোলীয় গোষ্ঠীৰ (Mongoliad stocx) তিব্বত বৰ্মীয় ফৈদৰ (Tiberto Furmore group) অন্তৰ্ভুক্ত।

মিচিংসকলৰ বহুতো খেল আৰু ফৈদ আছে। তথাপিও এওঁলোকৰ মাজতে কোনো উচ্চ নীচ জাত বিচাৰ নথকাটো মিচিংসকলৰ এটা বৈশিষ্ট্যপূৰ্ণ দিশ। মিচিং সকলৰ মাজত কোনো ৰজাৰ শাসন ব্যৱস্থা নাই। মিচিং সমাজত গাওঁৰ মুখিয়ালজনে ঘৰৰ বা গাঁৱৰ কাম পৰিচালনা কৰে। মিচিংসকলে কেবাঙৰ (সভা) জৰিয়তে সকলো কাম কৰে। কেবাং আবু হৈছে সভাৰ সভাপতি। ইয়াৰ উপৰিও মিচিং সকলৰ ডাঙৰ সভা এখন আছে; সেয়া হৈছে বা'নে কেবাং (সাহিত্য সভা) এই সভাখন মিচিং জনগোষ্ঠীৰ বাবে সুবৃহৎ আৰু সন্মানীয় সভা—।

মিচিংসকলে যৌথ পৰিয়ালতেই বেছি ভাগে বসবাস কৰে। প্ৰকৃততে মিচিংসকলে চাং ঘৰত বসবাস কৰে। চাংঘৰ ব্যৱহাৰ কৰা মিচিংসকলৰ মাজতহে যৌথ পৰিয়ালৰ প্ৰাধান্যতা পৰিলক্ষিত হয়। অৱশ্যে বৰ্তমান কিছুমানে মাটিঘৰ সাজি বাস কৰিবলৈ লৈছে। চাংঘৰ ব্যৱহাৰ কৰা লোকসকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ নদীকাষৰীয়া অঞ্চলত বসবাস কৰে। মিচিং সকলে নদীৰ দাঁতিত থাকি মাছ ধৰা, চৰাই মাৰা নাওঁ বোৱাত পাকৈত হৈ পৰিছিল।

মিচিং সকল বৈবাহিক ক্ষেত্ৰত বেলেগ বেলেগ উপাধিৰে আবদ্ধ হয়। এওঁলোকৰ বিবাহৰ ক্ষেত্ৰত দলেৰ লগত; পেগু, পাইত, পাতিৰ, চুংক্ৰাং আদিয়ে বিবাহ কৰিব পাৰে। মিচিংসকলৰ বেছিভাগ ডেকা গাভৰুৱে পলুৱাই নিয়া প্ৰথাৰে বিবাহ কাৰ্য্য সমাধা হয়। অৱশ্যে এইবোৰ লাহে লাহে বিলুপ্ত হ'ব ধৰিছে। তথাপি মিচিংসকলৰ বিবাহৰ ক্ষেত্ৰত তিনিটা পদ্ধতিৰ প্ৰচলন থকা দেখা যায়। যেনে—

মৈদাং, দুগ্‌লো লানাম, আৰু কুম্‌লাচুলালনাম

গাঁওবাসী মিচিংলোকসকল কৃষিৰ ওপৰত নিৰ্ভৰশীল। মিচিং মহিলাসকলে নিজে কুকুৰা গাহৰি, পুহি কাপোৰ বই নিজৰ খৰচ পাতি উলিয়ায়। মিচিং তিৰোতাসকলে শালত নানান মনোমোহা ফুলৰ ছবি আঁকি কাপোৰ বয়। ৰিবিগাচেং (Ribigoseng) মিবুগালুক (mibogoluk) এড়ি কাপোৰ আদি তিৰোতাসকলে বয়। মিচিং তিৰোতাসকলৰ শালত বোৱা আন এখন উল্লেখযোগ্য কাপোৰ হ'ল মিৰিজিম (Mirijim)। মিচিং তিৰোতাই পিন্ধে ৰিবিগাছেং, এগে (ফুল থকা মেখেলা) চেকবেক নাইবা চেকবুং আৰু চাদৰ (মিহি স্কাল)।

মিচিংসকল স্বভাৱতে শান্তিপ্ৰিয় বং ধেমালিৰে নাচ গান কৰি মিচিং সকলে ভাল পায়। মিচিং সকলে পুৰুষ তিৰোতা মিলি নাচ গান কৰে। মিচিং সকলৰ মাজত নৃত্য বা নাচোন এক ধৰ্মমূলক অনুষ্ঠান হিচাপে পৰিগণিত। তেওঁলোকৰ মাজত অইনিতম (বনগীত) আনুনিতম (আধুনিক গীত) বুলি আনন্দত গোৱা দুটা গীত আছে। মিচিং সকলে কাতি বিহু, মাঘবিহু, আৰু বহাগ বিহু পালন কৰাৰ উপৰিও আহিন কাতি মহীয়া আহুধান চপাই শেষ কৰি পৰাগ (নৰাচিগা বিহু) উৎসৱ পাতে। আহুধান সিঁচাৰ সময়ত আলি আই লিগাং (ধান সিঁচা বিহু) বুলি এটা ডাঙৰ উৎসৱ পাতে। এই বিহুত মিচিং সকলে দেৱতাক পূজা কৰি ধান সিঁচা আৰম্ভ কৰে। বসন্তৰ প্ৰাক মুহূৰ্তত ফাগুনৰ প্ৰথমটো বুধবাৰে এই বিহু পালন কৰে। এই উৎসৱত শইচৰে বীজ সিঁচি বা কঠিয়া কই মিচিং কৃষকসকলে বছৰৰ হেতুকে শুভ কামনা কৰে। এইবিহুত গ্ৰাম্য অঞ্চলত প্ৰায় এক সপ্তাহ জুৰি আনন্দ উৎসৱ হয়। বিহুত মিচিংসকলৰ তিৰোতাসকলে ৰিবি মেখেলা চাদৰ পিন্ধে আৰু পুৰুষ সকলে মিবুগালুক (দেওধাই চোলা) পিন্ধি আনন্দতে নাচ গান কৰে।

মিচিং সকলে আপুং (Wine) নামৰ পানীয় খাদ্য (liquid for drinking) এবিধেৰে আলহী অতিথিক শুশ্ৰূষা কৰে। আনকি মিচিংসকলৰ পূজা পাৰ্বন আদি অনুষ্ঠানটো আপঙেহে মুখ্য স্থান লাভ কৰি আহিছে। মিচিংসকলৰ কিছুমান নিজা পূজা আছে। তালেং উয় (ওপৰৰ দেৱতাক পূজা কৰা) এবিধ ডাঙৰ ধৰণৰ পূজা। এই পূজাত মিচিংসকলে বিশেষকৈ মুগলিং আচাৰ, তাকাৰ, দঞি-পল (চন্দ্ৰ-সূৰ্য্য) মেঘ-বিজুলী তৰা আদিক পূজা পাতাল কৰে। তদুপৰি পৃথিৱীত শইচ হ'বৰ বাবে দবুৰ পূজা কৰে। দবুৰ পূজা জেঠ মাহত কৰে। আচলতে এই পূজা মানুহ গৰু ম'হৰ মঙ্গলৰ আৰু ভাল খেতি হোৱাৰ বাবে কৰে। এই পূজাৰ জৰিয়তে বছৰৰ গাৰ্বৰ সুখ-দুখ আগতীয়াকৈ জানিব পাৰে বুলি বিশ্বাস কৰে। ৰাতিপুৱাৰ পৰা গধূলিলৈ দিনটো জুৰি কৰা পূজাৰ শেষত চিঞৰি দেৱতাক পূজা মণ্ডললৈ আনে তেতিয়া দেৱতাই পূজা মণ্ডত কিবা প্ৰতীক এটা দি যায়। তাকে লক্ষ্য কৰি গাৰ্বৰ সকলো সুখ-দুখ বিচাৰ কৰি লয়।

মিচিং সকলৰ মাজতে কিছুমান জনবিশ্বাস আছে। কুকুৰাই যদি গধূলিতে ডাক দিয়ে তেতিয়া মিচিং সকলে বিশ্বাস কৰে যে সেই ৰাতি নিশ্চয় গাৰ্বৰ পৰা গাতক পলুৱাই নিব পাৰে। আকৌ অকলশৰীয়া কপৌয়ে ঘৰৰ মুখচত পৰি কান্দিলে মিচিংসকলে ভাৱে মৃতক কোনোবাই ভোকত কান্দি আছিছে আৰু মৃতকৰ নামত কেইটামান চাউল দি সন্তুষ্ট কৰে। মিচিং সকলৰ পৰাগ (নৰাচিগা) পূজা তিনিদিন ধৰি পাতে। পূজাৰ গুৰু হ'বলৈ মিবুক (দেউধাই) মাতি আনি পূজা পৰিচালনা কৰে। পৰাগ উৎসৱত পূজাত গাহৰি কুকুৰা আদি বলি দি দেৱতাক সন্তুষ্ট কৰে। পৰাগ পূজাৰ কোনো ধৰা বন্ধা নিয়ম নাই। প্ৰয়োজন অনুসাৰে এই পূজা পালন কৰে।

মিচিংসকলে মৃতকসকলক বাকচত ভৰাই মাটিত পুতি দিয়ে। ওপৰত দীঘল গামোচা দিয়ে। মৃতকৰ সকাম হিচাপে পাঁচ দিনৰ মূৰত শুচি আৰু দুই তিনি সপ্তাহত ডাঙৰকৈ দহাকাজ কৰে। এয়া অৱশ্যে কোনো এটা সময় অনুসৰি নহয়। এটা পৰিয়ালৰ ককাদেউতা, আইতা মৰি কেইবছৰমান হোৱাৰ পিছতহে মৃতক সকলৰ নামত পাঁচ ছয়টা মান গাহৰি বলিদান দি একেলগে পূজা কৰে। এইটোকে মিচিঙৰ দদগাং (dodgong) বুলি কোৱা হয়। তাৰ উপৰিও বহুতো সৰু সৰু ঘৰুৱা পূজা মিচিংসকলে পাতে আনকি পূজাৰ জৰিয়তে কিছুমান ডাঙৰ বেমাৰ ভাল হয় বুলি বিশ্বাস আছে। এইবোৰকে মিচিং সকলৰ সংস্কৃতি বুলি চমুকৈ ক'ব পাৰি। ●

আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত অসমক মৰিবলৈ নিদিওঁ অসমীয়াক জীণ যাবলৈ নিদিওঁ- অসমীয়া সংস্কৃতিক লুপ্ত হ'বলৈ নিদিওঁ। অসমৰ বুকুত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ ডোলেৰে গাঁথি দুনাই শান্তিকামী অসমীয়া জাতি গঢ়া, শক্তিমান ন-অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন-অসমীয়া সংস্কৃতি কৰোঁ।

—বিষ্ণু প্ৰসাদ ৰাভা





# শংকৰত-বিষ্ণু-জ্যোতি

**শ্ৰীসঞ্জীৱ বাইলোং**
স্নাতক ৩য় বৰ্ষ

আধুনিক অসমীয়া চিন্তা-চৰ্চা, শিল্প-কলা সাহিত্য আৰু প্ৰতিভাশালী আদৰ্শৰ লগত জড়িত দুগৰাকী লোকৰ নাম প্ৰায় একেলগেই উচ্চাৰিত হয়। তেওঁলোক হ'ল ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভা। এফালেদি বেজবৰুৱাৰ পিছত জ্যোতিপ্ৰসাদেই আধুনিক অসমীয়া সংস্কৃতিৰ আতাইতকৈ সক্ষম শক্তিশালী আৰু সফল পুৰোধা। জ্যোতিপ্ৰসাদৰ বৈপ্লৱিক ভূমিকা আধুনিক কালৰ অসমীয়া সমাজৰ পক্ষে পথ দেখুওৱা জোৰ বন্তিৰ দৰে হৈ আছে। আনহাতেদি ডঃ বাণীকান্ত কাকতিয়ে কোৱাৰ দৰেই অসমীয়া ভাষা, ইয়াৰ বিভিন্ন জাতি জনজাতিৰ বৈশিষ্ট্য আৰু কলাকৃষ্টি অধ্যয়ন, বৈজ্ঞানিক গৱেষণা আৰু ব্যাখ্যাৰ ক্ষেত্ৰত এগৰাকী বাটকটীয়া হ'ল বিষ্ণুপ্ৰসাদ ৰাভা। তেওঁৰ সেই পৰিচয়েই যথেষ্ট নহয়, মাৰ্ক্সীয় আদৰ্শৰ দ্বাৰা ওৰে জীৱন অনুপ্ৰাণিত ৰাভা আছিল, এগৰাকী অক্লান্ত, আপোচবিহীন যুঁজাৰু। অসমৰ চিন্তাৰ জগতত শিল্প সাহিত্য কলাকৃষ্টি চৰ্চাৰ ক্ষেত্ৰত দুয়োগৰাকী সমকালীন বিপ্লৱী শিল্পী তথা চিন্তা নায়কৰ প্ৰভাৱ অতি স্পষ্ট। অসমৰ চহা জীৱনৰ গীত মাতৰ পৰা আধুনিক গীত নাট্য সাহিত্যলৈকে লোক কৃষ্টিৰ পৰা মহাপুৰুষ শংকৰদেৱৰ অৱদানলৈকে সকলো সামাজিক গুৰুত্ব আৰু সাংস্কৃতিক বৈশিষ্ট্য থকা প্ৰসংগতে জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ মন্তব্য আছে। বৰ্তমান অসমৰ বুদ্ধিজীৱী মহলত এই দুজনাৰ কৃতি সম্পৰ্কে ব্যাপক আলোচনা হৈছে।

দেখা যায় যে দুয়োগৰাকী বিপ্লৱী মনিষীৰ চিন্তা চৰ্চাত শংকৰদেৱৰ জীৱন চৰিত আৰু অৱদানে বিশেষ ঠাই অধিকাৰ কৰিছে।

জ্যোপ্ৰিসাদে শংকৰদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মৰ মূল আদৰ্শ "কৃষ্ণ চৰিত্ৰ" সম্পৰ্কে এটা নতুন ব্যাখ্যা দিছিল। তেওঁ "শিল্পীৰ পৃথিৱী" নামৰ বিখ্যাত ৰচনাত কৈছেঃ "............সেই ধৰ্ম, সমাজ স্ৰষ্টা আৰু বিশ্বৰ আভ্যন্তৰ দ্ৰষ্টা ঋষি সকলেই মানুহৰ শিল্পী ৰূপেইহে আৰু চৰম বিকাশ "কৃষ্ণ" মূৰ্তিৰ যোগে আৰু কৃষ্ণৰ উদাহৰণেৰে বা জীৱনৰ যোগে কৈ গ'ল।

শংকৰদেৱৰ সংস্কৃতিক সেয়েই তেওঁ কৃষ্ণ সংস্কৃতি আখ্যা দিছিল।

শ্ৰীমন্ত শংকৰদেৱেও এই "কৃষ্ণকে আমাক সংস্কৃতিৰ প্ৰতীক কৰি দি গৈছে।" জ্যোতিপ্ৰসাদৰ বহু ৰচনাত ৰোমাণ্টিক বিপ্লৱীৰ লক্ষণ প্ৰত্যক্ষ কৰা যায়। কিন্তু সেই বুলি তেওঁ শংকৰী সাধানাৰ তাৎপৰ্য্য বাস্তৱ দৃষ্টিভংগীৰে হে বিচাৰ কৰিছিল। তেওঁৰ মতে শংকৰদেৱ দূৰৈৰ দেৱতা নহয়, শংকৰদেৱ হ'ল কৃষ্ণক বুজি "যুগৰ উপযোগী জীৱন" গঢ়া মানুহ। শংকৰদেৱৰ বৈপ্লৱিক প্ৰতিভা আৰু প্ৰগতিশীল দৃষ্টি ভংগীৰ দ্বাৰাইহে তেওঁ আকৰ্ষিত বুলি তেওঁ প্ৰকাশ কৰি গৈছে।

জ্যোতি প্ৰসাদৰ চিন্তা জগতৰ পিছলৈ উত্তৰণ ঘটিছিল। কিন্তু তেওঁ শংকৰদেৱক বিপ্লৱী মনীষি ৰূপেই গ্ৰহণ কৰিছিল।

অসমত শংকৰদেৱে প্ৰতিষ্ঠা কৰা নাম ঘৰত স্থাপত্যৰ সৌন্দৰ্য্য দেখি অভিভূত হৈ জ্যোতি প্ৰসাদে মহাপুৰুষৰ প্ৰতি কৃতজ্ঞতাৰ মূৰ দোঁৱাইছিল। তেওঁ বিদেশত থাকোতেই বাৰ্লিনৰ কিছুমান স্থাপত্য কৰ্ম দেখি তাতেই শংকৰদেৱৰ ভাস্কৰ্য্যৰ গুৰুত্ব অনুভৱ কৰিছিল। বিদেশৰ পৰা প্ৰত্যাবৰ্তনৰ পিছত ১৯৩১ চনত বৰদোৱালৈ গৈ শংকৰী স্থাপত্যৰ অপূৰ্ব নিদৰ্শন দেখি শংকৰদেৱৰ প্ৰতি মূৰ দোঁৱাইছিল। সেই উপলব্ধিৰ কথা তেওঁ "শিল্পীৰ পৃথিৱীত" বৰ্ণনা কৰিছে এইদৰেঃ "পশ্চিমীয়া শিক্ষা পাই অহংকাৰত অফলা ঘৰৰে মহাপ্ৰতিভাৰ শিক্ষা চিনি নাপাই যুৱা মনটোৰ সকলো অহংকাৰ সেই দিন একেবাৰেই ধুলিসাং হৈ গ'ল। সেইদিনৰ পৰাই মই অসমীয়া হ'বলৈ আৰম্ভ কৰিলোঁ।

জ্যোতি প্ৰসাদৰ এই উপলব্ধিৰ প্ৰকাশে সমকালীন অসমীয়া বুদ্ধিজীৱীৰ ওপৰতে প্ৰভাৱ পেলাইছিল। শংকৰী অৱদানখিনিক বাস্তৱ দৃষ্টিৰে চোৱাৰ প্ৰৱনতা এটা আচলতে তেতিয়াই অসমত অংকুৰিত হয় কাৰণ জ্যোতি প্ৰসাদে এইদৰে ৰাজ নকৰালেকে

শংকৰদেৱতো ঋষি কমলাকান্তৰ ভাষাৰে— "শংকৰদেৱৰ দেখো জীৱনৰ চৰিত্ৰ কেৱল ভকতত সীমা" হৈয়ে আছিল। মহাপুৰুষৰ সমস্ত কৰ্ম যে জনমুখী আছিল আৰু কথা শিল্পক মহাপুৰুষে জনসাধাৰণৰ সম্প্ৰতি কৰি জনসাধাৰণৰ হাতত তুলি দিছিল। সেই কথাও জ্যোতি প্ৰসাদে অকুণ্ঠচিত্তে সুঁৱৰি গৈছেঃ "তেতিয়াৰ পৰা শ্ৰীমন্ত শংকৰদেৱৰ সৰ্বতোমুখী প্ৰতিভা বুজিবলৈ চেষ্টা কৰি আহিছোঁ। সাহিত্যতো সকলো বুজি শেষ কৰিব পৰা নাই। ইয়াকে কৰিছিল শ্ৰীমন্ত শংকৰে জনতাৰ মাজত, গাঁৱৰ মাজত জনতাক সাংস্কৃতিক জীৱন দিবলৈ। সেই কাৰণেই জনতাই বুজি পোৱা সৰল অসমীয়া ভাষালৈ তেওঁ ভাঙি দিলে ভাগৱত যি আছিল সংস্কৃত ভাষাত জনতাই হাতেৰে চুকি নোপোৱাত। তেওঁ তাক আনি একেবাৰে জনতাৰ কোলাত বহুৱালে। তেওঁ জীৱনৰ মহাশিল্পী হৈ অসমীয়া জনতাৰ মাজত বহিল— "অসমীয়া জনতাৰ নৱজীৱন গঢ়িবলৈ"।

তেওঁৰ মতে, এই কৃষ্ণ সংস্কৃতিৰ দ্বাৰাই আধুনিক যুগত লক্ষ্মীনাথ বেজবৰুৱা উদ্বুদ্ধ হৈ "বাঁহী" প্ৰকাশ কৰি শংকৰ প্ৰতিভাৰ জ্যোতি প্ৰকাশ কৰিছিল আৰু পদ্মনাথ গোহাঞি বৰুৱাইও শ্ৰীকৃষ্ণৰ দৰে গ্ৰন্থ প্ৰণয়ন কৰিছিল। জ্যোতি প্ৰসাদে অসমীয়া ভাষাৰ বিকাশ সম্পৰ্কে অতিশয় আশাবাদী হ'ব পাৰিছিল আৰু সেয়েই ঘোষণা কৰিছিলঃ যি অসমীয়া ভাষাৰ মাজেদি শ্ৰীমন্ত শংকৰে মানৱৰ এক সৰ্বোচ্চ সংস্কৃতিক অনায়াসে প্ৰকাশ কৰিব পাৰিছিল, যি অসমীয়া ভাষাৰ মাজেদিয়েই মানৱ জীৱনৰ মধুময় ৰূপ আৰু প্ৰকৃতিৰ অৱৰ্ণনীয় সৌন্দৰ্যক বৰ্ণে গন্ধে লাৱণ্য মহিমাই ফুটাই মানৱ মনত ৰসৰ পূৰ্ণ সৃষ্টি কৰোৱাব পাৰিছিল। শংকৰৰ সেই অসমীয়া ভাষাকেই আমি আজি যদি বিকশিত কৰি শিল্পীৰ বিশ্বৰ হাঁহি তাত নিখুঁত ভাৱে প্ৰতিফলিত কৰিব পাৰোঁ তেন্তে অসমীয়া ভাষা সভাৰ সন্মানৰ আসনত বহিবগৈ যে পাৰিব ই মোৰ ধ্ৰুৱ বিশ্বাস।"-------।

জ্যোতিপ্ৰসাদৰ দৃঢ় বিশ্বাস আছিল শংকৰদেৱে দি যোৱা কলা সাহিত্যৰ যোগেদিয়েই ক্ষুদ্ৰ হলেও অসমীয়া জাতিটো— এখন সৰু হীৰাৰ দৰে পৃথিৱী লখিমীৰ মুকুটত জ্বলি থাকি জগতক পোহৰাব পাৰিম।

১৯৩৬ চনতে জ্যোতিপ্ৰসাদে শংকৰী সংগীতৰ নিজস্ব বৈশিষ্ট্যবোৰৰ প্ৰতি দৃষ্টিপাত কৰি ইয়াক ভাৰতীয় সংগীতৰ তৃতীয় এটা বিভাগ ৰূপে প্ৰতিষ্ঠা কৰাৰ যুক্তি প্ৰদৰ্শন কৰিছিল।

জ্যোতিপ্ৰসাদে কাণ পাতিলেই শুনিছিল— গাঁৱৰ নামঘৰত—

কোনে খোল বজাব
ভোৰতাল বজনজনাই।
তেওঁ চকু মেলিলেই এচাটি সোণালী পোহৰ দেখিছিল।
সোণৰ দেশৰ
মহাপুৰুষৰ
শংকৰ মাধৱৰ, সোণ মুনীয়া
সংস্কৃতিয় পোহৰ দিয়ে
এই পৃথিৱীত
সোণৰ জীৱনৰ........।

তেওঁৰ নাটকৰ চৰিত্ৰই,
গাইছিল "কৃষ্ণ" সংস্কৃতিৰেই—
"মোৰে জীৱনৰে সখা কৃষ্ণ তই
বজাব কি সুৰে বেণু"

বিষ্ণুপ্ৰসাদ ৰাভাৰ সমগ্ৰ ৰচনাৱলী আজিলৈকে প্ৰকাশিত হোৱা নাই। শেহতীয়াকৈ "বিষ্ণুৰাভা সোঁৱৰণী গৱেষণা সমিতিয়ে" বিষ্ণুৰাভাৰ ৰচনাৱলী নাম দি ৰাভাৰ ৰচনাৱলীৰ কিছু অংশ প্ৰকাশ কৰিছে। প্ৰকাশিত অংশৰ পৰাও ৰাভাৰ চিন্তাৰ মৌলিকতা আৰু সৃষ্টিৰ গভীৰতাৰ আভাস পাব পাৰি। তিনিকুৰি বছৰীয়া সংঘাট পূৰ্ণ আৰু বৰ্ণাঢ্য জীৱনত এই গৰাকী শিল্পী চিন্তানায়ক আৰু বিপ্লৱীৰ বক্তব্যত শংকৰদেৱৰ জীৱন আৰু অৱদান সম্পৰ্কে শ্ৰদ্ধা প্ৰকাশ পাইছে। এই ক্ষেত্ৰত ৰাভাক তেওঁৰ সমকালীন শিল্পী আৰু মনিষী জ্যোতি প্ৰসাদৰ সতীৰ্থ যেন লাগে।

লুইতৰ দুয়োপাৰৰ অসম প্ৰান্তৰ নিচেই সাধাৰণ মানুহক এদিন মহাপুৰুষ শংকৰদেৱে এখন শক্তিশালী সমাজৰ অংগীভূত কৰি



পৰম সংস্কৃতিবান জাতি হিচাপে গঢ়ি তুলিছিল। জ্যোতিপ্ৰসাদে বিষ্ণুৰাভা সেই ঐতিহ্যৰ প্ৰতি নিশ্চয় শ্ৰদ্ধাশালী অন্তিম শয্যাত পৰি থাকোতে ৰাভাই লিখা জীৱনৰ শেষ গীতটোত শংকৰদেৱৰ নাটৰ শেষ গীত।

কল্যাণ "খৰমানৰ" দৰেই তেওঁ নৰ নাট্য সামৰাৰ প্ৰাক মুহূৰ্তত লিখি থৈ গ'ল— এটা নতুন কল্যাণ খৰমান—

"এয়ে মোৰ শেষ গান
মোৰ জীৱন নাটৰ শেষ ৰাগিনী
কল্যাণ খৰমান।

ৰাভাই কেইখনমান নৃত্য-নাটিকাৰ 'সূত্ৰধাৰ' ব্যৱহাৰ কৰা "ক্ৰমে মোৰ শেষ গানত" কল্যাণ খৰমান নান্দী আদিৰ উল্লেখ কৰাৰ কাৰণ হ'ল নাটক বা গীতৰ এই পৰিচিত বিষয়বোৰৰ বা কৰ্মবোৰৰ যোগেদি বক্তব্য প্ৰকাশ কৰিলে এই অঞ্চলৰ সাধাৰণ মানুহেও সহজে বুজিব সেয়ে বোধ হয় ৰাভাই বৈষ্ণৱ সংস্কৃতিমূলক একোটা গীতত "শৰাই যতনে থাপনা পাতি" "ভকত বৃন্দ" প্ৰসাদ আদি চিত্ৰবোৰ ব্যৱহাৰ কৰিছিল।

শ্ৰীতিলক দাসৰ প্ৰবাদ পুৰুষ বিষ্ণুৰাভাৰ জীৱনালেখ্য 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি'ত ৰাভাৰ শিল্পী জীৱনত শংকৰদেৱৰ কিমান গভীৰ প্ৰভাৱ আছিল সেই বিষয়ে অনেক তথ্য দিছে। জীৱনৰ বিভিন্ন সময়ত ৰাভাই শংকৰদেৱৰ স্মৃতি আৰু ঐতিহ্য বিজড়িত থান সত্ৰ সমূহ বৰপেটাৰ পৰা কমলাবাৰীলৈ ভ্ৰমণ কৰিছিল আৰু নাট, গীত, নৃত্য আদিৰ বিষয়ে চৰ্চা আৰু আলোচনা কৰিছিল। ৰাভাই শংকৰদেৱৰ বিষয়ে এখন কথাছবি নিৰ্মাণ কৰাৰ আঁচনিও লৈছিল। শ্ৰীতিলক দাসে একেখন গ্ৰন্থতে উল্লেখ কৰিছে যে ৰাভাই "শংকৰী সংগীতৰ সংকলন" এটি কৰিছিল। ●

# কুইজ

● কোন বিখ্যাত লেখকৰ ছদ্ম নাম কুইজ?
উত্তৰঃ— ছাৰ্লছ।

২। অংক শাস্ত্ৰত ভাৰতৰ অন্যতম অৱদান কি?
উত্তৰঃ- শূন্য।

● আমাৰ ভাৰতৰ জাতীয় পতাকা পোন প্ৰথমবাৰ কোনে উত্তোলন কৰিছিল?
উত্তৰঃ- মেডাম কামাই

● কোন গছৰ শাখা শান্তিৰ প্ৰতীক।
উত্তৰঃ- অলিভ (জলফাই)।

● কুতুবমিনাৰৰ উচ্চতা কিমান?
উত্তৰঃ- ৭৩ মিটাৰ।

● পৃথিৱীৰ আটাইতকৈ দীঘল ঘাঁহ বিধৰ নাম কি।
উত্তৰঃ— বাঁহ।

● জিৰাফ আৰু মানুহৰ ডিঙিৰ সাদৃশ্য কি?
উত্তৰঃ- উভয়ৰে ডিঙি সাত টুকুৰা হাড়েৰে তৈয়াৰী।

সংগ্ৰাহিকা
সবিতা সিন্হা
উঃ মাঃ ২য় বৰ্ষ

● কোন গৰাকী বিখ্যাত চিত্ৰশিল্পীয়ে নিজৰ কাণ কাটিছিল?
উত্তৰঃ- ভেনগগ্।

● কি গছৰ কাঠেৰে উৎকৃষ্ট ক্ৰিকেট বেট বনোৱা হয়?
উত্তৰঃ- ইংলণ্ডত হোৱা উইলো গছৰ পৰা।

● কোন ক্ৰিকেটাৰে ভাৰত আৰু ইংলণ্ড দুই দেশৰে হৈ ক্ৰিকেট খেলিছিল?
উত্তৰঃ- ইফতিকাৰ আলিখান পাটৌদি।

● ভাৰতীয় হকিৰ যাদুকৰ কোন?
উত্তৰঃ- ধ্যানচাঁদ।

● মেট্ৰপলিটান ছিটি কাক বোলে?
উত্তৰঃ- ১০ লাখতকৈ বেচি জনসংখ্যা থকা চহৰক।

● কোন বিজ্ঞানীৰ মৃত্যুৰ ১৯৫ বছৰ পাঁচত তেওঁৰ শৱদেহ কবৰ দিয়া হয়?
উত্তৰঃ- গেলিলিও গেলিলিৰ।

● তৰল সোণ কোন পদাৰ্থক বোলা হয়?
উত্তৰঃ- পেট্ৰোলীয়াম।

● তেজত থকা ধাতু বিধ কি?
উত্তৰঃ- লো।

সংগ্ৰাহিকা
নাজনীন বেগম
উঃ মাঃ ২য় বৰ্ষ

# গ্রন্থাগাৰ সেৱা আৰু অসমৰ শিক্ষানুষ্ঠান

মিনু দেৱী
এম. এ. বি. লিব. এচ. চি

এটা সময় আছিল, যেতিয়া পুথিভঁৰালক এটা কিতাপ থোৱা গুদামঘৰ বুলি ধৰা হৈছিল, তেতিয়া পুথিভঁৰালীকো এজন কিতাপ বখীয়া বুলি ভবা হৈছিল। কিন্তু ১৯ শতিকা মানৱ পৰাহে " A library was also ragarded as" a building, room or set of rooms containing a collection of books for the use of the public or some portion on it or the members of a society পুথিভঁৰাল এক সাৰ্বজনীত অনুষ্ঠান; ই সকলো শ্ৰেণী মানুহৰ ভাবচিন্তা আদান-প্ৰদানৰ এক মাধ্যম। পুথিভঁৰালে এখন সমাজৰ এখন ৰাজ্যৰ আৰু এখন দেশৰ সাহিত্য, সংস্কৃতি আৰু সভ্যতাৰ নিদৰ্শন আৰু ভৱিষ্যতৰ পথ প্ৰদৰ্শক।

অসমৰ পুৰণি পুথিভঁৰাল আদিৰ বিষয়ে কোনো উপযুক্ত সমল এতিয়াও পোৱা নাই বুলি ক'ব পাৰি। ছপাশালে পুথি ছপোৱাৰ আগতে নিৰক্ষৰ সমাজৰ মাজতে মৌখিক ভাবে সাহিত্য ও সংস্কৃতি সংৰক্ষিত হৈছিল। সেইকালত পুথি-পাঁজি লিখা হৈছিল সাঁচিপাত, তালপাত বা তুৰ্ব্যাপত্ৰত। এইবোৰ সংগ্ৰহ কৰা, তৈয়াৰ কৰা কঠিন আছিল। এইবোৰ সংৰক্ষণ কৰি থ'ব লগা হৈছিল মঠ, মন্দিৰ বা কোনো কোনো পণ্ডিতৰ ঘৰত। কিন্তু সেই সময়ত নামঘৰত, পাঠক সকলৰ মুখত আয়তীসকলৰ নামগুণৰ মাজেৰে নিৰক্ষৰ বাইজে জ্ঞান আহৰণ কৰিছিল। একালৰ পৰা ইয়াক পুথিভঁৰালৰ প্ৰাচীন সংস্কৰন বুলিব পাৰি।

স্বাধীনতা লাভৰ পিছৰ পৰা অসমত গ্ৰন্থাগাৰ সেৱা আৰম্ভ হোৱা বুলি ক'ব পাৰি।

অসমৰ শিক্ষানুষ্ঠানসমূহৰ সেৱা উন্নয়নৰ ক্ষেত্ৰত বৰ হতাশজনক বুলি ক'ব পাৰি। ইয়াৰ গ্ৰন্থাগাৰ সেৱা নিচেই সীমিত আছিল। ইংৰাজী বিদ্যালয়ৰ পুথিভঁৰালৰ অৱস্থা ধাৰণাৰ আগোচৰ। উচ্চ-উচ্চতৰ স্কুলসমূহৰ গ্ৰন্থাগাৰ সেৱা অতি পুতৌ লাগ বিধৰ। কোনো উচ্চ উচ্চতৰ মাধ্যমিক স্কুলত পুথিভঁৰালৰ ব্যৱস্থা আছে যদিও তাত উপযুক্ত পুথিভঁৰালীৰ অভাৱত বিজ্ঞান সন্মত কোনো ব্যৱস্থা কৰা হোৱা নাই। মহাবিদ্যালয় এখনত গ্ৰন্থাগাৰ এটা অপৰিহাৰ্য্য অঙ্গ। গ্ৰন্থাগাৰ নহ'লে এখন মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থা অসম্পূৰ্ণ হৈ ৰয়। কিন্তু এই গ্ৰন্থাগাৰসমূহ বিজ্ঞান সন্মততো নহয়েই তদুপৰি পূৰ্ণ বিকশিতও নহয়, কম সংখ্যক পুথিভঁৰালেহে আধুনিক ধাৰাৰে সৈতে কিছু পৰিমাণে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সুবিধা পাইছে। বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ সৈতে সঙ্গতি ৰাখি আগবঢ়াই নিয়াৰ চেষ্টা কৰা হৈছে যদিও তাক সম্পূৰ্ণৰূপে ৰক্ষা কৰিব পৰা নাই বুলি ক'ব পাৰি। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত প্ৰবৰ্ত্তিত অ'পাৰেচন ব্লেকবোৰ্ড আঁচনি অনুসৰি কিতাপ যোগান ধৰাৰ পৰিকল্পনা বাস্তৱত ৰূপায়িত নহ'ল। মাধ্যমিক শিক্ষা আয়োগে (১৯৫২-৫৩) ৰ প্ৰতিবেদনত উল্লেখ কৰা পুতৌলগা অৱস্থা অসমৰ বিদ্যালয় গ্ৰন্থাগাৰ সেৱাৰ ক্ষেত্ৰত প্ৰযোজ্য। পুথিভঁৰাল অবিহনে কোনো শিক্ষানুষ্ঠান নহয় বুলিব পাৰি। গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৬৬ চনত গ্ৰন্থাগাৰ বিজ্ঞান আৰম্ভ হোৱাৰ পৰাহে অসমত আধুনিক বিজ্ঞানসন্মত গ্ৰন্থাগাৰ সেৱাৰ যুগ আৰম্ভ হয় বুলি ক'ব পাৰি। অসমৰ শিক্ষানুষ্ঠানসমূহ এনেধৰণৰ— মাধ্যমিক বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় দুখন, অভিযান্ত্ৰিক মহাবিদ্যালয় তিনিখন কৃষি বিশ্ববিদ্যালয়





এখন, পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, চিকিৎসা বিজ্ঞান মহাবিদ্যালয় তিনিখন মাধ্যমিক, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালখসমূহৰ বাহিৰে বাকীসমূহত গ্ৰন্থাগাৰ সেৱা কিছুপৰিমাণে গা-কৰি উঠিছে আৰু বিজ্ঞান সন্মত পদ্ধতি কিছু পৰিমানে চলিছে। গ্ৰন্থাগাৰৰ বিশেষকৈ আৱশ্যকতা উপলব্ধি কৰি U.G.C. য়ে বলিষ্ঠ পদক্ষেপ লোৱা দেখা গৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগে অষ্টম পৰিকল্পনাৰ কালচোৱাত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় গ্ৰন্থাগাৰসমূহৰ বাবে উদাৰ নীতি অনুদান আগবঢ়াইছে যদিও ই যথেষ্ট নহয়। তথাপিও এই ধন আমাৰ মহাবিদ্যালয়সমূহত গ্ৰহণ কৰিব পাৰিলে যথেষ্ট উপকৃত হ'ব। অসমৰ শিক্ষানুষ্ঠানৰ গ্ৰন্থাগাৰৰ বাবে পুঁজিৰ পৰিমাণ তেনেই কম। কিয়নো ৰাজ্য চৰকাৰে সম্প্ৰতি গ্ৰন্থাগাৰৰ বাবে নিয়মিত বাৰ্ষিক অনুদান দিয়াৰ ব্যৱস্থা নাই। সময়ে সময়ে দিয়া অনুদান অতি নগন্য। পুঁজিৰ একমাত্ৰ সম্বল ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা নিৰ্দ্ধাৰিত পৰিমানৰ গ্ৰন্থাগাৰৰ মাচুল। তেনে সীমিত পৰিস্থিতিয়ে কোনো গ্ৰন্থাগাৰৰ অভাৱ দূৰ কৰিব নোৱাৰে। অসমৰ মহাবিদ্যালয়সমূহৰ প্ৰায়বোৰতে এতিয়াও বৰ্গীকৰণ পদ্ধতি "গ্ৰন্থসূচী" প্ৰনয়ণ পদ্ধতি প্ৰয়োগ কৰিব পৰা নাই উপযুক্ত আহিলাৰ অভাৱত। কোনো কোনো মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত অৱশ্যে এই পদ্ধতি প্ৰচলন কৰা হৈছে। বিশ্ববিদ্যালয় কেইখনে এই পদ্ধতি প্ৰচলন কৰিছে। আধুনিক তথ্য বিজ্ঞানৰ ক্ষেত্ৰ অতি প্ৰয়োজনীয়। এই ব্যৱস্থাই পুথিভঁৰালৰ ক্ষেত্ৰত এক বলিষ্ঠ ভূমিকা ল'ব পাৰে।

অসমৰ ছেকেণ্ডাৰী আৰু মাধ্যমিক স্কুল বিলাকৰ পুথিভঁৰালসমূহত এতিয়াও প্ৰশিক্ষণ প্ৰাপ্ত পুথিভঁৰালীৰ অভাৱ। একোজন শিক্ষকক এই ভাৰ দি থৈ দিয়া হয়। কলেজ পুথিভঁৰালসমূহতো প্ৰায়েই এজনেহে প্ৰশিক্ষণপ্ৰাপ্ত পুথিভঁৰালী থাকে ফলত বহুসংখ্যক ছাত্ৰ-ছাত্ৰী শিক্ষক আৰু গৱেষকক সহায় কৰা আৰু লগতে প্ৰশাসনীয় কাম কাজত অসুবিধা আহি পৰা দেখা যায়। বিশ্ববিদ্যালয়সমূহত পুথিভঁৰাল সেৱা আৰু তথ্য সেৱা যোগান ব্যৱস্থাৰ বাবে মানৱ শক্তিৰ প্ৰয়োজন আহি পৰিছে। অৱশ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল বিজ্ঞান বিভাগ আৰম্ভ হোৱাৰ পৰা এইক্ষেত্ৰত সহায় হৈছে যদিও তেনে ধৰণৰ কোনো অনুশীলন কৰা নাই।

অসমৰ শিক্ষানুষ্ঠানসমূহৰ গ্ৰন্থাগাৰৰ উন্নতিৰ অৰ্থে আমি গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি উপযুক্ত সমস্যাৱলী সমাধান কৰিবলৈ আগবাঢ়ি আহিব লাগিব। গ্ৰন্থাগাৰসমূহৰ নিৰীক্ষণৰ ব্যৱস্থাৰ মাধ্যমেৰে গ্ৰন্থাগাৰসমূহৰ পৰা ছাত্ৰ-ছাত্ৰী আৰু সমাজ উপকৃত হয়। মহাবিদ্যালয় আৰু বিদ্যালয় পৰ্য্যায়ত গ্ৰন্থাগাৰৰ উন্নতি নোহোৱা বুলি ক'ব নোৱাৰি। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰীসকলৰ আগ্ৰহ অতি প্ৰয়োজনীয়।

নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ পৰামৰ্শ অসমৰ গ্ৰন্থাগাৰসমূহত প্ৰচলিত হ'লে, শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু গ্ৰন্থাগাৰ কৰ্মচাৰীৰ সহযোগীতা আৰু সমন্বয়ৰ এক মধুৰ পৰিবেশ সৃষ্টিৰ লগতে গ্ৰন্থাগাৰ সেৱাৰ উন্নতি হ'ব বুলি আশা কৰিব পাৰি। গ্ৰন্থাগাৰ হ'ল প্ৰতিজন নাগৰিকৰ জ্ঞানৰ পোহৰ আৰু শক্তি বিলোৱাৰ প্ৰধান কেন্দ্ৰ। এই কেন্দ্ৰৰ উন্নতিকল্পে চৰকাৰৰ লগত ৰাইজৰ সহযোগীতা অতি প্ৰয়োজন— Library is a collection of books or documents for effective use by the actual and patential reader.●

## কুইজ

● ভাৰতৰ প্ৰথম মহিলা ক্ৰিকেট আম্পায়াৰ কোন ?
উত্তৰঃ— অঞ্জলি ৰাজাগোপাল।

● প্ৰথম হিমালয় বগোৱা অসমীয়া পৰ্বতাৰোহী দুজন কোন ?
উত্তৰঃ— ১। ৰোহিনী কুমাৰ ভূঞা।
২। খগেন্দ্ৰ নাথ বৰা।

● বিশ্বৰ আটাইতকৈ ডাঙৰ চিৰিয়াখানা কোনখন ?
উত্তৰঃ— এটোছা বিজাৰ্ভ।

● চুৱেজ খাল কোনে কেতিয়া মুকলি কৰে ?
উত্তৰঃ— ফ্ৰান্সৰ সাম্ৰাজ্ঞী ইউজিনে, ১৮৬৯ চনত।

● কোন ৰাজ্যত (ভাৰতৰ) জনসংখ্যা বেছি ?
উত্তৰঃ- উত্তৰ প্ৰদেশত।

● বিশ্বৰ প্ৰথম চিলাৰ (Kite) সংগ্ৰহালয়টো ক'ত অৱস্থিত আৰু ইয়াৰ প্ৰতিষ্ঠাপক কোন ?
উত্তৰঃ- ভাৰতৰ আহমেদাবাদত। ভানু সিং।

● অৰ্থশাস্ত্ৰৰ ইংৰজী অনুবাদ কেতিয়া প্ৰকাশ হয় ?
উত্তৰঃ- ১৯১৫ চনত।

● ভাৰতৰ আটাইতকৈ কম বয়সীয়া ব্লেক বেল্ট কেৰেটিয়ান কোন ?
উত্তৰঃ- নবোল নাৰী-মেন।

সংগ্ৰাহিকা
ৰবিতা বৰবৰা
স্নাতক ২য় বৰ্ষ

# কবিতাৰ কুঁকি

কবিতা হ'ল কবিৰ নিজস্ব ভাব-বিন্যাস শব্দ ব্যঞ্জনা আৰু ভাষাৰ লালিত্যৰে প্ৰকাশিত এক বাঙ্ময় চিত্ৰ। এই চিত্ৰত অংকিত আক্ষৰিক চিহ্নই কবিৰ মনৰ সত্তাক মূৰ্ত্তিমান কৰি তোলে। কবিয়ে শব্দৰ যাদু ব্যঞ্জনাৰে কবিতাক বৰ্ণ, গন্ধ আদি দিয়াৰ লগতে কবিতাক কৰি তোলে ৰহস্যময়। কবিতাৰ স্তৰে স্তৰে। কবিৰ ব্যক্তিগত চেতন অবচেতন মনৰ বৰ্ণাঢ্য সময়ৰ মানসিকতা আৰু এটা জাতিৰ সামাজিক পটভূমি নিহিত হৈ থাকে। এটা কবিতাৰ শব্দৰ প্ৰকাশে পাঠকৰ হৃদয়ত তীব্ৰ স্পন্দন আনি দিব পাৰে। কেৱল কঠিন শব্দৰ ঝংকাৰেই কবিতা নহয়, এটা কবিতাক শব্দ, গন্ধ, ৰূপ আদিৰ সুন্দৰ সংমিশ্ৰনেৰে ৰহস্যময় কৰি তুলিব পাৰি আৰু এনে এটি কবিতাইহে পাঠকক আনি দিয়ে এক অনন্য স্বাদ, এক আবেগিক অনুভূতিৰ অনাবিল আনন্দ।



## দুখৰ দিনৰ সপোন

শ্ৰীসুভাষচন্দ্ৰ বৰ্ম্মন
স্নাতক তৃতীয় বাৰ্ষিক

মোৰ নিদ্ৰাসক্ত চকুৰ পতাত বহিব পৰাকৈ
সদায় পলৰীয়া সপোনে ভীৰ কৰে,
সপোনৰ লগত মোৰ দুখবোৰে আপোনৰ দৰে
সদায় বিধ্বস্ত জীৱনৰ কথাকে পাতে।



মানুহেই হয় আজি মানুহৰ বৈৰী পৰম
অচিনা বিষাক্তত অৱৰুদ্ধ মন বিষম।
অজগৰ সন্ধ্যাত উপদংশী অনাচাৰৰ মুক্ত বেহা,
বাইবেল গীতা কোৰাণৰ কোমল কলিজাত
বামাচাৰী সাধনাৰ ব্যায়াম অসংখ্য,
যীশু কৃষ্ণ মহম্মদ দিপাৱলী ৰাতিৰ অভ্ৰভেদী আকাশ-বন্তি।
ঠিক দুখৰ ৰাতিৰ সপোনবোৰ যেন
তুমবলি হোৱা তেজফুলৰ মজিয়া বিশাল।

পলৰীয়া সপোনৰ ভিতৰে বাহিৰে প্ৰমদা নিদ্ৰা অচেতন
মোৰ পদূলিৰ পৰা শোৱনি কোঠালীলৈ ফুলৰ দলিচা পৰা;

আস উপতাপ! মোৰ সপোনবোৰ বাৰবনিতাৰ দৰেই
ৰাতি হ'লেই ন-কইনাৰ কামাতুৰা ঢং
পুৱালেই বিধৱাৰ শেতা পৰা ৰং।

সেউজ সপোনবোৰ যে কেতিয়া হালধীয়া হয়গৈ!
সপোনৰ উপত্যকাত মই পীত জণ্ডিচ ৰোগী নিঃসংগ!
নিঃসংগতাৰ বিকট চিএৰত আস্পদ হৈ ৰয়
কুকুৰাৰ ডাক আৰু অপবৰ্গ সপোনৰ আঠটা মুহূৰ্ত্ত।





## বেদনাৰ সুৰ

বেদাউল খান (কনু)
স্নাতক ২য় বৰ্ষ

কিমান দিব পাৰা দিয়া, বিদ্ৰূপ কটাক্ষ বাণ
বিদীৰ্ণ হওক মোৰ হিয়া, নেভাবি নীৰৱে সহিম।
যিমানে ঢালিবা হলাহল, অবাধে চুহিম
জিনিব জিনক দেহ দহনে অনল।
দিয়া তিক্ত ব্যথা ৰিক্ত হয়ত একোৱে নহয়
পোৰে পোৰক মোক মৰুভূমি কৰি ক্ষয়।
বেদনাৰ বোজা যিমান দিয়া, লম কঢ়িয়াই
লঘু হওক তোমাৰ হৃদয় শান্তিতে জিৰাই।

কিয় মোক দেখুৱালা তোমাৰ বিমল জোতি
কিয়বা হ'লোঁ বলিয়া মই কিবা দিলা প্ৰীতি।
কিয় দিলা তুমি অমৃত সুধা প্ৰথম পুৱাত
কিয়বা ভাহি-লৈ যোৱা কৰুণ কৃষ্ণ সাগৰত।
ডুবোৱা যদি ডুবিম তোমাৰ শৰ শয্যাত
চিৰ উলাহ কৰি উছৰ্গা তোমাৰ বুকুত।
মাৰা শৰ ওলাওক তেজ সহিম সকলো যাতনা
সুখে থাকা দুখ নিদিওঁ পূৰ্ণ হক তোমাৰ বাসনা।

সুৰৰ বীনা বাজিছিল ঝঙ্কাৰি তোমাৰ পদূলিত
বাজি উঠি ক্ষান্ত হ'ল নিঃসহায় নিথৰ বীনাত।
কি যে ভাবাক্ৰান্ত সুৰৰ তান নুঠিল উঠিলি
উদ্বেলিত সুৰৰ ঢৌ থমকি ৰ'ল নুঠিল উছলি।
তোমাৰ লাহী হাতৰ পৰশ নাপাই মোৰ হৃদয় বীনাই
সুৰৰ লয় সুৰৰ মিল তাঁৰতে ৰ'ল ক্ষীণাই।
ছিঙি দিয়া তাঁৰ নাগায় গান গীতৰ লহৰী লৈ
অব্যক্ত সুৰ মোৰ লীন হওক থাকো আনন্দতে ৰৈ।
ভাবিছিলোঁ পাম আকোৱালি লম দিবা সান্ত্বনা
পূৰ্ণ হ'ব বাসনা ভাবিছিলোঁ অলীক কল্পনা।
এদিন তোমাৰ বিষাক্ত শৰ সকলো হ'ব শেষ
সিচিব নাপাবা বাণ পুৰিবলৈ মনৰ অভিলাষ।
যিদিনা গুছিব ভ্ৰম তোমাৰ মনৰ কুটিলতা
যিদিনা অজাচিত প্ৰেম লবলৈ আপুনি খুজিব
যেতিয়া অব্যক্ত বেদনাই মোক কৰিব দহন
তেতিয়া হ'বা তুমি অতিশয় আপোন।



দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী

## সিহঁতক ঘূৰাই পঠোৱা

মালামনি হাজৰিকা
স্নাতক ১ম বৰ্ষ



সকলো শিশুক মাতৃ গৰ্ভলৈ
ঘূৰাই পথোৱা।
গৰ্ভৰ সতে সিহঁতৰ নিবিড় সম্পৰ্কৰ মায়াত
শান্তিৰ শয্যাত সিহঁত থাকক।
পৃথিৱীত এতিয়া বাৰুদৰ গোন্ধ
ৰাজপথত তেজৰ ছেকুৰা।

শুনিব নালাগে সিহঁতে বুটজোতাৰ
গিৰিপ গিৰিপ শব্দ,
নালাগে দেখিব ছিন্ন ভিন্ন হৈ থকা
লানি নিছিগা নৰকংকালৰ শাৰী।
সকলো যুক্তি, সকলো সংঘাটৰ উৰ্দ্ধত
সিহঁতক মাতৃ গৰ্ভতে থাকিবলৈ দিয়া;
বাৰুদৰ ধোঁৱাৰে সিহঁতৰ কলিজা
ক'লা পৰিবলৈ নিদিবা।

যেতিয়া পৃথিৱীলৈ শান্তি আহিব,
যেতিয়া মানুহ জীৱশ্ৰেষ্ঠ হ'ব,
মানৱতা যেতিয়া যুক্তিৰ উৰ্দ্ধত থাকিব,
তেতিয়াহে আমি সিহঁতক
আদৰি আনিম।

## কবিতা

চৈয়দ মিনাকল হক
স্নাতক দ্বিতীয় বাৰ্ষ

হৃদয় ফল্গুত
(নিৰলে বয়)
এমুঠি অনুভূতি
ইমান সতেজ!

মেঘনা
কল্লোল
সান্নিধ্যত এখন সাগৰ,
অনুকম্পাত
শুকান জাঁজি
নিৰস বালি।
লহিওৱা বেলিটি
উৰিযোৱা ৰাজহাঁহ জাক
প্ৰতিশ্ৰুতিৰ
একেই ফল্গু
তাড়নাত
আকুণ্ঠ প্ৰত্যয়
এটি কবিতা (হৃদয়, মেঘনা, অনুভূতি........)।

(মহাবিদ্যালয় সপ্তাহত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত।)



## দেশ আৰু বিদেশ

শ্ৰীগনেশ শইকীয়া
স্নাতক ৩য় বৰ্ষ

সংগ্ৰামী জীৱন মানে সৰগীয় আত্মাৰ জিলিঙনি
ক'ত মোৰ জীৱন, ক'ত মোৰ সংগী!

দেশ আৰু বিদেশৰ আত্মাৰ সহযাত্ৰা
কেতিয়া ক'ত কোনে অংকন কৰিলে
খড়াল দেহৰ ৰঙা চকুজোৰ
মাটি আৰু মানুহৰ প্ৰেমতেই
মই আৰু তুমি বন্দী।

দেশ আৰু বিদেশৰ অশৰীৰি আত্মাৰ ক্ৰন্দন
জীৱন মানে তোমাৰ মোৰ
সপোন সপোন লগা কথাবোৰ।
কেতিয়া বুজিবা সংগী (?)

জীৱনৰ বুজা-বুজিবোৰ
কেতিয়া তাৰ লগ কৰিবা কৈ যোৱা

এতিয়া নদীখন উভতি বৈছে
হটঙা নদীখনে মানুহৰ কলিজা
দপ দপাই ভাঙি নিব পাৰে
তুমি শুনিছানেকি কেতিয়াবা
ঔ গুৱীৰ হৃদয় ভঙা গীতবোৰ
নুশুনিবা ............./
হৃদয়ৰ তেজ গোটাহৈ যাব।







## সম্প্ৰীতিৰ গছজোপা

দিব্যজ্যোতি শৰ্ম্মা পূজাৰী।
স্নাতক ২য় বৰ্ষ।

মোৰ বুকুখন ফুটা হৈ সকলো ওলাই গৈছে
মোৰ মানৱতা, নৈতিকতা, ভালপোৱা
আৰু
তোমাৰ প্ৰতি থকা কিবাকিবিবোৰ...../
বুকুত আলফুলে কই থোৱা
সম্প্ৰীতিৰ গছজোপাৰ ডাল পাত
সিহঁতে ভাঙি গছকি যোৱাৰ পাছত
সাম্প্ৰদায়িকতাৰ নামত ভাতৃৰ তেজ আনি
মোৰ গাত সানি যোৱাৰ পাছত
মই আৰু মই হৈ থকা নাই।
মোৰ বুকুখন খালী হৈ গ'ল
এটা দ গাত মাথো তাত।
এতিয়াতো তাত একোৱেই নাই
মাত্ৰ এটা তেজৰঙা দগমগীয়া ঘাঁ!
তেজৰ লুনীয়া পুখুৰটোত লুতুৰী পুতুৰী হৈ
এতিয়াও জীয়াই আছে সম্প্ৰীতিৰ গছজোপা
মোৰ বুকুৰ মাজত।
আৰু — ?
মই সাৰে আছোঁ প্ৰতিটো ক্ষণতেই
অতন্দ্ৰ প্ৰহৰীৰ দৰে।
কপৌজনীৰ ভঙা পাখিত ভৰ দি
সাৰটি আছোঁ গছজোপাৰ গুৰি।
(মহাবিদ্যালয় সপ্তাহত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত।)





## জীৱন বাটত

শ্ৰীমামনি সিংহ
স্নাতক ২য় বৰ্ষ

মোৰ মৃত্যু হৈছিল
এইবাবেই নহয় যে
তোমালোকে ভেকো-ভাওনা পাতিবা।
বছৰেকৰ মূৰত উজ্জ্বল পাতবোৰ
চতিয়াই স্মৰণ কৰিবা—
সেয়া এক মূমূৰ্ষ সময়ৰ
যোগাত্মক চোকা অস্ত্ৰৰ বাদে
আৰুনো কি?
মোৰ মৃত্যু হৈছিল
এইবাবেই নহয় যে
আমি সহনশীল।
চকুপানীবোৰক ভেটা দিবলৈ
বালি-মাটিৰে পাৰ বান্ধিলা
তোমালোকেই!
কিন্তু!!

## অনন্ত ইতিহাস

বিনোদ কটকী
উঃ মাঃ দ্বিতীয় বৰ্ষ

বুকুৰ তেজেৰে লিখিছোঁ মই
এখনি সোনালী ইতিহাস।
নি:স্বজনৰ সচা বেদনা
দিনৰ পিছত ৰাতি উজাগৰে কটোৱা।
একনায়কত্ববাদৰ চৰম লাঞ্চনাত
ভাৰবৈ মৰা মোৰ আইৰ প্ৰহৰীবোৰৰ।
কৰুণ কাহিনীৰে পূৰ মোৰ ইতিহাস
মোৰ ইতিহাসত নগ্নতাৰ ছবি।
ধৰ্ষণত পতিতা গাভৰুৰ দেহ,
বুলেটে বিন্ধা আত্মাৰ নতঠা কান্দোন
ৰক্তলেখা বাণী বন্ধনেৰে বন্ধা কলেৱৰ
এই ইতিহাস যুগজয়ী
অনন্ত ইতিহাস।



# তোমাৰ বাবে

শ্ৰীপিংকালী তামুলী
স্নাতক ১ম বৰ্ষ

তোমাৰ প্ৰেমৰ সুবাস বিচাৰি থাকোতেই
ঋতুবোৰ মোৰ দেহ গৰকি নিজবাটে গুছি গ'ল
গমকে নাপালো মই,
গম নাপালোঁ মই কি হ'ল পৃথিৱীৰ
আকাশৰ,
ফুলনিৰ,
স্বপ্নৰ।
বন্দী বিহংগৰ দৰে মাথো বৈ গলোঁ মই
তোমাৰ সুবাস ভৰা এই নিৰ্জন দ্বীপত
বান্ধনী বেলিৰ পোহৰত
জিলিকি লুকাই পৰা
অকলশৰীয়া ছাঁয়া এটা হৈ
বৈ গলোঁ মই।
বুকুৰ কেঁচা ঘাঁ টুকুৰাই কৰ্কট ৰোগবদৰে
অন্ধকাৰলে মোক নমাই নিছে,
নাজানো, মই মৃত নে অৱচেতন
কান্দিছোনে অভিশাপ উচ্চাৰণ কৰিছোঁ
তথাপিতো খেপিয়াই ফুৰিছোঁ
মোক লাগে সেই খন বুকুৰ তেজ
যি জানে, পৃথিৱীত সত্য মাথো প্ৰেম
যি কান্দিব জানে, মাতাল হ'ব জানে
প্ৰেমৰ বাবে
সেইখন হৃদয় মুক্ত কৰি আনিম
মোৰ বাবে
মই কি কৰিছোঁ নিজেই নাজানো
হাতত আৰু কি বাকী আছে?
কাতৰ যন্ত্ৰনাই মোক কৈ নিদিলে
ক'ত হেৰাল মোৰ সঞ্চিত স্বপ্ন
মই আকাশখন দুফাল কৰি চাম
সকলো ফুল ভাঙি-ছিঙি চাম
প্ৰতিখন বুকুতে উমান লম
ক'ত আছে মোৰ হেৰোৱা প্ৰেমৰ কলিজা।





# দুঃসময়

তপন কুমাৰ হাজৰিকা
স্নাতক ৩য় বাৰ্ষিক

মানুহৰ সৰ্ব্বশেষ উপাস্য দেৱতাজন
হয়তো এতিয়া বন্দী;
পাতাল ভৈৰবীৰ
তেজাল বগুৰা ঘোঁৰা চেকুৰাৰ শব্দ।
ধূলিবোৰ উৰি উৰি ধোঁৱা হৈছে
ধোঁৱাবোৰ ডাৱৰ;
মধ্যাহ্ন আকাশ তমসাছন্ন।
শিলা বৃষ্টি হৈছে
বজ্ৰপাত পৰিছে
কাণ তালমৰা শব্দত
ধুমুহাৰ হো হোঁৱনিত
ৰাজপথৰ দাঁতিৰ সৰু সৰু
শিলগুটি হৈ মানুহবোৰ
ভয়ত কুছি-মুছি জুপুকা মাৰিছে।
ঘন অৰণ্যৰ তন্দ্ৰা ভাঙি
তলসৰা শুকান পাতৰ ওপৰেদি
সাৰিসৃপবোৰ বগাই ফুৰিছে;
আৰণ্যক নিবিড় নিস্তব্ধতা
হিংস্ৰ জন্তুৰ গোজৰণিত বিধ্বস্ত
মানুহৰ সৰ্বশেষ উপাস্য দেৱতাজন
হয়তো এতিয়া বন্দী;
তেজাল বগুৰা ঘোঁৰা চেকুৰাৰ শব্দ।
বুকু কপোঁৱা ধুমুহাৰ হো-হোৱনিৰ শব্দ।
চকু চাতমৰা বিজুলীৰ
কাণ তালমৰা ঢেৰেকনিৰ শব্দ
মধ্যাহ্ন আকাশ তমসাছন্ন।

(মহাবিদ্যালয় সপ্তাহত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত।)







# উলংগতাৰ তৃপ্তি

শ্ৰীপুলেন্দ্ৰ বৰ্মন
স্নাতক তৃতীয় বৰ্ষ



আমি যিমানেই আগুৱাই যাওঁ সিহঁত সিমানে আমাৰপৰা আঁতৰি যায়। নিবস্ত্ৰ চাৰিটা উলংগ মানুহ। 'মনোজৰ' মনে মনে হাঁহি উঠি গ'ল।

চাহ একাপ লৈ প্ৰণতি সোমাই আহিল। 'তই হ'বলা অকলে অকলে নাটকৰ বিহাৰচেল আৰম্ভ কৰিছ। নাট কৰি ভাল লাগে নহয় ? আমাকো অভিনয় নিশিকাৱ কিয় '?

—বুজিছা বাইদেউ, আজি আমি— আজি আমি এটা কাম কৰিলোঁ। তুমি শুনা নাই ?

—অ শুনিছোঁ। নীলাচলৰ ওপৰত শেন- শগুণৰ জাক দেখি তইঁতে পাহাৰৰ দাঁতিত বৈ ভুকুছিলি, নহয় জানো ?

— নহয় অ'— আমি লুইতৰ বুকুত এদল শিয়াল, কুকুৰৰ এটা 'শ'ৰ বাবে লগা টনা-আজোৰা এখন দেখিলোঁ।

— অ, তাৰ পিছত।

— পিছত আমি দেখিলোঁ এটা মঙহাল চকু ওলোমা কুকুৰৰ উৎপাত ক্ৰমে ক্ৰমে বাঢ়ি গৈছে। কুৰটোক এছাট দিবলৈ আমি হাতত টাঙোন ল'লোঁ। কি আচৰিত! আমি আগবাঢ়ি যোৱা দেখি প্ৰকাণ্ড প্ৰকাণ্ড কেটোমানে আমাক বাধা দিলে; কুকুৰটো মাৰিবলৈ নহ'ল।

সেই দিন ধৰি কুকুৰটো সকলোৱে দেখিছে। আমিও দেখিছোঁ।

.....মনোজে হাত দুখন ওপৰলৈ তুলি থিয় দি ৰ'ল। এপদ এপদকৈ তাৰ গাৰ কাপোৰবোৰ অজানিতে খুলি খুলি পৰিল। এটা সময়ত সি সম্পূৰ্ণ উলংগ হৈ পৰিল। মঞ্চত তেতিয়া ক্ষীণ পোহৰ।

দৰ্শকৰ হাত চাপৰি। হেজাৰ হেজাৰ দৰ্শকৰ নাট উপভোগৰ তৃপ্তি। দৰ্শকৰ মনত এজন উলংগ অভিনেতাৰ শ্ৰেষ্ঠ নাট প্ৰদৰ্শনৰ প্ৰভাৱে গভীৰ দাগ বহুৱালে।

মনোহৰ : ভয়ংকৰ এক সশস্ত্ৰবাহিনীৰ মতে উলংগ মনোজৰ বিদ্ৰোহ জয় নে পৰাজয়ৰ উকভঙ্গন।

জীৱকা : আৰু তুমি ? তেনে এক বাহিনীৰ সেনাপতিটো হৈ কি কৰিলা। নেজ পেলোৱা শিয়ালৰ সাহস প্ৰদৰ্শনেৰে তুমি আমাক ধিক্কাৰ দিয়ালা। বুজিছা।

অন্য এক দৃশ্যত মনোহৰ আৰু জীৱকান্তৰ অভিনয় হৈছিল দৰ্শকৰ প্ৰসংশাৰ পাত্ৰ। সাহিত্যত এক নতুন ধাৰা। এক নতুন সংবাদ। গণচিত্ৰ আকৰ্ষণৰ যোগেদি সমাজৰ শেন শক্তিৰ বিৰুদ্ধে জেহাদ ঘোষণা। আকাশৰ চন্দ্ৰটোক ভুকাৰ লেখীয়া হয় জানো ? নহয়। ইয়াৰ এক বাস্তৱ সত্য আছে।

কেতিয়াবা সময় পালে মনোজে নিজে অভিনয় কৰা নাটৰ কথা, স্বৰচিত কবিতা, গল্পৰ কথা কয়। শুনিবলৈ মনোজৰ প্ৰণতিৰ দৰে বুৰঞ্জী বিষয়ত এম, এ, পাছ কৰা বাইদেৱেক আছে। সি কথকী মানুহ। ঘৰখনত দাদায়েক, বৌয়েক মিলি চাৰিটাকৈ তাৰ শ্ৰোতা আছে। সি অভিনয় কৰি কৰি কৈ যায়। শ্ৰোতা সকলে থৰ লাগি শুনি যায়।

হঠাৎ যেন মনোজৰ মনত পৰিল প্ৰণতিৰ সতে সি কথা পাতি থাকিলেতো নহ'ব। আজি তিনিদিন একেৰাহে বৰষুণ।





তাৰ কাম আছে। কেমেৰাটো লৈ সি ওলাল।

চান্দমাৰীৰ নতুন নতুন লগা উৰণীয়া দলংখনত সি উঠিলগৈ। আগফালৰ কেকুৰিটো ঘূৰি সি পুলিছ ছিগ্‌নেলৰ ওচৰেদি পাৰ হ'ল। আগুৱালে।

সেয়া গাড়ীৰ চকাই পানী দুফাল কৰিব লাগিছে। খোজকাঢ়ি যোৱা সম্ভৱ নহ'ব। সি দুটামান, স্নেপ ক্লিক কৰিলে। মনটো বেয়া লগা নাই। এইমাত্ৰ দিব গৈ পাৰিলে দুটামান পইছা হ'ব। পানীখিনি পাৰ হ'বলৈ দুটামান Stopage সি গাড়ীত উঠিল।

ডাঙৰ ডিমৰু গছজোপাৰ ওচৰত সি গাড়ীৰ পৰা নামিল। কিবা এটা বেয়ানত তাৰ নাকটো কোঁচ খাই গ'ল। তাৰ ওচৰেদি দুটা মান মানুহ নাকে মুখে ৰুমাল হেচি ধৰি দৌৰি যোৱাদি গৈছে। ইফালে সিফালে সি চালে।

অ'তো। গাড়ীৰ খুণ্ডাত মৰি পৰি থকা এটা গৰু পোৱালী। সি দুদিনমান এই ফালে অহাই নাই নেকি? মনতে এবাৰ দুটা মান দিন পিছুৱাই চিন্তা কৰিলে। সি ওলাইছে; কিন্তু এইকেইদিন পল্টন বজাৰ হৈ সি প্ৰেছলৈ আহিছে। তাৰ মনত পৰিল দৈত্যাকায় চাহপাত কঢ়িওৱা গাড়ী এখন ৰাষ্টাৰ মাজতে যে লুটি খাই পৰিছিল। পিছে পিছে আহি থকা সৰু সুৰা দুখনমানেও ইখনে সিখনৰ ওপৰত উঠি কচৰৎ কৰিছিল। খোজ কাঢ়ি গৈ থকা দুজনমান গাড়ীৰ চেপাত মৰিল। সিদিনাই প্ৰণতিৰ বিশ্ববিদ্যালয়ৰ বান্ধৱী গৌৰীৰ মৃত্যু হৈছিল। তাৰ মনটো সেমেকি উঠিল। "শ" টোত ভেনামাখিও সুস্থিৰে পৰি থাকিবপৰা নাই। এই পৰে এই উৰে। ব্যস্ত নগৰীত বিভিন্ন প্ৰয়োজনত গাড়ীবোৰ দৌৰি আছে। ভেনামাখিৰ অসুবিধালৈ চকু দিব কোনে?

----চট্ কৰিলে।

আকৌ খোজ। আমজোপাৰ ওচৰেদি পাকটো ঘূৰি সি দীঘল পুখুৰীটোৰ পাৰেদি খোজ ল'লে। পদপথত কেবাটাও টোপোলা সদৃশ মানুহ। বৰষুণত তিতি-বুৰি আৰামত শুই আছে। একোৱেই যেনিবা সিহঁতক আমনি দিবপৰা নাই। এনেতে মনোজৰ হাতৰ ছাতিটো এপাক ঘূৰি উঠিল। অজানিতে মনোজৰ চকুদুটা সুন্দৰীজনীৰ ওপৰত পৰিল। বেচেৰীহঁতৰে পদপথ এইটো। সিহঁতৰ কলেজৰ সন্মুখৰ পদপথ যেতিয়া ইয়াত সিহঁতৰ কিছু এক্তিয়াৰ আছে। খুন্দা মাৰিও দিব পাৰে। মনোজে নিজগুণে জানি শুনি প্ৰভুৱনীক বাট এৰি নিদিয়াৰ বাবে মনতে দুখ পালে।

গৈ থাকিল। যাবই লাগিব। কেমেৰাটো আৰু কলমটো বুকুত বান্ধি ঘূৰি ফুৰা মানুহ সি। Standard ছোৱালীৰ পচন্দৰ ল'ৰা সি নহয়। সেইফালে যাব লাগিলে সি অলপ বিপদত পৰা যেনেই হয়; তথাপিও পোনে পোনে গৈ সি হাইক'ৰ্টৰ সন্মুখত উঠিল।

মানুহবিলাকৰ হ'লনো কি? এনেদৰে চৰকাৰী বাহিনীৰ মাৰ-কিল খায়ো ৰাজআলিত থিয় হৈ ওখ নিৰ্বিকাৰ ঘৰটোলৈ নিক্ষেপ কৰিব লাগিছে---ক্ষোভ এখন অলৰ অচৰ পাহাৰ। মানুহবোৰে তাক লাজ, মান, ভয়, জ্ঞান, সন্মান, মৰম, ভালপোৱাৰ কথা বুজাব খুজিছে। সি নিৰ্লজ্জভাৱে বোবাৰ দৰে উপভোগ কৰিছে সেই দৃশ্য। সেইখন নিলাজ পাহাৰ, কোনেও তাৰ মগজুত খুন্দা মাৰিব নোৱাৰে।

মনোজ তৰুণ। প্ৰবীনসকলক সি সন্মান কৰে। সিদিনা বিশ্ববিদ্যালয়ৰ চৌহদত, এই ৰাজপথত চিঞৰি চিঞৰি টেটুফলা, কলমৰ জোৰক আশ্ৰয় হিচাপে লোৱা মানুহদলৰ প্ৰায়বিলাককেই সি লগ পাইছিল। এই দলটোৰ সি তৰুণ। প্ৰবীন দুজনমান তাৰ শিক্ষাগুৰু; সি সমীহ কৰি চলিছিল। চৰকাৰী টেক্সিখনৰ ওচৰলৈ টানি নিয়াজন তাৰ বন্ধু। সি তাক অত্যন্ত মৰম কৰিছিল। কিন্তু আজি সি নিৰুপায়, চৰকাৰী বাহিনীৰ ভৃত্যসকলে তাৰ সেই মৰম ভালপোৱা সন্মানক দুভৰিৰে গচকিব লাগিছে। চৰকাৰী সন্মান, মৰ্য্যাদা ৰক্ষাকাৰীৰ দলে এদল সঁচা মানুহৰ ওপৰত অযথা ৰণ সজ্জাৰে জপিয়াই পৰিছে। এই সময়! মনোজ ক্ৰমে ভাগৰুৱা হৈ পৰিল। মনটো নিৰাশ হ'ল। তাৰ প্ৰতিটো স্নেপ চ'ট্ কৰিবলৈ লওতে ক্লিকৰ ওপৰত আঙুলিটো কঁপি কঁপি উঠিল।

চাৰিটা উলংগ মানুহ। হাইকোৰ্টৰ চাৰিবেৰৰ ভিতৰত। মনোজে চকু হাল মুদি দিলে। ক্ষণিক চিন্তাৰ মূৰত সি তাৰ চোলাটো খুলিলে। এফালৰপৰা সি গণি গ'ল। কেলেংকাৰী, হত্যাকাণ্ড, ধৰ্ষণ, প্ৰৱঞ্চনা, গাফিলতি, চৰকাৰী দুৰ্নীতি। ইমানবোৰ দৈত্য শক্তিৰ বিৰুদ্ধে মনোজৰো বিপ্লৱ কৰিবৰ মন গ'ল। সি এটা সময়ত সম্পূৰ্ণ উলংগ হৈ সিহঁতৰ ওচৰ চাপি গ'ল।

সিদিনা সি যেতিয়া মঞ্চত উলংগ হৈ পৰিছিল শুনিছিল দৰ্শকৰ চাৰিওফালৰপৰা অহা দৰ্শকৰ হাত চাপৰিৰ শব্দ। আজি তাৰ অনুমান হৈছে যেন সি উলংগ হোৱাৰ লগে লগে এই বিশাল মঞ্চৰ প্ৰত্যেকজন দৰ্শকে নিজৰ নিজৰ পটলুংবোৰ খেপিয়াই চাইছে, ঠিক ঠাইত আছেনে নাই; আচলতে সিহঁত সকলোবোৰ উলংগ হৈ পৰা নাইতো? ★

■ কবিতা এক সৃষ্টি, এই প্ৰক্ৰিয়াত তৰপে তৰপে থাকে সামাজিক পটভূমি; ব্যক্তিগত চেতন অৱচেতন- মনৰ প্ৰতিক্ৰিয়া তথা এটা জাতিৰ, এটা সময়ৰ বৰ্ণাঢ্য মানসিকতা।

নিৰ্মলপ্ৰভা বৰদলৈ

# অপৰাজেয় নিশা

শ্ৰীবীণা শৰ্ম্মা
স্নাতক তৃতীয় বৰ্ষ

নিশাই অনুভৱ কৰিলে হঠাতে যেন ফাগুনৰ পছোৱা বতাহ এজাকে তাইক বাককৈয়ে বা দি গ'ল। তাইৰ মনটো উগুল থুগল লাগিল। তাইৰ এনেকুৱা লাগিল যেন ঘৰখনৰ সকলোৱে তাইৰ বাবে ব্যস্ত হৈ পৰিছে। সেইটো সঁচা। বহাগৰ ১০ তাৰিখে তাইৰ বিয়াৰ দিন ঠিক কৰিছে প্ৰণৱৰ লগত। গতিকে ঘৰখনৰ সকলোৰে ব্যস্ততা আহিপৰাটো স্বাভাৱিক।

প্ৰণৱ মানে প্ৰণৱ বৰুৱা। গুৱাহাটী চহৰৰ এখন আড়ম্বৰপূৰ্ণ ঘৰৰ ল'ৰা প্ৰণৱ। প্ৰণৱৰ দেউতাক আৰ্থাৎ নৱ বৰুৱা গুৱাহাটী চহৰৰ এজন প্ৰখ্যাত ব্যৱসায়ী। তেওঁলোকৰ পৰিয়াল বুলিবলৈ প্ৰণৱ, প্ৰণৱৰ দেউতাক, মাক, আৰু একেজনী মাত্ৰ ভনীয়েক পল্লৱী। প্ৰণৱ সৰুৰে পৰাই ব্যৱসায়ী হোৱাৰ আগ্ৰহী আছিল আৰু সময়ত দেউতাকৰ সহযোগত গুৱাহাটীতে নিজকে এজন ব্যৱসায়ী ৰূপে প্ৰতিষ্ঠা কৰিছিল।

এই ব্যৱসায়ী প্ৰণৱৰ লগতে নিশাৰ বিয়াৰ ঠিক হ'ল। নিশাহঁতৰ পৰিয়ালটোৱে যদিও প্ৰণৱহঁতৰ পৰিয়ালৰ লগত সমতা স্থাপন কৰিব পৰা নাছিল তথাপিও নিশাৰ ৰূপ যৌৱনৰ বাবেই প্ৰণৱ আৰু প্ৰণৱৰ মাক-দেউতাকে নিশাক তেওঁলোকৰ ঘৰলৈ বোৱাৰী কৰি নিবলৈ সন্মত হৈছিল। সেইমতেই ১০ বহাগৰ দিনা নিশাৰ বিয়াখন হৈ গ'ল। নিশায়ো বুকুত সাঁচি থোৱা কল্পনাৰ এবুকু ৰঙীন সপোন লৈ তাইৰ আগন্তুক যুগ্ম জীৱনৰ শুভাৰম্ভণ কৰিবলৈ বুলি গুৱাহাটীলৈ নৱবধূৰ বোৱাৰী হৈ আহিল।

বিয়া হৈ আহিয়েই নিশাই নিজকে প্ৰণৱহঁতৰ ঘৰখনৰ লগত মিলাই চলাবলৈ যত্ন কৰিলে। নিশা আছিল এটা মধ্যবিত্ত পৰিয়ালৰ ছোৱালী। স্বাভাৱিকতে প্ৰণৱহঁতৰ ঘৰৰ লগত নিশাহঁতৰ ঘৰখনৰ অমিল আছে। কিন্তু তথাপিও শান্ত, নিৰ্জু নিশাই নিজকে প্ৰণৱহঁতৰ লগত লাহে লাহে মিলাই লবলৈ ধৰিলে। প্ৰথমতে নিশাই আশা কৰামতেই তাইৰ বিবাহিত জীৱনৰ দিনবোৰ অতিবাহিত হ'বলৈ ধৰিলে। নিশাই ভাবিলে প্ৰণৱৰ পত্নী হিচাপে নিশাই যিখিনি মৰ্যাদা পাব লাগে তাই যেন সেইখিনি ঠিকমতেই পাইছে।

কিন্তু দিন বাগৰি বছৰ হ'বলৈ ধৰাৰ লগে লগে নিশাই অনুভৱ কৰিবলৈ ধৰিলে প্ৰণৱৰ প্ৰতি তাইৰ যিটো ধাৰণা আছিল



সেইবোৰ যেন সকলো মিছা। প্ৰণৱে যেন নিশাৰ পৰা আতৰি ফুৰিব ধৰিছে। নিশাৰ এই সন্দেহ লাহে লাহে যেন গভীৰ হৈ আহিবলৈ ধৰিলে। কিন্তু ধৰ্মশীলা নিশাই নিজকে আশ্বাস ভাবিবলৈ আৰম্ভ কৰিলে এয়া যেন নিশাৰ প্ৰণৱৰ প্ৰতি কৰা এক অহৈতুক সন্দেহ। কিন্তু নিশাৰ সন্দেহ কেৱল সন্দেহেই নহয়, সেইয়া আছিল এক নিষ্ঠুৰ বাস্তৱ।যিয়ে নিশাৰ সপোনবোৰ বাস্তৱত পৰিণত হোৱাৰ আগতেই মোহাৰি পেলালে। নিশা হতাশত ভাঙি পৰিল। তাইৰ মনটোৱে হাঁহাকাৰ কৰি উঠিল। যিজনক তাই পৰম দেৱতা জ্ঞান কৰি পূজা কৰিছিল, সেইজনেই যেন তাইক প্ৰবঞ্চনা কৰিলে। তাই বুজি নেপালে কিয় ? কিয় ? তাইৰ প্ৰতি প্ৰণৱৰ এনে নিষ্ঠুৰ প্ৰবঞ্চনা। তাইৰ দোষ কিহত ? যিজনী ছোৱালীয়ে কলেজত পঢ়ি থকা অৱস্থাতো নিজৰ সমনীয়াৰ লগত মূৰ তুলি কথা কোৱা নাছিল, যিজনী ছোৱালীয়ে বিয়াৰ পিছৰে পৰাই নিজৰ আশা-আকাংখা, দুখ-সুখ সকলো পাহৰি কেৱল পতি সেৱাই পৰম ধৰ্ম বুলি মানি লৈছিল সেইজনী নিশাই আজি কিয় এনে নিষ্ঠুৰ বাস্তৱৰ সন্মুখীন হ'ব লগা হ'ল তাই বুজি নাপালে।





ইমান প্ৰবঞ্চনাৰ পিছতো নিশাই প্ৰণৱৰ প্ৰতি বেয়া ব্যৱহাৰ কৰা নাই। তাই তাইৰ নিজৰ কৰ্তব্য কৰি গৈ আছে। শাহুৱেক, শহুৰেকৰ প্ৰতি তাইৰ শ্ৰদ্ধা-ভক্তি অটুত ৰাখিলে । প্ৰণৱৰ মাক দেউতাক আৰু ভনীয়েকে কিন্তু নিশাৰ প্ৰতি কোনো দিনেই বেয়া ব্যৱহাৰ কৰা নাই। প্ৰণৱেও অৱশ্যে নিশাক গালি-শপনি নাইবা মাৰ-ধৰ নকৰে। কিন্তু গালি-শপনি নাপাৰিলেও প্ৰণৱ যি ধৰণে নিশাৰ পৰা আতৰি ফুৰিবলৈ ধৰিছে, সেই দূৰত্বই যেন নিশাৰ জীৱনলৈ এক বিশাল শূন্যতা নমাই আনিছে। নিশাই অনুভৱ কৰিলে যে সিহঁত একেখন ঘৰতে থাকিও যেন দুয়ো দুয়োৰে বাবে অচিনাকী হৈ পৰিছে। লাহে লাহে প্ৰণৱে নিশাৰ লগত মাতবোলো বন্ধ কৰিবলৈ ধৰিলে। শেষত নিশাই গম পালে তাইৰ প্ৰতি প্ৰণৱৰ এনে ব্যৱহাৰৰ কাৰণ হ'ল প্ৰণৱৰ পূৰ্বৰ প্ৰণয়। বিয়াৰ পূৰ্বেই প্ৰণৱে গুৱাহাটীৰে এখন ধনী ঘৰৰ ছোৱালী ইলাক ভাল পাইছিল, যিটো প্ৰণৱৰ মাক-দেউতাকে মানি ল'ব পৰা নাছিল আৰু ইলাৰ পৰা প্ৰণৱক আতৰাই ৰাখিবৰ বাবে নিশাৰ লগত প্ৰণৱৰ বিয়া ঠিক কৰিছিল। কিন্তু নিশাই বুজি নাপালে মাক দেউতাকৰ এনে ব্যৱহাৰৰ বাবে প্ৰণৱে নিশাক কিয় কষ্ট দিছে ? নিশাই ইয়াৰ উত্তৰ বিচাৰিলেও প্ৰণৱ নিমাত। যদিও প্ৰণৱে বেয়া ব্যৱহাৰ নকৰে তথাপিও যেন নিশাই প্ৰণৱক সম্পূৰ্ণৰূপে পোৱা নাই। তাই প্ৰণৱক পাইও নোপোৱাৰ বেদনাতে লাহে লাহে ভাঙি পৰিবলৈ ধৰিলে। শেষত তাই নিজকে এইবোৰৰ বাবে দোষী বুলি ভাবিবলৈ আৰম্ভ কৰিলে। তাই নিজেই ভাবিবলৈ ধৰিলে যে তাইৰ যেন সেই নাৰীসুলভ গুণখিনি নাই, যিখিনি প্ৰণৱে বিছাৰে। সেইবাবেই প্ৰণৱে তাইৰ পৰা আতৰি ইলাক কাষত পাবলৈ বিচাৰে। নিশাই আত্মগ্লানিত ভুগিবলৈ ধৰিলে। প্ৰণৱৰ মনলৈ শান্তি ঘূৰাই আনিবলৈ প্ৰণৱৰ ওচৰত তাই মন-প্ৰাণ সকলো সপি দিলে। কিন্তু তথাপিও প্ৰণৱৰ কোনো পৰিবৰ্তন দেখা নগল। শেষত নিশাই নিজেই প্ৰণৱৰ ওচৰত হাৰ মানি প্ৰণৱৰ পৰা চিৰদিনৰ বাবে আঁতৰি যাবলৈ স্থিৰ কৰিলে। শেষত এবুকু ৰঙীণ সপোন লৈ বোৱাৰী হৈ অহা নিশাই অন্তৰত ভাবিব নোৱাৰা দুখৰ বেদনা লৈ প্ৰণৱলৈ লিখি থৈ গ'ল— "মোৰ মৃত্যুৰ বাবে ময়েই দায়ী।"

নিশাৰ মৃত্যুত প্ৰণৱে প্ৰথমে মনে মনে ভালেই পালে। কিন্তু লাহে লাহে প্ৰণৱে নিশাৰ অনুপস্থিতিত এক শূন্যতাৰ অনুভৱ কৰিলে। এই শূন্যতাই যেন দিনে দিনে প্ৰণৱক জুকলা কৰিবলৈ ধৰিলে। প্ৰণৱৰ মনটোৱে যেন নিশাক বিচাৰি হাঁহাকাৰ কৰি উঠিল। প্ৰণৱে প্ৰথম বাৰৰ বাবে অনুভৱ কৰিলে নিশাই যেন পৰাজয় স্বীকাৰ কৰিও তাইৰ মৃত্যুৱে প্ৰণৱক পৰাজিত কৰি থৈ গ'ল। ★

■ বাল বিখৰকে, টুতি কৰবো পে
জৱ কৌই মেহজবীন ৰোতি হেঁ
তো অকচৰ মেৰা দিল মে এক খেয়াল আতে হেঁ
কি মৌত ভি কিতনা হঁসীন হোতে হেঁ॥
(কোনো সুন্দৰীয়ে যেতিয়া চুলি মেলি কবৰৰ ওচৰত বহি ইনাই-বিনাই কান্দে তেতিয়া মোৰ মনলৈ এটাই ভাব আহে, মৃত্যুও কিমান সুন্দৰ।)

■ মত-এ লৌহ-কলম ছিন গয়ী তো
ক্যা গম্ হে
খুনে দিল মে দুবোলি হে
উংগলিয়া মেনেঁ॥
(হাতৰ পৰা কলম এৰাই গলে কি হ'ব, মইতো হৃদয়ৰ তেজেৰে আঙুলি ৰঙা কৰি থৈছো।)

■ খাব্ কি বঙ্গ মহল
হামনে তোৰ দিয়ে
দিল মে জো আৰমাণ থে
হামনে তুজপে কুৰবাণ কিয়ে॥
(আশাৰ সপোন মই চূৰ্ণ কৰি দিলো, অন্তৰত যি আশা-আকাংক্ষা আছিল মই তোমাৰ চৰণত অৰ্পণ কৰিলো।)

সংগ্ৰাহক
নয়ন জোতি বৰা।
স্নাতক ১ম বাৰ্ষিক।



# ড্ৰাইভাৰ

শ্ৰীবীৰেণ নাথ
স্নাতক তৃতীয় বৰ্ষ

"ঐ, ঐ, ঐ, অসাংখনীয়া, গিলাচ কেইটা দাঙি আনিবলৈ হাতত জোৰ নাই হা। চাওঁ এইফালে আহচোন।" বুলি মেনেজাৰজন গৰজি উঠিল। সি চুচুক-চামাককৈ মেনেজাৰৰ টেবুলৰ ওচৰ চাপি আহিল। পিন্ধনত তাৰ পিঠিফটা গেঞ্জি। বুতাম নোহোৱা বাবে পকাই বান্ধি থোৱা এটি হাফপেণ্ট। তাৰ যেন গোটেই মুখখনত কিবা বিষাদৰ চিন। সি সেমেনা-সেমেনকৈ কওঁ নকওঁ কৈ ক'ব ধৰিলে— নহয় বাবু কটি অনাৰ বাবে হাতত ঘিঁ লাগি আছিল। সেয়েহে গিলাচটো.......।

ঘিউ লাগি আছিল হা, আজিবোলে হিচাপত চামুচ দুখনহে কম, কালি বোলে গিলাচহে এটা ভাঙিল। তঁহতে মোৰ হোটেলত লালবাতি জ্বলাবি বুজিছ।"— মেনেজাৰে তাক দুয়োখন গালতে দুটা চৰ সোধাই কবলৈ ধৰিলে—"ওলাই যা, যা, অহাবাটে সজে সজে ওলাই যা, তই মোক নিৰ্ঘি ওপচাই দিব নালাগে।

তাৰ বিষাদ ভৰা মুখখনত উপচি পৰিল অপৰ্য্যাপ্ত চকুলো। বিষন্ন মনেৰে সি হোটেলৰ পৰা ওলাই আহি ফুটপাথত ভৰি দিলে। সূৰ্যৰ পোহৰত তাৰ চকুলোবোৰ জিলিকি উঠিছে, যেন পুবাৰ একো একোটোপাল নিয়ৰহে। সেই নিয়ৰৰ মাৰ্জতেই তাৰ জীৱনৰ আশাবোৰ যেন ভাঁহি উঠিছে। তথাপি সি পুনৰ কান্দিছে আৰু কান্দিছে। সি যেন কান্দি কান্দি চকুলোবোৰ নিঃশেষ কৰি পেলাব।

সি ফটা গেঞ্জিটোৰ একাচলেৰে চকুপানীবোৰ মচিব ধৰিলে। মনৰ বেদনাবোৰ গুজৰি গুমৰি তাৰ মনতেই মাৰ গ'ল। পেটৰ কাউত কাউত মাতে মনত পেলাই দিলে তাৰ যেন ভোক লাগিছে। হঠাৎ সি মূৰ দাঙি চালে। সি কিমানদূৰ আহিলে নিজেই ক'ব নোৱাৰে। কল কলাকৈ পানী পৰি থকা টেপটোৰ পৰা সি হেপাহ পলুৱাই পানী খালে। সি আকৌ যাব ধৰিছে, মাথোন যাব ধৰিছে। ক'ত যাব ক'ত থাকিব তাৰ কোনো উদ্দেশ্য নাই।

লাহে লাহে সন্ধ্যা নামি আহিল। পশ্চিম আকাশৰ সেন্দুৰীয়া বেলিটোক যেন ক'লা ডাৱৰ এচমকাই ৰাক্ষসৰ দৰে গিলি পেলাইছে। সি বেলিটোলৈ চোৱাতহে মনত পৰিল ৰাতিটোৰ কথা— ক'ত থাকিব, কি খাব, কোনোবাই তাক ৰাখিব নেকি?

সি মহম্মদ সিঙৰ গেৰেজত সোমাই পৰিল ভোক আৰু ভাগৰত সি পকাতে লেপেটা খাই বহি পৰিল। সি মনে মনে গেৰেজত থকা কথাটোকে ভাবিলে। কিন্তু ৰাখে নোৰাখে তাৰ সুধিবলৈও ভয় লাগিছে। দিনটো পৰিশ্ৰমৰ অন্তত মেকানিক কেইটাও মদ খাই ঘট্ ঘটাই শুই পৰিছে। মাজে মাজে সিহঁতে হাত-ভৰিবোৰ জোকাৰি কিবা কিবি বকি বকি ইকাতিৰ পৰা সিকাতি হয়। অনুভৱ হয় সিহঁতে কিবা সপোন দেখিছে আৰু সিহঁতক যেন সপোনতে কিহবাই খাবলৈহে খেদি আহিছে।

হঠাৎ সেই গেৰেজৰ মেকানিক জেকৰ উঠি আহি মাত লগালে— "ঐ পোৱালী, ইয়াত কিয় বহি আছ বদমাছ, গেৰেজৰ বেঞ্চ চুৰি কৰি বিক্ৰি কৰিবলৈ?

সি জেকৰৰ ৰঙা চকুদুটা দেখি পেপুৱা লাগিল। জেকৰে তাৰ কাণখনত থাপ মাৰি ধৰি টানি আনিলে। সি সেহাই সেহাই কব ধৰিলে— "বাবু বৰ দুখ পাইছোঁ। এৰিদিয়ক মইতো চোৰ নহয়। ৰাতিপুৱাৰ পৰা একো খোৱা নাই, মোৰ ভোক লাগিছে বাবেহে বহি আছোঁ।"

— "বদমাছ, ভোক লাগিছে বাবে বহি আছ? ফাঁকিদিবলৈ ঠাই পোৱা নাই।" এই বুলি জেকৰে আঠুকাঢ়িবলৈ দি গেৰেজৰ সৰু সুৰা সজুলিবোৰ সামৰিবলৈ লাগিল।

মহম্মদ সিঙ এজন শান্ত প্ৰকৃতিৰ মানুহ আছিল। তেওঁৰ অন্তৰখন আছিল অতি কোমল আৰু মৰমীয়াল। তেওঁ গেৰেজ খোলাৰ দিনৰে পৰা কেইবাটাও সৰু সৰু ল'ৰাক কাম শিকাইছে।





কান্দি কান্দি আঠুকাঢ়ি থকা ল'ৰাটোক দেখি তেওঁৰ দয়া উপজিল। সিঙে জেকৰক মাতি সুধিলে— "জেকৰ কি হ'ল অ', ল'ৰাটোক কিয় আঠুকঢ়াই থৈছ? জেকৰে গহীনাই উত্তৰ দিলে— "কি ক'ব হুজুৰ; কথা নাই বতৰা নাই গেৰেজত মনে মনে বহি আছে। কালি এটা বেঞ্চ চুৰ হৈছে। বদমাছ বিলাকে তাও ধৰি ধৰি বহি থাকি এই চৰকাম কৰে। সিঙে জেকৰক ধমক দি ল'ৰাটোক সুধিব ধৰিলে— "এই ল'ৰা তোৰ নাম কি? ল'ৰাটোৱে ফেকুৰি ফেকুৰি উত্তৰ দিলে— "মইনা"।

- তোৰ ঘৰ ক'ত, মা-দেউতা আছেনে নাই?
- মোৰ ঘৰ নাই, মা-দেউতা, মই সেইবিলাক নাজানো।
- তই ক'ত থাক?
- আগতে সেই জয়া হোটেলত আছিলোঁ।
- কিয় গুছি আহিলি?
- মালিকে মোক খেদি দিছে।
- তই গেৰেজত থাকিবি?
- ওঁ থাকিম।

মইনাই গেৰেজত ইটো-সিটো কাম কৰিব ধৰিলে। কিন্তু কেতিয়াবা মদাহী জেকৰে তাক দুই এথাপৰ নিদিয়াকৈ নাথাকিল। ভৱিষ্যতে কিবা এটা কৰি খোৱাৰ লক্ষ্য আগত ৰাখি সি সকলো দুখ নিৰৱে সহ্য কৰি একান্ত মনে কাম কৰে। কিন্তু সি মেকানিক কামত সফল হ'ব নোৱাৰিলে। মালিক সিঙৰ এখন ট্ৰাক আছিল সি সেই ট্ৰাকতে ড্ৰাইভাৰ শিকিবলৈ আৰম্ভ কৰিলে। অতি কম দিনৰ ভিতৰতে সি পাকৈত ড্ৰাইভাৰ হৈ পৰিল। সিঙে অনেক যত্ন কৰি তাক ড্ৰাইভাৰ লাইছেন্সখন উলিয়াই দিলে। সি এতিয়া আগৰ দৰে কাম বিচাৰি হাবাথুৰি খাব নালাগে। হাতত যেতিয়া এটা বিদ্যা আছেই— কৰবাত কিবা এটা কৰি খাব পাৰিব।

মইনাই সিঙৰ গাড়ীখনকে মাহিলী দৰমহা হিচাপত চলাবলৈ আৰম্ভ কৰিলে। সিঙৰ নানা ঠাইত ভাড়া মাৰিব হ'লে বা কিবা যাবতীয় সামগ্ৰী আনিবলৈ হ'লে মইনাক কলেই হ'ল। সি নিজে সকলো দায়িত্ব বহন কৰি লৈ আহে। সিদিনা মইনাই ভাড়াৰ মাল লৈ লক্ষ্মীপুৰ অভিমুখে যাত্ৰা কৰিছে। গাড়ীত সম্পূৰ্ণ বোজাই লৈ তথাপি এঁকা-বেঁকা পথেৰে গাড়ীখন দ্ৰুতগতিত আগ বাঢ়িছে। গাড়ীৰ আগে আগে শীতৰ ধূসৰিত ধূলিবোৰ উৰি উৰি বতাহত বিলিনহৈ গৈছে। ধূলিসোপাই যেন কাৰোবাৰ জীৱনৰ কামনা বাসনা কিছুমান উৰুৱাই লৈ গৈছে কোনোবা অজান দিশলৈ। এজন বয়সস্থ মানুহ ৰাস্তাৰে খোজাকাঢ়ি গৈ আছে। তিনিআলি টাৰনিং। সমুখৰ চৰকাৰী বাচখনে "হৰ্ণ" দিবলৈ আৰম্ভ কৰিলে। মইনাইও "হৰ্ণ" বজাবলৈ ধৰিলে। দুয়োখন গাড়ীৰ তীব্ৰ মাততে বুঢ়াই ওৰাদিহ হেৰুৱাই ট্ৰাকৰ আগত ঢলি পৰিল। ড্ৰাইভাৰ মইনাই অসীম চেষ্টাৰে ব্ৰেক ধৰিলে। কিন্তু কোনো পধেই বুঢ়াক ৰছাব নোৱাৰিলে। ভয়ত মইনাই ষ্টিয়াৰিং এৰি গাড়ীৰ পৰা জাপ দিলে। তিনিআলি-চাৰিআলিত এনেই মানুহৰ ভীৰ। চাৰিওফালে হৈ চৈ লাগিল— "ড্ৰাইভাৰ কোন ধৰ-ধৰ, মাৰ-মাৰ।" দ্ৰুত গতিৰ গাড়ীখন ৰাষ্টা কাষৰ নৰ্দমাত সোমাই পৰিল। ড্ৰাইভাৰ মইনাই প্ৰাণৰ ভয়ত পলাবলৈ উপক্ৰম কৰিলে। সি পথাৰৰ ফালে দৌৰ মাৰিলে।

আঘোণ মাহ। পথাৰৰ ধান চপোৱা মানুহে হুলস্থূল শুনি খেদি আহিল। আনফালে ড্ৰাইভাৰক ধৰিবলৈ পিছে পিছে মানুহে খেদি আহিছেই, মানুহে মইনাক বিড়িয়াৰে পিঠিত কোব সোধাবলৈ ধৰিলে। উন্মুক্ত জনতাই মইনাক চোঁচোৰাই তিনিআলিলৈ লৈ আহিল।

বুঢ়া মানুহজন আছিল সেই অঞ্চলৰ মৌজাদাৰৰ ভায়েক। ধনী, মানী সকলোৰে পৰিচিত মানুহ। তিনিআলিত মইনাক চাৰিওফালে মানুহে আগুৰি ধৰিলে। সকলোৰে মুখত ধৰ-ধৰ, মাৰ-মাৰ। যিয়ে যেনেকৈ পাৰে মইনাক মাৰ সোধাব ধৰিলে। চাওঁতে চাওঁতে সি তেজেৰে লুতুৰি পুতুৰি হৈ পৰিল। এনেতে এখন চাহ দোকানৰ পৰা এচটা কাঠখৰি লৈ এজন খড়াল দৌৰি আহিল।

"ঐ মদপী, মদখাই গাড়ী কেনি যায় কবই নোৱাৰ।" এই বুলি সি মইনাৰ মূৰত মাৰ সোধাবলৈ ধৰিলে। নিৰুপাই ড্ৰাইভাৰ মইনাই যন্ত্ৰণা সহ্য কৰিব নোৱাৰি মাটিল ঢলি পৰিল। কিন্তু তাৰ পিঠিত মাৰ নকমিল। এখোপ বাঢ়িলহে।

কোনোৱে মত প্ৰকাশ কৰিলে— "মৰাটোৰ লগতে জীয়াটোকো মাৰিবলৈ ওলাইছ কেলৈ? আকৌ কোনো কোনোৱে ক'বলৈ ধৰিলে— "ইহঁতক এনেকৈ নিদিলে আৰু উৎপাত বাঢ়িব। মদখাই গাড়ী মাটিতেই যায়নে আকাশতেই যায় কবই নোৱাৰে।"

কিছুসময়ৰ পিছত বেচৰা ড্ৰাইভাৰৰ মুখেদি বৈ আহিল তপত এসোঁতা ৰঙা তেজ।

নিমিষতে তাৰ চকুযোৰ এবাৰ বহলকৈ মেলখাই আকৌ জাপ গ'ল। মইনাৰ প্ৰাণ পখী উৰি গ'ল কোনোবা অজান দেশলৈ। ★

● মানুহে যুক্তিৰে বিচাৰি নাপালে খড়েৱে তাৰ ক্ষতি পূৰণ কৰে।

ডব্লিউ আৰ আইগাৰ

# উপলব্ধি

শ্ৰীহৰেন নায়ক
স্নাতক তৃতীয় বৰ্ষ

গানটো শুনি অভিৰ সেই দিনটোলৈ মনত পৰিল। যি দিনা সি অনামিকাক প্ৰথম দেখিছিল। তাইৰ প্ৰথম গান শুনিছিল। প্ৰথম শুনা গানটোৱে যেন তাক কিবা এটা নতুনৰ সোৱাদ দি গল। অন্তৰৰ বায়ুবোৰ বৰদৈচিলা হৈ উৰিব ধৰিলে। নানা হাঁহি ধেমালি আৰু কিতাপৰ বৰ্ণলিত পাতবোৰেও তাৰ মন জুৰ পেলাব নোৱাৰা হ'ল। সি সেই গানৰ কলিটি, তাৰ সুৰটো, আওৰাবলৈ চেষ্টা কৰিলে। তথাপিও কিবা এটা শক্তিয়ে যেন তাক বাধা দিছে। তাৰ অন্তৰত জ্বলি উঠা সেই তুঁহ জুইকুৰা উমি উমি জ্বলিবলৈ ধৰিলে।

অভি যৌৱনৰ দুৱাৰ দলি গচকা এজন সুন্দৰ চঞ্চল ডেকা। তাৰ আটিল চেহেৰা, নম্ৰ স্বভাৱ আৰু ভদ্ৰ ব্যৱহাৰে সকলোকে আকৰ্ষণ কৰিছিল। তাৰ সদায় হাঁহি মুখ দেখি বন্ধু মহল ঈৰ্ষাত জ্বলিছিল। কেতিয়াবা সিহঁতে শুধিছিল, —'ঐ তই যে সদায় হাঁহি মুখে থাক তোৰ দুখ-বেজাৰ নাই নেকি?' সি নিৰৱে হাঁহিছিল। ভাবিছিল ইহঁতেতো মোৰ দুখ নুবুজে। আৰু অনামিকা এজনী ভদ্ৰ, নম্ৰ, অমায়িক আৰু গহীন ছোৱালী। তাইৰ স্বভাৱ, চৰিত্ৰ আৰু ব্যৱহাৰে সকলোকে আপোন কৰি লৈছিল। কিন্তু সকৰে পৰা মৰমত ডাঙৰ হোৱা বাবে অনামিকা কিন্তু খুব অভিমানী।

দুখ, শোক, বিষাদ, সংঘাট আৰু কিছু পৰিমানে হলেও হাঁহি আনন্দৰ সোৱাদ এয়ে মানৱ জীৱন। অভিয়েও মান জীৱনৰ ওপৰত থকা নিয়তিৰ নিষ্ঠুৰ পৰিহাস এৰাই চলিব পৰা নাছিল। বহু কষ্টেৰে ডাঙৰ হোৱা সি আজি যৌৱনত ভৰি দিলেহি। বৰ্ত্তমান সি বি: এ: (B.A) চুড়ান্ত বৰ্ষৰ ছাত্ৰ। কাৰো সহায় নোপোৱাকৈ নিজৰ একাগ্ৰতা আৰু চেষ্টাৰ বলত সি আজি মাক-দেউতাকৰ আশাৰ চাকি হৈ জ্বলিছে। উজনি অসমৰ এখন সৰু গাঁৱত জন্ম গ্ৰহন কৰা অভি কষ্ট সহিষ্ণু আৰু মৰমিয়াল আছিল। আনৰ দুখত নিজৰ স্বাৰ্থকো বিসৰ্জন দিয়া অভিয়ে জীৱনত কিবা এটা কৰাৰ সপোন দেখিছিল। নিজকে এজন ভাল নাগৰিক হিচাপে গঢ়ি তুলিবলৈ যত্ন কৰিছিল। কিন্তু কেতিয়াবা তাৰ চেষ্টাই ভুল কৰি তাক দুখ দি কন্দুৱাইছিল।

প্ৰাইমাৰী শিক্ষা শেষ কৰাৰ পিছত তাক বৰ দেউতাকৰ ঘৰলৈ পঢ়িবলৈ পঠাই দিয়া হ'ল। যিটো সময়ত ধনী ঘৰৰ লৰা-ছোৱালীবোৰে মৰম আৰু আদৰেৰে নিজৰ শ্ৰীবৃদ্ধি কৰিছিল। সেই সময়ত অভিয়ে চকুৰ পানীয়ে বাট নেদেখা হৈ কোমল হিয়া চিৰাচিৰ কৰি তোলা বাক্যবান সহ্য কৰি ভগৱানৰ নাম ধ্যান কৰি নিজৰ কৰ্তব্য কৰিছিল। সমনীয়াবোৰে যেতিয়া মাকৰ মৰমৰ মাত, আইতাকৰ মৰম মিহলি ভাষাৰে কোৱা দেৱ দানৱৰ সাধু শুনিছিল তেতিয়া অভিয়ে হাতত এচাৰি লৈ জোক-পোকৰ অত্যাচাৰ সহ্য কৰি পথাৰত গৰু চৰাবলগীয়া হৈছিল। পৰিবেশৰ অভাৱত সি শ্ৰেণীটো ভাল ফল দেখুৱাব পৰা নাছিল। লাহে লাহে তাৰ মন বিদ্ৰোহী হৈ উঠিল। কিন্তু সি নিৰৱে সকলোবোৰ সহ্য কৰি গ'ল।

পৰিবেশ আৰু সংঘাটে মানুহক জীৱনৰ বাবে অভিজ্ঞ কৰি তোলে। বছৰ বাগৰি যোৱাৰ লগে লগে অভিয়েও নিজৰ অতিতক পাহৰি থাকিবলৈ চেষ্টা কৰিলে। হাতত এচাৰি লৈ এন্ধাৰ নিশা ধাননীৰ মাজে মাজে গৰু বিছৰা, লোকৰ গৰু খেদা আৰু বগা ভৰি ক'লা-বঙা কৰা জোকৰ উপদ্ৰৱ। কি যে ভয়ংকৰ সেই দিনবোৰ। তথাপি সি এইবোৰ মাক দেউতাকক জানিবলৈ নিদি সময়ৰ লগত মিলিবলৈ চেষ্টা কৰিলে। এদিন দেউতাকে তাক ঘৰলৈ লৈ গ'ল। সি নিজে পঢ়াৰ উপৰিও দেউতাকৰ লগত সৰু দোকানখনত সহায় কৰা, নিজৰ নিয়মীয়া কাম আৰু মাজে-মাজে দুই এটা সমাজৰ কাম সকলো নিয়াৰিকৈ কৰিছিল। না না আহুকালৰ মাজত ডাঙৰ হোৱা সি সমাজৰ কোনো কাম কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। সি দশম মান শ্ৰেনীত পঢ়ি থাকোতে এবাৰ দেউতাকৰ টান অসুখ হ'ল। ঘৰৰ উপাৰ্জনৰ মূল দেউতাকৰ বেমাৰত ঘৰৰ ডাঙৰ হিচাপে তাৰ ওপৰতে সকলো দায়িত্ব আহি পৰিল। এফালে দেউতাকৰ ঔষধ, আনফালে ঘৰৰ খৰছ সি চাৰিওফালে অন্ধকাৰ দেখিলে। তাৰ এনে বিপদতো কোনোৱে সহায় কৰিবৰ বাবে আগবাঢ়ি নাহিল। শেষত কম দামতে মৰমৰ গাইজনী বেছি সি ব্যৱসায় আৰম্ভ কৰিলে। নিতৌ বাইছ (২২) কিঃ মিঃ নিলগত





চাইকেলেৰে ব্যৱসায় কৰি দেউতাকক শুশ্ৰুষা কৰাৰ উপৰিও ঘৰখন চলাইছিল আৰু লগে লগে নিজৰ পঢ়া শুনাও কৰিছিল। বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈও সি নিজৰ পঢ়া অটুট ৰাখিছিল। তাৰ সাধুতাই শিক্ষক সকলৰ অনন্তৰ জয় কৰাৰ লগতে সেই অঞ্চলৰ মানুহকো আকৰ্ষণ কৰিছিল। কিন্তু কেতিয়াবা তাৰ অন্তৰে হাঁহাকাৰ কৰি উঠিছিল। ইমান কষ্ট কৰিও সি আন দহৰ দৰে এসাজ খাব পৰা নাই, প্ৰয়োজনীয় যোৰৰ বাদে এযোৰ বেছি কাপোৰ লব পৰা নাছিল। কিন্তু সেইবাবে সি কাকো দোষ দিব নিবিচাৰে। দোষ দিব কাক? সময়ক, ভাগ্যক নে মাক-দেউতাকক। মাক-দেউতাকে তাক প্ৰয়োজনীয় খিনি দিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। তেন্তে দোষ দিব কাক। ভাগ্যক যীয়াই সময়লৈ অপেক্ষা কৰিছে। কেতিয়াবা তাৰ স্কুলীয়া বন্ধু বোৰে তাক দেখিও নেদেখাৰ ভাও ধৰে। কেতিয়াবা হাঁহিৰ আখৈ ফুটাই তাক ইতিকিং কৰে। সি সকলো সহ্য কৰি নিৰৱে চকুলো টুকে। নিশা ভাত খাওঁতে মাক ওচৰত থাকিলে সি সকলো দোষ পাহৰি নতুন প্ৰেৰণা লভে।

'মা আজি বাটত বাতুল, বাবুলহঁতক পাইছিলো। সিহঁতে মোক দেখি মুখ বেকা কৰি কি কৈছিল জানা?'

মাকে মৰমেৰে সুধিছিল। 'কিনো কৈছিল?' 'সিহঁতে মোক বেপাৰী বন্ধু বুলি হাঁহিছিল। দুজনীমান লগৰ ছোৱালীয়ে মোক দেখি আতৰতে মুখ ঘূৰাই নেদেখাৰ ভাও জুৰিছিল।'

তাৰ মৰমৰ মাকে নিৰৱে চকুপানী টুকি ভগৱানক প্ৰাৰ্থণা কৰিছিল। 'হে ভগবান, আৰু কিমান কষ্ট দিয়া।'

বন্ধুবৰ্গই তাৰ প্ৰতি কৰা আচৰণত তাৰ পঢ়াত জেদ বাঢ়িল। দিনত শৰিৰীক কষ্ট, ৰাতি নিজৰ পঢ়া আৰু পৰীক্ষাৰ মানসিক চিন্তা। স্কুলৰ প্ৰধান শিক্ষক বৰুৱা চাৰৰ লগতে সমূহ শিক্ষকে আশা কৰে যে, সি এইবাৰ ভাল ৰিজাল্ট কৰিব সেয়েহে মাজে মাজে তাগিদাও দিয়ে কিন্তু নিয়তি.......। সোনকালে সি অসুখত পৰিল। দিনত বতাহৰ বিপক্ষে চাইকেল মৰা, ৰাতি বেছিকৈ পঢ়াত, কেতিয়াবা ৰাতি উজাগৰে থাকিবলগীয়া হয়। নিশা সাৰ পাই চিঞৰি উঠে।

'মা মোৰ বুকুখন খুব বিষাইছে।' মাকে নিশা গৰমপানীৰ সেক, মিঠাতেল গৰম কৰি মালিছ কৰি তাৰ কাষতে কোনোৱে গম নোপোৱাকৈ মনে-মনে চকু পানীটুকে। তাৰ টুপনী আহে, মাক উজাগৰে থাকে। আকৌ পুৱা কাম।

তাৰ দৰিদ্ৰতাই তাক সকলো ক্ষেত্ৰতে চিন্তাশীল হবলৈ শিকালে। কিন্তু কেতিয়াবা তাৰ আদৰ্শৰ পৰাজয় হয়। ৰূপালী তাৰ অতি মৰমৰ বান্ধৱী। ৰূপালীহঁতৰ ঘৰৰ কাষেদি যোৱা পথটোৰেদি অভিহঁতৰ ঘৰলৈ যাব লাগে। সেয়েহে সি প্ৰায়েই ৰূপালীৰ লগত দেখা হয়। অৰ্থ সংকটৰ বাবে সি তাৰ প্ৰয়োজনীয় কিতাপ পত্ৰবোৰ কিনিব পৰা নাছিল। ৰূপালীয়ে তাক সকলো দি সহায় কৰিছিল। ৰূপালী বহু সম্পত্তিৰ মালিক এজন জমিদাৰৰ একমাত্ৰ ছোৱালী। কোনো বস্তুৰে অভাৱ তাই অনুভৱ কৰা নাই। সেয়ে সৰল মনা ৰূপালীয়ে তাক নিস্বাৰ্থভাৱে সহায় কৰিছিল। এই কথাত কিন্তু সিহঁতৰ বন্ধুবোৰে ভাল পোৱা নাছিল। আৰু না না কথা ৰূপালীৰ আগত লগাই সিহঁতৰ মাজৰ বন্ধুত্বৰ মধুৰ সম্পৰ্কত বিচ্ছেদ আনিছিল।

সন্ধিয়া একান্ত মনে অভিয়ে ঘৰলৈ বুলি খোজ কাঢ়িছে। চাইকেলখন বেয়া হোৱাত স্থানীয় দোকান এখনত মেৰামতিৰ বাবে দি সি খোজকাঢ়িয়ে আহিছে। হঠাৎ সন্ধিয়াৰ মৌনতা ভাঙি পিছফালৰ পৰা তাক কোনোবাই মতা শুনিলে।

অ...অ...ভি....ভি....ভি। মাততো কণা যদিও সি বুজি পালে। সি বৈ গ'ল। তাৰফালে আগবাঢ়ি আহিছে ৰূপালী। তাইৰ সেমেকা চকু। আউল বাউল চুলি। তাইৰ চকুযোৰিয়ে যেন তাক কিবা এটাৰ সংকেত দিলে। সি আচৰিত হৈ সুধিলে। 'ৰূপালী তুমি?' তলমুৰকৈ থাকি তাই শান্তভাৱে ক'লে— 'তোমাৰ লগত মোৰ অলপ কথা আছিল। কাইলৈ তুমি মোক যেনে-তেনে লগ ধৰিবা।' পৰিবেশটো তাৰ একেবাৰে অস্বাভাৱিক যেন লাগিল। সি কোনোমতে ক'লে- 'কিন্তু কাইলৈ মোৰ যে এটা জৰুৰী কাম আছে। ৰূপালীয়ে দৃঢ় ভাবে কলে— 'তুমি মোক কাইলৈ স্কুলত লগ ধৰিবা।' 'বাৰু' বুলি কৈ সি ৰূপালী যোৱাৰ ফালে বহু সময় চাই থাকিল। ৰূপাক পঠাই দি সি দীঘল বাটটোত বহুত কিবা কিবি ভাবিলে, কেৱল ভাবিলে। 'মোৰ অজ্ঞাতে কিবা ভুল! কিন্তু তেনে একোটো মনত নপৰে। সমাজত কিবা ভুল নে, কোনোবাই কিবা......?

পিছদিনা অভিয়ে প্ৰয়োজনীয় সকলো কাম সমাপ্ত কৰি স্কুললৈ গ'ল। মনত খেলিছে ভাৱ। কিন্তু ৰূপালীয়ে কোৱা কথাটোৱে তাক আচৰিত কৰি তুলিছে। যিবোৰ কথা কাৰোবাৰ জীৱনত ধুমুহাৰ সৃষ্টি কৰিব পাৰে সেই কথা তেওঁলোকে চিন্তা কৰিব নোৱাৰে।

ৰূপালীয়ে তাক দেখিয়েই আগবাঢ়ি আহিল। তাইৰ হৰিণী চকুযোৰি আজিও সেমেকি আছে। নিশ্চয় তাই ৰাতি কান্দিছিল। ৰূপাই ক'লে — 'জানা, যোৱাকালি পৰাগহঁত আমাৰ ঘৰলৈ গৈছিল।'

'ভাল কথা। বন্ধু বন্ধুৰ ঘৰলৈ যাবই।'সি সহজ ভাবেই কলে। 'মই সেইটো কোৱা নাই। তুমি কথাটো যিমান সহজ হিচাপে লৈছা সিমান সহজ নহয়।' তাইৰ কণ্ঠ করুণ হৈ

আহিছিল। 'তেন্তে সিহঁত যোৱাত কিবা ৰহস্য আছে নেকি ?' —'অ, আছে।' সিহঁতে তোমাৰ বিষয়ে আমাৰ ঘৰত বহু কথাইলগাইছে। মই তোমাক কিতাপ-পত্ৰ দি সহায় কৰা সকলো সময়তে তোমাৰ লগত মুকলী মূৰীয়াকৈ কথা পতা দেখি সিহঁতবোৰ ঈৰ্ষাত জ্বলিছে।'

'ৰূপা, শেষত, তুমি কিবা অসুবিধা পাই তুমি মোৰ পৰা আতৰিব বিছাৰিছা নেকি ?' শেষত তুমিও মোক এনেদৰে ভাবিলা। ৰূপাৰ চকু সেমেকি উঠিল। 'আমাৰ এই অকৃতিম বন্ধুত্ব দূৰে দূৰে থাকিলেও আজিৱন জীয়াই থাকিব।' কিন্তু আমিটো একো দোষ কৰা নাই। কিয় সিহঁতবোৰে আমাৰ পিছত লাগিছে।

ৰূপাই কিন্তু গহীন হৈ কলে—'সেইটো মযো জানো কিন্তু আমাৰ সমাজ ?'

'বাদ দিয়া তোমাৰ সেই সমাজ। এই ৰক্ষণশীল সমাজে আমাক শোষণ কৰি আহিছে। ৰক্ষণশীল মানুহবোৰে তৈয়াৰ কৰা এই নিয়ম-নীতিবোৰ কেৱল আমাৰ দৰে দুখীয়া বোৰৰ বাবেহে।আমাৰ বিপদ হলে সিহঁতে সহায় কৰিবলৈ নাহে। সমালোচনা কৰিব। তুমি মাত মাতিলে তোমাক এঘৰীয়া কৰি সমাজৰ লগত সম্পৰ্ক ছেদ কৰিব। আমি পশু মাৰিলে যি শাস্তি পাও, ধনী দালাল সমাজৰ ৰক্ষণশীল নিয়ম-নীতি তৈয়াৰ কৰা সিহঁতবোৰে মানুহ মাৰিও শাস্তিৰ পৰা হাত সাৰি যাব পাৰে। এয়াই বৰ্তমান সমাজ। বৰ্তমানৰ আইন। তোমাৰ টকা আছে তুমি আইনক নিজৰ হাতত লৈছা।' আবেগ আৰু উষ্ণ ভৰা কণ্ঠেৰে সি কথাবোৰ কৈ গৈছিল।

শেষত তাৰ মৰমৰ লগৰী শিক্ষাৰ বাটৰ এক সবল সাৰথি উৎসাহৰ ভৰাল ৰূপালীক সমাজে কাঢ়ি লৈ গ'ল। এক নতুন সমস্যাই দেখা দিলে। সময়ৰ লগে লগে তাৰ ঘৰুৱা পৰিবেশো বেয়া হৈ আহিবলৈ ধৰিলে। এইদৰে সি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুন্দৰ স্থান লৈ প্ৰথম বিভাগত পাছ কৰিলে। পৰীক্ষাৰ খবৰ পাই তাৰ ঘৰ মানুহেৰে ভৰি পৰিল। সকলোৰে মনত এক নতুন আন্দ, এক নতুন অশা ! কিন্তু অভিৰ আনন্দৰ মাজতো দুখ। যাৰ বাবে সি আজি এই আনন্দৰ গৰাকী সেই গৰাকী ৰূপালী আজি তাৰ পৰা বহুত দূৰত।

বিভেদকামী সমাজে তাইক আজি তাৰ ওচৰৰ পৰা কাঢ়ি লৈ গ'ল। বিভিন্ন শুভকাঙ্খীৰ সাহৰ্যাত সি স্থানীয় মহাবিদ্যালয় খনতে উচ্চতৰ মাধ্যমিক ক'লা শাখাত নাম লগালে। আৰম্ভ হ'ল তাৰ এক নতুন জীৱন। কিন্তু তাৰ দাৰিদ্ৰতাই তাৰ লগ এৰা নিদিলে। এতিয়া তাৰ ব্যৱসায় ডাঙৰ হ'ল। ৰাতিপুৱা সি বজাৰত সকলো মাল ঠিক কৰিহে কলেজলৈ যাব পাৰিছিল। আকৌ কলেজৰ পৰা বাহিৰে বাহিৰে বজাৰ কৰি ৰাতি ন বজাতহে ঘৰ পাইছিলহি। প্ৰয়োজন বোধে সি নিজৰ ঠেলাগাড়ীখন নিজে ব্যৱহাৰ কৰিবলৈও সংকোচ কৰা নাছিল। সেইবাবেই তাৰ বন্ধুবৰ্গৰ মাজত সি এক আদৰ্শ আছিল। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা তথা স্থানীয় ৰাইজে তাৰ সংগ্ৰামৰ সলাগ নলৈ নোৱাৰিছিল। এইদৰে মানৱ জীৱনৰ অলংকাৰ ঘাত-প্ৰতিঘাটৰ মাজেৰে এদিন সি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ল। না না কষ্টৰ মাজেৰেও নিয়মিত ভাৱে পঢ়া শুনা কৰাৰ বাবে পৰীক্ষাত তাৰ বিশেষ অসুবিধা নহ'ল। এদিন ফলাফল ওলাল। ব্যৱসায়ত ব্যস্ত থকা অৱস্থাতে বন্ধু এজনে তাক জনালেহি। 'ঐ আজি ৰিজাল্ট দিব। তই যাবিনে ?'

'মোৰনো আৰু ক'ত যোৱা হ'ব। তহঁতেই আনিবি।' কিছুসময়ৰ পিছত খবৰ ওলাল। অভিয়ে প্ৰথম বিভাগ পাইছে। বন্ধু বৰ্গই তাক বিছাৰি বজাৰ পালেগৈ। সিহঁতে তাক নাপাই দেউতাকক সুধিলে— 'খুড়া, অভি ক'ত গ'ল ?'— 'কিয় খবৰ ওলাল নেকি ? আমাৰ ইয়াৰ কেনে জানানে ?' দেউতাকে আগ্ৰহেৰে সুধিলে। 'হয় খুড়া সি প্ৰথম বিভাগত পাছ কৰিছে।'

'প্ৰথম বিভাগ!' কথাষাৰ উচ্চাৰণ কৰিয়ে দেউতাকৰ চকুৰেদি আনন্দৰ দুধাৰি লোতক বৈ আহিল। বন্ধু বৰ্গই তাক ডাঙি ধৰি আনন্দ কৰিবলৈ ধৰিলে। কিন্তু ৰূপা, সি খবৰ কৰি জানিব পাৰিলে যে ৰূপাই এইবাৰ ভাল ফল দেখুৱাব নোৱাৰিলে। আনন্দৰ মাজতো তাৰ চকু সেমেকি উঠিল। সন্ধিয়া সি ৰূপাহঁতৰ ঘৰ পালেগৈ। তাই কান্দিছে, কেৱল কান্দিছে। অভিক সন্মুখত দেখি তাইৰ কান্দোন একোপ চৰিল। সি বহু শান্তনা দিলে। বহু বুজালে। ঘৰখন একেবাৰে নিবৰ হৈ গ'ল। অহংকাৰী মাক অনুতপ্ত। কিছুময়ৰ পিচত সিয়ো ওলাই আহিল। সেইদিনা তাৰ ঘৰ মানুহেৰে ভৰি পৰিছিল। এক বুজাব নোৱাৰা আনন্দ। দুখীয়া হলেও তাক মাক-দেউতাকে চহৰত পঢ়োৱাৰ চিন্তা কৰিলে। প্ৰথমতে সি আহিব খোজা নাছিল। তাৰ অবিহনে ঘৰখন কেনেদৰে চলিব। কিন্তু মাক-দেউতাকৰ একান্ত ইচ্ছাৰ বিৰুদ্ধে সি যাব নোৱাৰিলে। এজন আত্মীয়ৰ তত্বাবধানত তাক চহৰলৈ পঠিয়াই দিয়া হ'ল। চহৰত অভিৰ এক নতুন জীৱন আৰম্ভ হ'ল। আগতে চহৰলৈ আহিছে যদিও স্থায়ী ভাৱে থকা এয়ে প্ৰথম। এক নতুন পৰিবেশ। নতুন আশা। প্ৰথমতে তাৰ ঘৰলৈ খুব মনত পৰিছিল। এইদৰে দিনবোৰ পাৰ হ'ল। বহুত নতুন বন্ধু বান্ধৱী লগ পালে। মন মিলা বন্ধুও পালে। কিছুমানৰ লগত ঘনিষ্ঠটাও হ'ল। চহৰত এক আগশাৰীত নাম থকা মহাবিদ্যালয়ত নাম লগাই দিয়া হ'ল। বহুদিন ক্লাচ কৰাৰ পাছত প্ৰথম বান্ধৱী ৰূপে চিনাকী হ'ল— অনামিকাৰ লগত। অনামিকা তাৰ শ্ৰেণীৰে এজনী অমায়িক শান্ত ছোৱালী। প্ৰথম চিনাকীতে





সি অনামিকাৰ আঁৰত ৰূপালীক প্ৰতিষ্ঠা কৰিলে। ৰূপালীৰ লগত অনামিকাৰ বহুত কথাই মিলে। অনামিকাৰ লগত তাৰ প্ৰথম চিনাকীৰ দিনটো তাৰ এতিয়াও মানস পতত সজীৱ হৈ আছে।

মহাবিদ্যালয়ৰ তাৰ শ্ৰেনীৰ কোঠাৰ কাষতে খেল পথাৰ। কিছু ছাত্ৰই তাত ক্ৰিকেট খিলিছে। প্ৰথম ক্লাছটো শেষ কৰি অনামিকা আৰু বান্ধৱী কেইজনিমানে তাৰ দৰ্শক হৈ খেলা চাই আছে। পিছৰ শ্ৰেনীটোলৈ বহু সময় থকাৰ বাবে সি অনামিকাৰ কাষতে বহি খেলা চাবলৈ ধৰিলে। তেনেদৰে বহাৰ বাবে অনামিকাই কিছু অসুবিধা বোধ কৰা যেন লাগিল।

'এই এওঁ একেবাৰে কাষতে বহিলহি।' অনামিকাই অভিমান ভৰা কণ্ঠেৰে কলে। অভি কিছু অসুবিধাত পৰিল। কোনোমতে ক'লে— 'কিয় ? কিবা অসুবিধা হৈছে নেকি ? নে বেয়া পাইছা ?' অনামিকাই খঙৰ জুই একুৰা জ্বলাই বেকাকৈ চালে। প্ৰথম চাৱনীতে যেন কিবা এটা কৈ গ'ল। সকলোৱে খেল চাই আছিল। অনামিকাৰ বান্ধৱীবোৰে কোনোবা এজন বন্ধুৰ কথা কৈ ধেমালী কৰি আছিল। তায়ো কিছু লাজ পোৱা যেন হৈ বান্ধৱীসকলক খং কৰিছিল। বান্ধৱী সকলে মাজে মাজে অভিৰ সমৰ্থন বিছৰাত সিও দুই এষাৰ উত্তৰ দিছিল। সেই আৰম্ভণিয়ে লাহে লাহে দুয়োৰে মাজত বন্ধুত্বৰ ডাল মেলিলে। অনামিকাৰ কথা বতৰা, অমায়িক ব্যৱহাৰ সহজ-সৰল জীৱন অভিৰ খুব ভাল লাগিছিল। তাইৰ গীতৰ আধুনীকতাৰ কোনো উশৃংখলতা নাই। নিয়মিত কৰ্মৰ গতি। এক সুখৰ জীৱন। কিন্তু সময়; বন্ধু মহলত সিহত দুয়োৰে আলোচনা হবলৈ ধৰিলে। প্ৰথমে বন্ধুবোৰেও শেষত বান্ধৱীবোৰেও সিহঁতক জোকাবলৈ আৰম্ভ কৰিলে। এনে এটা পৰিস্থিতিৰ সন্মুখিন হ'ব বুলি অভিয়ে কেতিয়াও আশা কৰা নাছিল।

শ্ৰেনী কোঠাৰ ভিতৰত তাৰ বিষয়ে ওলোৱা সকলোবোৰ শুনি শুনি অভিৰ মন অশান্ত হৈ পৰিল। শ্ৰেনীটোৰ তাৰ মন নবহা হ'ল। সি শুনা সকলোবোৰ কথা খুলি কবলৈ বহুদিন চেষ্টা কৰিছে যদিও পৰা নাই। মনত সাহস বান্ধি কম বুলি সি গৈছে। কিন্তু সি কিয় জানো অনামিকাৰ সন্মুখ পোৱাৰ লগে লগে সি যেন বোবা হৈ যায়। হয়তো অনামিকাইয়ো এইবোৰ কথা শুনিছিল। তাই হয়তো এই বিষয়ত তাকেই দোষী বুলি ভাবিছিল। কিন্তু সি এই কথা তাইক কেনেদৰে বুজাব তাৰ ভাষা বিচাৰি নাপায়। অনামিকাই বহু কথা কৈ শান্তনা দিছিল। মাক-দেউতাকৰ আশাৰ কথা, নিজৰ দায়িত্বৰ কথা সোঁৱৰাই নিজকে সমাজত ভালভাৱে প্ৰতিস্থা কৰিবলৈ কৈছিল। সি কেৱল শুনি গৈছিল। অনামিকাই তাক কৈছিল। 'জানা অভি তুমি ঘৰৰ ডাঙৰ ল'ৰা। ঘৰৰ সকলো দায়িত্ব সময়ত তুমিয়েই বহন কৰিব লাগিব। তোমাৰ ওপৰত মা-দেউতাৰ ওপৰিও ঘৰৰ সকলোৰে বহু আশা আছে। তেওঁলোকৰ মনৰ আশ তুমি পূৰ্ণ কৰিব লাগিব। সেয়েহে ভৱিষ্যতৰ সকলো দায়িত্ব বহন কৰিব পৰাকৈ তুমি নিজকে সাজু কৰা।'

সেই দিনা অভিৰ তাইক বৰ আপোন আপোন যেন লাগিছিল। মন গৈছিল চিৰদিন কাষত ৰাখি তাইৰ কথাবিলাক যেন শুনিব। অভিৰ যেন কিবা এটা হৈ গৈছিল। নিজৰ অজ্ঞাতেই সি তাইক ভাল পাই পেলাইছিল। কিন্তু নিষ্ঠুৰ। অনামিকাই.........।

'এইদাবে কি চাই আছা' অনামিকাৰ মাতত সি উচপ খাই উঠিল। কিমান সময় সি একেথৰে এইদৰে অনামিকালৈ চাই আছিল গমকে নাপালে। সি যেন ধৰা পৰি গ'ল। লাজ লাজকৈ ক'লে।' তোমাক আজি খুব ভাল লাগিছে। তোমাক মোৰ চিৰ দিন এইদৰে চাই থাকিবলৈ মন গৈছে। তোমাৰ ফটো একপি দিবা না।

অনামিকাক নিজৰকৈ পোৱাত বহুত বাধা আছে। দুয়োৰে মাজত এক বিশাল প্ৰচীৰ। দুয়োৰে মাজত থকা সেই প্ৰাচীৰখন বগাব পৰা তাৰ সাহস আছে কিন্তু তাৰ আদৰ্শই তাক বাধা দিয়ে। সি এখোজ পিছুৱাই আহে। সেয়েহে সি তাৰ মনৰ কথা অনামিকাক খুলি নকলে। অনামিকাই নাটক কৰে, গান গাই। বহু মঞ্চত সাফল্যৰে কৰা অভিনয় সি চাইছে। তাইৰ এই উদীয়মান প্ৰতিভাক সি সদায় স্বাগতম জনাই। ইতিমধ্যে এজন উচ্চ পদবীধাৰী বিষয়াৰ লগত অনামিকাৰ বিয়া ঠিক হৈ গৈছে। তাইয়ে তোক কথাটো কৈছিল। সি সেইদিনা এক নতুন আনন্দত ভগৱানক খাতিছিল তাইক সুখি কৰিবলৈ। অনামিকাই আজি শেষ বাৰৰ বাবে গান গাইছে। হয়তো বিয়াৰ আগৰ বিশাল জনতাই গানত মুগ্ধ হৈ হাত চাপৰিৰে তাইক ওগল জনাইছে। একান্তমনে বহি অভিয়ে তাইৰ মুখখনিলৈ চাই ভাবিছে, জীৱনৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত। অস্পষ্ট ভাবে তাৰ মুখৰ পৰা এষাৰ কথা ওলাই আহিল।

অ----না----মি----কা---- শে---ষ---ত--- তু---মি---মি---ও---। সি চাৰিওফালে দেখিলে অন্ধকাৰ, কেৱল অন্ধকাৰ। ★

■ খঙে নিষ্প্ৰাণ মানুহকো প্ৰাণৱন্ত কৰে; কিন্তু লগতে দুখীয়াও কৰে।

ফ্ৰান্সিচ বেকন

# কালচক্ৰ

শ্ৰীঅনামিকা দেৱী
স্নাতক প্ৰথম বাৰ্ষিক



অবিনাশ মৌন ভাৱে ঘৰমুৱা হ'ল। মানসীৰ অকাল মৃত্যুৱে তেওঁক ভাঙি ছিন-বান কৰিলে। তেওঁৰ ভৰিৰ তলৰ পৰা যেন গোটেই বিশ্ব-ব্ৰহ্মাণ্ডখন নাইকিয়া হৈ গ'ল। যিজনী মানসীক অবিনাশে প্ৰাণ ভৰি ভাল পাইছিল, যিজনী মানসীক তেওঁ বুকুৰ মাজত সাৱতি দিন অতিবাহিত কৰিছিল আৰু যিজনী মানসীৰ মৰমে তেওঁৰ হৃদয় ওপচাই ৰাখিছিল— সেইজনী মানসীয়ে আজি তেওঁক অকলশৰীয়া কৰি এৰি গুচি গ'ল। বিয়াৰ ঠিক আগে আগে তাই অবিনাশলৈ লিখিছিল —"মোক তুমি যি বুলি ভাবা ভাবিবা, মোৰ কোনো আপত্তি নাই। মই তোমাক কোনোদিন আনন্দ দিব নোৱাৰিলেও তুমি মোক লৈ সজা কাৰেংঘৰটো মই নিজ হাতেৰে ভাঙিলোঁ। মই জানো তুমি মোক প্ৰাণভৰি ভালপোৱা। অবিনাশ, তোমাৰ মোৰ মাজত থকা দেৱালখন ভাঙিবলৈ মই আজি একেবাৰে অসমৰ্থ। মই তোমাৰ সবল অন্তৰখন ভাঙি থান-বান হোৱাটো নিবিচাৰো। সেয়ে মই আজি নিজৰ পথ বাছি লৈ যোৰহাট কলেজৰ অধ্যাপক শশাঙ্ক ভট্টৰ লগত বিবাহ পাশত আবদ্ধ হবলৈ মনস্থ কৰিলোঁ তুমি আশীৰ্বাদ দিয়ানে! অভিশাপ দিয়া দিবা। মই গ্ৰহণ কৰিবলৈ সদায়ে সাজু। কিন্তু 'ধন' তোমাৰ মৰমে বাৰে বাৰে বিভিন্নাই কৈছে তুমি মোক অভিশাপ দিব নোৱাৰা আৰু মনত ৰাখিবা মোৰ অবিহনে তুমি যদি তোমাৰ ভৱিষ্যত জীৱন ধ্বংস কৰা সেয়াই মোৰ বৈবাহিক জীৱনত অভিশাপ স্বৰূপে সাঁচ বহিব। এয়াই তোমাৰ মানসীৰ তোমালৈ জনোৱা মৰম।"

সঁচাকৈয়ে মানসীয়ে অবিনাশক এৰি গুচি গ'ল। ক্লাছ নাইনত পঢ়ি থকা অৱস্থাত এটি সাংস্কৃতিক অনুষ্ঠানত মানসী আৰু অবিনাশৰ দেখা-দেখি হৈছিল। দেখিবৰ পৰা মানসীৰ হৃদয়ৰ মেল খাই থকা দুৱাৰেৰে অবিনাশে প্ৰবেশ কৰিছিল। মানসীয়ে প্ৰতিদিনে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছিল অবিনাশৰ মৰমত তাইক চিৰদিন বুৰাই ৰাখিবলৈ। মানসীৰ প্ৰাৰ্থনাত ভগৱান সন্তুষ্ট হ'ল সঁচা কিন্তু এলাগুকলীয়া সমাজখনৰ অতীত প্ৰাচীৰখনে সিহঁতৰ নিবিড় ভালপোৱাক স্বকৃতি দিব নিবিচাৰে।

অবিনাশ সেই সময়ত স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। জ্ঞান-বুদ্ধিৰ ফলৰ পৰা অবিনাশে জানিছিল অতীত প্ৰাচীৰখনৰ প্ৰতিটো শব্দ। কিন্তু মানসীৰ সৰল মুখখনৰ আগত কোনো কথাই খুলি ক'ব পৰা নাছিল। হয়তো সিহঁতৰ মাজত থকা অকৃত্ৰিম ভালপোৱাই বাধা দিছিল। কিন্তু এদিন পৰিস্থিতি সাপেক্ষে সকলো কথা কলে যদিও উন্মাদ মানসীজনীয়ে হাৰ নামানিলে।

ভগৱানৰ ওচৰত বিশ্বাস ৰাখি সিহঁত আগবাঢ়িল। মানসী উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। অবিনাশে বি. এ. পাচ কৰি ব্যৱসায়ত লাগিছিল। অবিনাশৰ ভয় হ'ল মানসীয়ে যদি তাইৰ পঢ়া-শুনা কমাই দিছে তেন্তে তেও আশা কৰা মতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত ফলৱতী হ'ব নোৱাৰিব। যদি সেয়াই হয়, অবিনাশে সজা কল্পনাৰ কাৰেং-ঘৰটো ভাঙি শেষ হৈ যাব।

: মানসী মোৰ ওচৰত বহাচোন। মোৰ একেবাৰে ওচৰলৈ আহা।

: কিয় ? মই চোন তোমাৰ ওচৰতে আছোঁ।

: নহয় অ', আৰু ওচৰত আহা না।

: তুমি অবিনাশ, যেনেকুৱাখন কৰিছা মই যেন তোমাৰ পৰা বহুত আঁতৰতহে আছোঁ। —অবিনাশে মানসীৰ হাতখন কোলাত তুলি ললে।

: মানসী মোৰ ভাৱ হয় তুমি যদি মোৰ পৰা হেৰাই যোৱা। সেয়েহে তোমাক সদায় কওঁ তুমি ভালকৈ পঢ়া, ভাল ৰিজাল্ট কৰা, নিজৰ ভৱিত ঠিয় দিয়া। তাৰপাছত নিজৰ জ্ঞান-বুদ্ধিৰ দ্বাৰা সমাজৰ আৱৰ্জনাবোৰ আঁতৰাই আমি দুয়ো দুয়োৰে ওচৰ চাপিম। তোমাৰ জানো মন নাযায় মোৰ ওচৰ চাপিবলৈ।

মানসীৰ দুচকুৰে ধাৰাসাৰে তপত অশ্ৰু নিগৰি ওলাই আহিল। অবিনাশ আৰু মানসীৰ ভালপোৱা ওপঙি থকা ফচুৰ নিচিনা নহয়, সিহঁতৰ ভালপোৱা আছিল নিবিড়। য'ত কৃত্ৰিমতাৰ কোনো চিন-চাবেই নাই। অবিনাশৰ অনুপ্ৰেৰণাতে মানসী পঢ়া-শুনাত লাগিল। আনকি মাক-দেউতাকৰ পৰা অকথ্য লঘু-লাঞ্চনাকো সহ্য কৰিলে। এদিন উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল ওলাল। মানসীয়ে গোটেই পৃথিৱীখন অন্ধকাৰ দেখিলে। আত্মবিশ্বাস হেৰাই গ'ল। তাই আশা কৰা মতে ফলৱতী হ'ব নোৱাৰিলে। অবিনাশে মানসীৰ ৰিজাল্টটো সহজ ভাৱে লৈছিল। মানসীৰ মতে উচ্চ ফলা-ফল আছিল তাইৰ আৰু অবিনাশৰ যুগ্ম জীৱনৰ একমাত্ৰ পথ। এই একমাত্ৰ পথটো তাইৰ বাবে চিৰদিনৰ কাৰণে বন্ধ হৈ গ'ল।

অবিনাশৰ পৰা ক্ৰমে তাই পলাই ফুৰিবলৈ ধৰিলে। দুয়ো দুয়োৰে মানসিক অৱস্থা আঁতৰৰ পৰা বুজি পাইছে। অবিনাশে মানসীক প্ৰাণভৰি ভাল পাইছিল। সেয়ে তাই যেনেকৈ শান্তি পাই তেনেকৈ অবিনাশে তাইক থাকিবলৈ অধিকাৰ দিছিল।

সৃষ্টি কৰ্ত্তা ভগৱানে তেওঁৰ সন্তানৰ কেতিয়াও অমঙ্গল কামনা নকৰে। মানসীৰ তেনেকুৱা ফলাফলৰ নিশ্চয় কিবা উদ্দেশ্য আছিল। ভগৱানে সদায় দুষ্টক দমন, শান্তক পালন কৰে। ভগৱানে হয়তো সিহঁতক ভুল পথৰ পৰা শুদ্ধ পথলৈ আনিবলৈ ইয়াকে কৰিলে। এয়ে ভগৱানৰ আশীষ নিৰ্মালি বুলি লৈ মানসীয়ে পুনৰ কলেজলৈ যাবলৈ ধৰিলে। ক্ৰমে দিন বাগৰিল। মানসী স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী।

ৰিজাল্টৰ পাছত মানসী প্ৰতিজ্ঞাবদ্ধ হৈছিল যে তাই আৰু অবিনাশক দ্বিতীয় এটা কল্পনাৰ কাৰেংঘৰ সাজিবলৈ নিদিয়ে। আকৌ যদি দ্বিতীয় ঘৰটো ভাঙি যায়, তেন্তে দুখত অবিনাশ সঁচাকৈয়ে এই পৃথিৱীৰ পৰা নিঃশেষ হৈ যাব। তেতিয়া অকলশৰীয়া পৃথিৱীখনত থাকি মানসীয়ে কি কৰিব। সেইদিনাৰ পৰা মানসীয়ে নিজকে কৰ্ত্তব্যৰ প্ৰতি মনোনিবেশ কৰিছিল। ভগৱানে তাইক এই পৃথিৱীলৈ সৃষ্টিৰ বাবেই পঠিয়াইছে। সৃষ্টি কৰাটো তাইৰ প্ৰধান কৰ্ত্তব্য। সেয়ে এদিন তাইৰ ঘৰৰ সকলোৰে সন্মতত মানসীৰ বিয়া হৈ গ'ল। মানসীৰ আপত্তি কৰিবলৈ কোনো পথ নাছিল। কৰ্ত্তব্যপৰায়ণ মানসীৰ দিন বাগৰাৰ লগে লগে জীৱন কাল চমু চাপি আহিল। ৰাজু আৰু মণিৰ জন্মৰ ঠিক পাঁচ বছৰ পাছত মানসী কৰ্কত ৰোগত আক্ৰান্ত হ'ল।

ইফালে মানসীক হেৰুৱাই অবিনাশ ভাঙি পৰিছিল। নিজক চম্ভালিবলৈ যত্ন কৰিও চম্ভালিব পৰা নাছিল। অবিনাশে ভাবিছিল যে তেওঁৰ বিপদমুখী অভিযান মানসীৰ বৈবাহিক জীৱনৰ অভিশাপ হ'ব। কিন্তু অবিনাশৰ আজি যে আৰু উপায় নাই। সেয়েহে ভগৱানৰ ওচৰত মানসীক আনন্দৰ মাজেৰে ৰাখিবলৈ প্ৰাৰ্থনা কৰিলে। আনফালে মানসীৰ ৰোগ বাঢ়ি আহিল। মানসীয়ে ভাবিলে অবিনাশৰ পৰা আঁতৰি আহি পাপ কৰিলে আৰু তাই সেই পাপৰ প্ৰায়শ্চিত্য কৰিবলৈ তাই আজি এনে ৰোগত ভূগিব লগীয়া হ'ল। আচলতে মানসীয়ে কোনো পাপ কৰা নাছিল। প্ৰকৃতিয়ে সিহঁতৰ ভালপোৱাক দুফালে দুভাগ কৰিলে। তাই কি কৰিব ? প্ৰকৃতিৰ ওপৰত মাত মাতিবলৈ তাইৰতো সামৰ্থ্য নাই।

পৰীক্ষাৰ ফলাফলৰ পিছৰপৰা মানসী আৰু অবিনাশ প্ৰায় দেখা দেখি হোৱা নাছিল। মানসীৰ ৰোগৰ বাতৰি পাই অবিনাশ আৰু স্থিৰেৰে থাকিব নোৱাৰিলে। মানসীৰ মৰমে অবিনাশৰ পুৰুষ হৃদয়খন একেবাৰে কোমল কৰি তুলিছিল। একেকোৰে আহি শশাঙ্ক ভট্টৰ ঘৰত যি দৃশ্য দেখিলে অবিনাশে নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাছিল। অবিনাশ আৰু মানসীৰ ভালপোৱাৰ প্ৰতীক স্বৰূপে এই মানৱ সমাজত অবিনাশে নিজৰ জীৱনটো জিলিকাই ৰাখিলে।

অবিনাশ আৰু মানসীৰ ভালপোৱা সঁচা আৰু পবিত্ৰ নাছিলনেকি ? স্বকীয় ভালপোৱাৰ অৰ্থনো কি আৰু কেনেকুৱা ? অবিনাশৰ এনেবোৰ প্ৰশ্নৰ উত্তৰ আপুনি জানো দিব পাৰিব ? যদি নোৱাৰে, তেন্তে আপুনি আপোনাৰ মনৰ আৱৰ্জনাবোৰ আঁতৰাই শুধৰাই নলয় কিয় ? আৰু যদি উত্তৰ দিব পাৰে তেন্তে উত্তৰ দিয়ক। মনে মনে নাথাকিব। ★

■ চুটি গল্প জীৱনৰ একোটা বিশেষ মুহূৰ্তৰ চকমকা ছবি। এই ছবি আত্ম সম্পূৰ্ণ, লগতে আত্ম সংযত। চুটি গল্প আকাশী পৰীৰ নহয়, নাইবা পক্ষীৰ্যোৰা বা ৰূপকোঁৱৰৰ বস্তুও নহয়। চুটি গল্প বাস্তৱ বস্তু; সেই বুলি এইবোৰত যে কল্পনাৰ বং নাইবা অনুভূতিৰ জোকাৰ থাকিব নোৱাৰিব এনে নহয়। অনুভূতিৰ স্পৰ্শই আৰ্টক সজীৱ কৰে, জীপ দিয়ে। ইয়াৰে অভাৱত আৰ্ট ৰসহীন ছবি নাইবা ফটোগ্ৰাফলৈ ৰূপান্তৰিত হোৱাটো সম্ভৱ। ফটোগ্ৰাফী আৰ্ট নহয়। চুটি গল্প ফটোগ্ৰাফ ধৰ্মী নহয়, ই চিত্ৰ ধৰ্মীহে।

হেম বৰুৱা





দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী

# অশ্ৰু

শ্ৰীসুশীলা সিংহা
স্নাতক তৃতীয় বাৰ্ষিক

"মা ! মা !" স্কুলৰপৰা আহিয়েই টেবুলত কিতাপখিনি থৈ মণ্টুৱে মাকক মাতিলে। মাক কনিকাই পুতেকৰ মাত শুনি বান্ধনী ঘৰৰ পৰা ওলাই আহিল। মণ্টুৱে মাকক সাৱতি ধৰি কলে— "মা আজি আমাৰ চাৰে কি কলে জানা ? কলে যে আমাৰ মাজৰ পৰা ভৱিষ্যতে মহাত্মা গান্ধীৰ নিচিনা মহান পুৰুষ, জৱাহৰলালৰ নিচিনা ৰাজনীতিজ্ঞ, সুভাষ বসুৰ নিচিনা সাহসী মানুহ আৰু ইন্দিৰা গান্ধীৰ নিচিনা মানুহ উদয় হ'ব লাগিব। তাৰ বাবে আমাক লাগিব মা-দেউতা আৰু চাৰহঁতৰ প্ৰতি অসীম শ্ৰদ্ধা আৰু ভক্তি। কোৱা মা মই তেওঁলোকৰ দৰে হ'ব পাৰিমনে ?"

পুতেকৰ কথাষাৰ শুনি মাক কনিকাই তাক কোলাত বহুৱাই মৰমেৰে কলে— "পাৰিবা বাচা যত্ন কৰিলে সকলো পাৰিবা।" মাকৰ কথা শুনি মণ্টুৱে উলাহতে কলে— "তেনেহলে আপুনি মোক মহাত্মাগান্ধী, জৱাহৰলালৰ ফটো কিনি দিব মা। মই সদায় তেওঁলোকক পূজা কৰিম, যাতে তেওঁলোকৰ আদৰ্শেৰে আগুৱাই যাব পাৰোঁ।" মাকে পুতেকৰ গালত চুমা এটা দি কলে— "কিনি আনি দিম বাচা! এতিয়া যোৱা, হাত-ভৰি ধুই আহাগৈ।' মণ্টুৱে মাকৰ কথা শুনি হাত-ভৰি ধুই ভাত খাবলৈ গ'ল। খাই উঠি ক'লা ৰঙা পেণ্টৰ সৈতে হালধীয়া ৰঙৰ চাৰ্টটো সুমুৱাই লৈ কলে— "মা মই এতিয়া খেলিবলৈ যাওঁ।" মাকে এবাৰ তাৰ সাজ-পোছাকলৈ চাই মৰমেৰে কলে— "অলপ জিৰণি লোৱাচোঁন, নহ'লে কষ্ট পাবা।" মাকৰ কথা শুনি অলপ সময় ৰ'ল। সেই সময়খিনিত তাক চাৰে কোৱা কথাষাৰ মনত পৰিল। চাৰে এদিন কৈছিল— "মাক-বাপেকৰ অবাধ্য হোৱাটো বেয়া আৰু সদায় তেওঁলোকৰ উপদেশ মানি চলিব লাগে।" মণ্টুৱে বিচনাখনত এনেয়ে দীঘল দি কিবা-কিবি কথা ভাবি থাকোতে ৰবিনে আহি মণ্টুৰ মাকক সুধিলে— "খুৰীদেউ, মণ্টু কলৈ গ'ল ? আজি খেলিবলৈ নাযায় নেকি ?" ৰবিনৰ মাত শুনি মণ্টুৱে কোঠাৰ পৰা ওলাই মাকৰ আদেশৰ বাবে চাই থাকিল। মাকে মৰমেৰে কলে— "মণ্টু তুমি খেলিবলৈ যোৱা নাই নেকি ?" মণ্টুৱে কলে— "মা, তুমি মোক অলপ জিৰণি ল'ব কৈছিলা।" 'এতিয়া যোৱা সোনকালে আহিবাদেই' মণ্টু আৰু ৰবিন দুয়ো ওলাই গ'ল। মাকে সিহঁত যোৱাটো চাই থাকিল। কনিকাই ঘৰৰ কাম-কাজ শেষ কৰি জিৰণি লবৰ বাবে বাৰান্দাত পিৰা এখন লৈ বহিল। খন্তেক পিছতে কৰবাৰ পৰা দৌৰি আহি মাকক সাৱতি ধৰিলে। মণ্টুক দেখি মাক আঁচৰিত হ'ল। সি কন্দাৰ সুৰত কবলৈ ধৰিলে— "জানা মা, ৰবিনহঁতৰ দেউতাকে সিহঁতৰ কাৰণে নতুন সাজ-পোছাক কিনি আনিছে আৰু মোৰ চোলাটো ফটা দেখি ইতিকিং কৰিবলৈ ধৰিলে— মোৰ হেনো দেউতা নাই! কোৱা মা, মোৰ দেউতা ক'ত আছে ?"

পুতেকৰ কথাষাৰ শুনি কনিকাই তাৰ মুখৰ ফালে চাই দেখে পুতেকৰ চকুত অশ্ৰু। কনিকা অন্ধকাৰত ডুবি গ'ল। তাই এবাৰ ওপৰৰ আকাশখনলৈ চাই পঠিয়ালে আৰু লগে লগে অতীতৰ স্মৃতিবোৰ চিনেমাৰ দৰে ভাঁহি উঠিল।

যেতিয়া কনিকাৰ বিয়া হৈছিল, সেই সময়খিনিত তাইৰ বয়স ১৬ বছৰ মাত্ৰ। ঘৰখনত মাত্ৰ মাক, দেউতাক আৰু সৰু ভায়েকটোৰ সৈতে চাৰিজনৰ সংসাৰখন। কনিকাৰ দেউতাক যোগেন আছিল এজন সাধাৰণ শিক্ষক। ঘৰৰ অৱস্থা ভাল নাছিল কাৰণে তাই হাইস্কুলৰ শিক্ষা আয়ত্ব কৰিব নোৱাৰিলে। অকল প্ৰাইমাৰী শিক্ষা আৰু মাক-দেউতাকৰ পৰা পোৱা শিক্ষা লৈ ১৬ বছৰ বয়সত নতুন বোৱাৰী হিচাবে এখন ঘৰৰ দায়িত্ব ল'ব লগা হ'ল। কনিকাৰ বিয়া হৈছিল এখন সম্ভ্ৰান্ত ঘৰৰ একমাত্ৰ পুতেক ৰাজেন বৰাৰ লগত।

কনিকাই আশা-আকাঙ্খা মনত বান্ধি লৈ এজনী ন-বোৱাৰী ৰূপে আহিছিল সেই নতুন ঘৰখনলৈ। কিন্তু তাইৰ সকলো আশা ভাঙি-চিঙি গ'ল সিদিনাখন— যিদিনা তাই গম পালে যে তাইৰ স্বামী এজন চৰিত্ৰহীন মানুহ। প্ৰথমতে ৰাজেন কেইদিনমান কনিকাৰ লগত আছিল। কিন্তু দিনবোৰ পাৰ হৈ যোৱাৰ লগে লগে তেওঁ ঘৰলৈ অহা বন্ধ হ'ব ধৰিলে। কেতিয়াবা ৰাতি মদ খাই ঘৰত আহি কনিকাৰ ওপৰত অত্যাচাৰ কৰে। এই সকলোবোৰ দুখ-বেদনা সহ্য কৰি কনিকাই সদায় গিৰিয়েকক ভাল পথলৈ আনিবলৈ চেষ্টা কৰে। কিন্তু তাইৰ সেই চেষ্টা বিফল হ'ল। এনেকৈ দুখ-বেদনাৰ মাজেদি কনিকাই দুটা ল'ৰাৰ মাক হ'বলৈ পালে। তাই ৰিণ্টু আৰু মণ্টুক লৈ সুখৰ সাগৰত ওপঙি ফুৰিছিল। তাই ভাবিছিল যে ৰিণ্টুহঁতৰ মুখলৈ চাই গিৰিয়েক চৰিত্ৰহীন কামৰ পৰা ঘূৰি আহিব। কিন্তু কনিকাৰ সেই আশা সম্পূৰ্ণ নহ'ল। দুদিনৰ 'তাইফয়েড'তেই ৰিণ্টু গ'ল কোনোবা অজান দেশলৈ। সেইদিনাখন তাই ৰিণ্টুক সাৱতি ধৰি কান্দিছিল। কান্দি কান্দি তাই অচেতন হৈ পৰিছিল। কিন্তু কন্দা নাছিল ৰাজেনে। সিদিনাখন তাই অনুভৱ কৰিলে যে মতা মানুহবোৰ ইমান নিষ্ঠুৰ! ৰিণ্টুৰ মৃত্যুৰ পিছৰ পৰা কনিকা হতাশ হৈ পৰিছিল। খোৱা-পিন্ধালৈ মন কৰা নাছিল। কিন্তু এই সকলোবোৰৰ পৰাও বিৰত থাকি গিৰিয়েকক কি ধৰণে সৎ পথলৈ আনিব পাৰি তাৰ চেষ্টাতে লাগিছিল। কিন্তু তাৰ ফলস্বৰূপে তাই সেই ঘৰখন ত্যাগহে কৰিব লগীয়া হ'ল।

যিদিনাখন তাই মাক-দেউতাকৰ ঘৰলৈ গুছি আহিছিল তাৰ দুদিন আগতে ৰাজেন ঘৰত নাছিল। কনিকাই ৰাতিপুৱা মণ্টুক বোকোচাত লৈ বাৰান্দাখনত বহি আছিল। অপনা মুখত গাড়ীৰ শব্দ শুনি ঘূৰি চাই যি দেখিলে, তাই নিজৰ চকুযোৰকে বিশ্বাস কৰিব নোৱাৰা হ'ল। কাৰণ সেই সময়ত ন-কইনা এজনীৰ সৈতে গাড়ীৰ পৰা নামি আহিল ৰাজেন আৰু সেই দিনাই মণ্টুক লৈ তাই নিজৰ ঘৰ এৰি থৈ মাকৰ ঘৰলৈ গুছি আহিল।

এয়া আছিল আজি তিনি বছৰৰ আগৰ কথা। এই তিনি বছৰে ৰাজেনে তেওঁলোকৰ কোনো খা-খবৰ লোৱা নাছিল। কেতিয়াবা মণ্টুৱে দেউতাকৰ কথা সুধিলে চকুলো টুকি কনিকাই অইন ফালেদি গুছি যায়। তাই ভাবে কেনেকৈনো অতীতৰ স্মৃতি প্ৰকাশ নকৰাকৈ মণ্টুক মানুহ কৰি তুলিব পাৰে। কিন্তু আজি মণ্টুৰ প্ৰশ্নত তাইৰ হৃদয়খন কঁপি উঠিল।

বহুত সময় মাক নিমাত হৈ থকা দেখি মাকৰ মুখলৈ চালে। মাকৰ মুখলৈ চাই আঁচৰিত হ'ল মণ্টু। সি বুজি পালে যে কিবা বুজাব নোৱাৰা কথাই মাকক আগুৰি ধৰিছে। সি প্ৰায়ে মাকৰ চকুলো দেখিছে, কিন্তু আজিৰ দৰে চকুলো কোনো দিন দেখা নাই। কনিকাইও পুতেকৰ মুখলৈ চাই চকুলো টুকি কবলৈ ধৰিলে তাইৰ জীৱনৰ দিনপঞ্জী।

মণ্টুৱে মাকৰ পৰা শুনিলে তাৰ জীৱনৰ দিনপঞ্জী। সি ক'ব নোৱাৰে ক'ত ইয়াৰ সামৰণি পৰিব। সি ভাবোতে ভাবোতে মাকক কি বুলি শান্তনা দিব। মাকৰ ডিঙিত সাৱতি ধৰি কবলৈ ধৰিলে— "মা, নাকান্দিবা। মই ডাঙৰ মানুহ হম। দেউতাই আমাক পাহৰিলেও এদিন ভুলৰ প্ৰায়শ্চিত্য কৰিবলৈ আমাৰ কাষলৈ আহিব।"

মণ্টুৱে সিদিনাখনৰ পৰাই সদায় সন্ধিয়া পৰত ডাঙৰ মানুহ হোৱাৰ উদ্দেশ্যে ধূপ-ধূনা জ্বলাই সেৱা কৰে, কাৰণ সিহঁতৰ নিচিনা যাতে ডাঙৰ মানুহ হ'ব পাৰে। কিন্তু তাৰ সেই আশা পূৰণ নহ'ল। কনিকাই মনে খণ্ডা পুখুৰীৰ পানী খাবলৈ নাপালে। কনিকাই মনতে ভাবিছিল— মণ্টু উপযুক্ত এজন হৈ উঠিলে গিৰিয়েকৰ ওপৰত প্ৰতিশোধ ল'ব। যেতিয়া মণ্টুৱে পঢ়া-শুনা কৰি ডাঙৰ মানুহ হ'ব, তেতিয়া নিশ্চয় তাক দেউতাকে বিচাৰি আহিব। কিন্তু....।

তাই আৰু ভাবিব নোৱাৰে। জ্বৰত পৰি থকা পুতেকৰ মুখখনলৈ চাই ভাবিব নোৱাৰে কনিকাই। আজি চাৰিদিন হ'ল মণ্টুৰ জ্বৰ হোৱাটো। লাহে লাহে জ্বৰ বেছি হৈ আহিব ধৰিলে। ডাক্তৰৰ ঔষধে কোনো কাম দিয়া নাই। কনিকাই পুতেকৰ মূৰটো কোলাত লৈ চকুলো টুকি বহি থাকে। মাকে খাবলৈ মাতিলেও নাখাই। সদায় ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি কয়— "মোৰ বাচাক ভাল কৰি দিয়া প্ৰভু।" কিন্তু নিষ্ঠুৰ ভগৱানে তাইৰ ফালে এবাৰো ঘূৰি নাচালে। মণ্টুৰ জ্বৰ বেছি হ'ব ধৰিলে। সি নানান কথা বলকিব ধৰিলে। কেতিয়াবা অজ্ঞান হৈ যায়। মাজে মাজে দেউতা দেউতা বুলি চিঞৰে। আজিও মণ্টুৱে করুণ সুৰেৰে ক'বলৈ ধৰিলে— "মা, দেউতাক এবাৰ মাতাচোন; দেউতাক চাবৰ মোৰ বৰ মন গৈছে। মোৰ আশা পূৰণ নহ'ব পাৰে মা ! মই জীয়াই নাথাকো ! মা তুমি নাকান্দিবা ! এবাৰ দে-উ-তাক...।'

হঠাৎ মণ্টুৰ কথাষাৰ বন্ধ হৈ গ'ল। কনিকাই বুকুত সাৱতি ধৰি থাকিল। তাই এবাৰো কান্দিব নোৱাৰিলে। ইমানদিনে কান্দি কান্দি তাইৰ অশ্ৰু শুকাই গৈছে। অকল করুণ নয়নেৰে মণ্টুৰ মুখলৈ চাই থাকিল। চাওঁতে চাওঁতে এবাৰ চিঞৰ এটা মাৰি মাটিত অজ্ঞান হৈ পৰিল। সিদিনাখন সন্ধিয়া ওচৰৰ শ্মশানত ভৱিষ্যতৰ বাবে সপোন বচা একজনক লৈ ডাঙৰ জুইৰ শিখা জ্বলি উঠিল। ★

৩। জনতাক শিল্পীৰূপ দিয়াই সংস্কৃতি। মানৱ জীৱনৰ ঘোৰ বাস্তৱতাৰ মাজতেইহে সংস্কৃতিৰ পূৰ্ণ ৰূপ বিকশিত হৈ উঠে। এই মানৱ জীৱনত বাস্তৱিক, মানসিক, আধ্যাত্মিক পূৰ্ণানন্দ পাৱৰ কাৰণে মানুহে জীৱনৰ প্ৰত্যেক বিভাগতে যি কৰে সেয়ে সংস্কৃতি

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ

# অনুভৱ

শ্ৰীগজেন ভাগৱতী
স্নাতক তৃতীয় বৰ্ষ



॥ ভগবানলৈ বৰ খং উঠে---------।"

তেওঁ কিয় ইমান স্বাৰ্থপৰ প্ৰশ্ন কৰিবৰ মন যায়!

এবাৰ মই হোটেল "বিছিপিচনিষ্ট"ৰ এটা ইন্টাৰভিউ দিছিলোঁ। কিন্তু মোৰ চাকৰি নহ'ল। কাৰণ মই দেখিবলৈ ধুনীয়া নহয়। সেয়েহে ধুনীয়া ডেকাক ছোৱাটো মোৰ এটা চখ। ধুনীয়া ডেকা দেখিলে মই থৰ লাগি চাই থাকোঁ।

ব্যস্ত গুৱাহাটী মহানগৰী। বাছ ষ্টপেজবোৰত মানুহৰ জুম। মই বৈ আছোঁ বন্ধু দুজনৰ সৈতে। বাছ কম, চাওঁতে চাওঁতে প্ৰায় বাৰ বাজিল। গাড়ী এখন আহি থকা দেখি মই আগবাঢ়িলোঁ। সমুখত দুজনী গাভৰু ছোৱালী। লগত এজন জিন্‌চৰ ছাৰ্ট-পেণ্ট পিন্ধা সুঠাম ডেকা, নাচাই নোৱাৰিলোঁ। গাভৰু দুজনীক নহয়, ডেকা জনকহে। ইমান ৰূপহ ডেকা মই আগতে দেখা নাই। কোনোবা মাতৃয়ে যেন বহু বছৰ তপস্যাৰ বলতহে লাভ কৰিছে। বহু কৌশল কৰিও ডোকাজনৰ লগত এষাৰ কথা পাতিব নোৱাৰিলোঁ— কাষত থকা গাভৰু দুজনীৰ বাবে। ভয়ো খাইছোঁ, ডেকাৰ থিয় হৈ থকা ভঙ্গী দেখি। তাৰ হাতৰ এটা খোঁচা সহ্য কৰাটো মোৰ বাবে অসম্ভৱ। মোৰ মনৰ হেঁপাহ বৈ গ'ল। গাড়ী খন আহি পালে। মহিলাৰ আসন তিনিখনত গাভৰু দুজনী আৰু ডেকাজন বহিল।

মই থিয় হৈ চাই আছোঁ। গাড়ীখনে ষ্টপেজবোৰত বৈ বৈ গৈ আছে। হঠাৎ কণ্ডাক্টৰজনে "হাইক'ৰ্ট-হাইক'ৰ্ট" বুলি চিঞৰিলে। তেতিয়াও মোৰ শেতা চকুহালে ডেকা জনৰ অংগে অংগে যেন কিবা বিচাৰি আছে নোপোৱাৰ বেদনাত।

চালকৰ ভৰিৰ নিৰ্দ্দেশত গাড়ী ৰ'ল। নমাতকৈ উঠাৰ সংখ্যা সৰহ আৰু সৰহভাগে ছোৱালী। ছোৱালীজাকে ডেকাজনৰ কাষত থিয় হৈ মিচিক-মাচাক্‌কৈ হাঁহিব ধৰিলে। ইজনীয়ে সিজনীৰ মুখলৈ চাই চকুৰে কিবা ইঙ্গিত দিলে। মই কিন্তু ডেকাজনলৈ লক্ষ্য কৰিয়েই আছোঁ। এজনী আধুনিকা ছোৱালী ডেকাজনৰ কাষলৈ আহি ক'লে— "লেডিজ চিট এৰি দিয়ক।" ডেকাজনৰ কিন্তু কোনো কাণসাৰ নাই। ছোৱালীজনী গৰ্জি উঠিল— "হেৰি আপোনাৰ ওচৰত লেডিজ থিয় হৈ থকা দেখা নাই জানো?" কেৰাহিকৈ চাই মই লক্ষ্য কৰি থকা ডেকাজনে উত্তৰ দিলে— "মই পিছে ল'ৰা নহয়দেই।" ছোৱালীজনী বঙা-ছিঙা পৰি গ'ল। কাষত বহি থকা আইতা জনীয়ে ক'বলৈ ধৰিলে,— দিন কাল সলনি হ'ল যুগৰ পৰিবৰ্তন হ'ল, আমিও ল'ৰা বুলিয়েই ভাবি আছিলোঁ...।

আবেলিৰ সূৰ্যৰ হেঙুলী কিৰণবোৰ কোমল ঘাঁহনিৰ ওপৰত বাগৰি যোৱাৰ দৰে মোৰ মনতো এক তৰঙ্গৰ সাঁচ। অজানিতে মোৰ হাতখনে ওখোৰা-মোখোৰা গালখন স্পৰ্শ কৰি ডিঙিৰ ওপৰত বৈ গ'ল।

—মই যেন বাৰ্কৈয়ে অনুভৱ কৰিছোঁ। এগিলাছ চেঁচা পানীৰ। ★

। সাহিত্য জনগণৰহে সম্পত্তি— সাহিত্যৰ ভাষা সততে প্ৰাঞ্জল আৰু সৰ্বসাধাৰণৰ বোধগম্য হলেহে তাৰ দ্বাৰা জাতীয় জীৱন গঢ়িত হ'ব পাৰে; নহলে সি জাতিটোৰ উন্নত এটা শ্ৰেণীক ফালি নি তাক নিশকতীয়া আৰু মৰামুৰা কৰে। কিয়নো, ভাষাত অকল শিক্ষিতৰ আধিপত্য নৰজে, ই জনসাধাৰণৰহে সম্পত্তি।

পদ্মনাথ গোহাঞিবৰুৱা







শ্ৰীগজেন ভাগৱতী
তৰ্কবিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগী



মুন্নিজান বেগম
ছাত্ৰী জিৰণী কোঠাৰ
শ্ৰেষ্ঠ প্ৰতিযোগী



শ্ৰীদিলীপ চন্দ্ৰ বাহাং
শ্ৰেষ্ঠ সঙ্গীতজ্ঞ

## আমাৰ প্ৰতিভা



শ্ৰীতপন কুমাৰ হাজৰিকা
লঘু ক্ৰীড়া বিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগী



শ্ৰীসুনীতা আগৰৱাল
লঘু ক্ৰীড়া বিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগী



শ্ৰীগনেশ শইকীয়া
মঙ্গলদৈত অনুষ্ঠিত আন্তঃ মঃ
তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ



শ্ৰীনবজ্যোতি ডেকা
সদৌ অসম ভিত্তিত আয়োজিত আধুনিক
গীত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ



শ্ৰীৰবীতা বৰবৰা
গুৰু ক্ৰীড়া বিভাগৰ
শ্ৰেষ্ঠ প্ৰতিযোগী



শ্ৰীজুনুচ বাদী
গুৰু ক্ৰীড়া বিভাগৰ
শ্ৰেষ্ঠ প্ৰতিযোগী

## আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় অধ্যাপক-অধ্যাপিকা সকল



বাওঁফালৰ পৰা থিয় হৈ— শ্ৰীখগেন চন্দ্ৰ বড়ো, জেবিন আখ্‌টাৰ, শ্ৰীমতী নন্দিনী শৰ্মা (বৰুৱা), শ্ৰীমতী মঞ্জুৰী শৰ্মা, শ্ৰীমতী অনুৰাধা শইকীয়া (বৰুৱা), শ্ৰীমতী সুনীতা আগৰৱালা, শ্ৰীমতী ভাস্বতী বৰুৱা, শ্ৰীমতী ইন্দ্ৰানী চৌধুৰী।
বাওঁফালৰ পৰা বহি— শ্ৰীমতী সুমিত্ৰা চৌধুৰী, শ্ৰীশান্তনু চক্ৰৱৰ্তী, শ্ৰীবাতুল বৰা, শ্ৰীমতী ৰাণী মুদিয়াৰ (ডেকা), ড০ (শ্ৰীমতী) নমিতা ডেকা, শ্ৰীমতী চৰণ কউৰ, ড০ (শ্ৰীমতী) প্ৰতিভা ঠাকুৰীয়া, শ্ৰীমতী ৰীণা চৌধুৰী, শ্ৰীমতী জয়জ্যোতি গোস্বামী, শ্ৰীমতী জুনুকা বৰুৱা, শ্ৰীমতী প্ৰণীতা শৰ্মা।
অনুপস্থিত— শ্ৰীপংকজ ফুকন, শ্ৰীভূপেন ভট্টাচাৰ্য, ড০ (শ্ৰীমতী) ৰীতা শৰ্মা, শ্ৰীমতী মীনু দেৱী।





# দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

## ১৯৯২-৯৩চন

সভাপতি :
**শ্ৰীযুত বেৰকান্ত হাজৰিকা**

সম্পাদক :
**শ্ৰীহেমন্তকুমাৰ নাথ**

সহঃ সম্পাদক তথা
ভাবপ্ৰাপ্ত সাংস্কৃতিৰ সম্পাদক :
**শ্ৰীকুমাৰ ইন্দ্ৰজিৎনাৰায়ণ দেৱ**

আলোচনী সম্পাদক :
**শ্ৰীতপনকুমাৰ হাজৰিকা**

তৰ্ক আৰু আলোচনা সম্পাদক :
**শ্ৰীহৰেণ নায়ক**

গুৰু ক্ৰীড়া সম্পাদক :
**শ্ৰীকমল পেগু**

লঘু ক্ৰীড়া সম্পাদক :
**শ্ৰীবাজু কলিতা**

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক :
**শ্ৰীজিতু গৌড়া**

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা
**গুলছনআৰা বেগম**

সমাজ সেৱা সম্পাদক :
**শ্ৰীকৰুণা দেউৰী**

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

চন ১৯৯২-৯৩ ইং



প্ৰতিবেদনৰ আৰম্ভণিতে অসমীয়া জাতি সংস্কৃতিৰ অস্তিত্ব ৰক্ষাৰ হকে নিজকে অৰ্পণ কৰা অসমী আইৰ জ্ঞাত অজ্ঞাত শত শত সংগ্ৰামী বীৰ শ্বহীদসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জনাইছোঁ আৰু আশা ৰাখিছোঁ যাতে সেই বীৰসকলৰ ত্যাগৰ অনুপ্ৰেৰণাই অসমৰ ডেকা সমাজক সৃষ্টিধৰ্মী কামত মনোনিবেশ কৰিবলৈ প্ৰেৰণা যোগাব।

দিশপুৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ অকুণ্ঠ সহযোগত তথা সমৰ্থনত ১৯৯২-৯৩ চনৰ ৪ ডিচেম্বৰ তাৰিখে অনুষ্ঠিত "ছাত্ৰ একতা সভাৰ" নিৰ্বাচনত মোক সাধাৰণ সম্পাদক পদৰ বাবে নিৰ্বাচিত কৰাত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। উক্ত সময়ছোৱাৰ প্ৰতিটো ক্ষণতে অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ আশীৰ্বাদ, মৰম, চেনেহ তথা সহায় আৰু গভীৰ আহ্বাক শিৰোধাৰ্য্য কৰি মই মোৰ কৰ্ম পথত অগ্ৰসৰ হৈছিলোঁ।

দিশপুৰ মহাবিদ্যালয়ৰ সৰ্বাংগিন উন্নতিৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ ভূমিকা অন্যতম।

যোৱা ১৯৯২-৯৩ চনৰ ২ জানুৱাৰী তাৰিখে কাৰ্যভাৰ গ্ৰহ কৰাৰ পিছৰে পৰা প্ৰতিষ্ঠানৰ সমূহ কাম-কাজ নিয়াৰিকৈ চলাই নিবৰ বাবে মই মোৰ ফালৰ পৰা যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। অৱশ্যে মই কিমানদূৰ সফল বা বিফল হলো সেয়া আপোনাসবৰ বিচাৰ্য্য। কাৰ্যভাৰ গ্ৰহণৰ পিছতে 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ কৰা হয়। উল্লেখযোগ্য যে দিশপুৰ মহাবিদ্যালয় স্থাপন হোৱা আজি পোন্ধৰটি বছৰ অতিবাহিত কৰাৰ পিছত এইবাৰেই প্ৰথম "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ কৰিবলৈ পাই নিজকে সৌভাগ্যবান বুলি ভাবিছিলোঁ। অশেষ আহ্কালৰ মাজেদি আমি "মহাবিদ্যালয় সপ্তাহ" ফলৱতি কৰি তুলিব পাৰিছিলোঁ যদিও এটি ক্ষেত্ৰত মই দুঃখিত হৈছিলোঁ যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ তুলনাত 'কলেজ সপ্তাহত' বিভিন্ন ধৰণৰ প্ৰতিযোগিতাত অংশ গ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই সেৰেঙা। সেয়ে আশা ৰাখিছোঁ আহি থকা দিনবোৰত ছাত্ৰ-ছাত্ৰীৰ মাজত ইয়াৰ বৈপৰীত্য দেখা যাব।

মোৰ কাৰ্যকালৰ সময়ছোৱাত বিগত বছৰৰ নবাগত আদৰণি সভা, সৰস্বতী পূজা, বিদায় সভা আদি পালন কৰা হয়। এই চেগতে ১৯৯২-৯৩ ৰ বছৰটোত "ছাত্ৰ একতা সভা"ই মহাবিদ্যালয়খনত সাফল্য কঢ়িয়াই আনিব পৰা খতিয়ান দাঙি ধৰিলোঁ।

**সাফল্যৰ খতিয়ান :—** মোৰ কাৰ্যকালৰ সময়ছোৱাত সকলোৰে সহায় সহযোগত আৰু কষ্ট স্বীকাৰৰ বিনিময়ত মহাবিদ্যালয়ৰ মুখ্য প্ৰৱেশ পথৰ গেটখনৰ লগত মহাবিদ্যালয়ৰ চৌপাশ মেৰামতি কৰা হয়। বহুদিন ধৰি স্থায়ী ছাত্ৰ জিৰণি কোঠা নোহোৱাত সকলৈ হলেও জিৰণি কোঠা দিবলৈ পাই নিজকে ধন্য মানিছোঁ। তাৰউপৰি স্থায়ী Union Room ৰ লগতে বিভিন্ন আহিলা প্ৰস্তুত কৰা হয়। মহাবিদ্যালয় সপ্তাহখনি প্ৰথম বাৰৰ বাবে হোৱা সত্ত্বেও





খেল ধেমালিৰ বিভিন্ন বস্তুৰ লগতে জাক জমকতাৰে পালন কৰা হয়। তাৰউপৰি মোৰ অন্যতম সাফল্যৰ দিশ হ'ল যোৱা ১২-৬-৯৩ ইং তাৰিখে মাননীয় মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ৩৫০০০.০০ টকা (পয়ত্ৰিশ হাজাৰ) মহাবিদ্যালয়ৰ নামত Union এ আনে। তাৰোপৰি এইবাৰ আমাৰ মহাবিদ্যালয়ে একলাখ টকা চৰকাৰী অনুদান পায়। উল্লেখযোগ্য যে এইটোৱেই আমাৰ মহাবিদ্যালয়ৰ প্ৰথম চৰকাৰী অনুদান। কাৰ্যকালৰ গুৰুত্বপূৰ্ণ আন এটি সাফল্যৰ দিশ হ'ল— আমাৰ মহাবিদ্যালয়ৰ প্ৰথম আলোচনী 'অৰুণ' নামেৰে উলিওৱা হয়।

প্ৰতিবেদনৰ মোখনি মৰাৰ আগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু কৰ্তৃপক্ষৰ ওচৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বহুদিনীয়া অভাৱ অভিযোগ কেইটিমান পুনৰ উপস্থাপন কৰিলোঁ।

**অভিযোগ সমূহ :—**

১। ছাত্ৰ-ছাত্ৰীৰ সুবিধালৈ চাই শৌচ প্ৰস্ৰাবগাৰ উন্নত কৰক।

২। বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীলৈ চাই লাইব্ৰেৰীত বিভিন্ন কিতাপ আৰু লাইব্ৰেৰীৰ কোঠাটো ডাঙৰ কৰক।

৩। ছাত্ৰৰ সংখ্যালৈ চাই ছাত্ৰ জিৰণি কোঠাটো ডাঙৰ কৰক।

৪। মহাবিদ্যালয়ৰ অনুশাসন বজাই ৰাখিবলৈ মটৰ চাইকেল ষ্টেণ্ড প্ৰস্তুত কৰক।

৫। ছাত্ৰ-ছাত্ৰীৰ সুবিধালৈ চাই বিশুদ্ধ খোৱা পানীৰ যোগান ধৰক।

কৰ্তৃপক্ষই এইক্ষেত্ৰত উচিত ব্যৱস্থা ল'ব বুলি মই আশা ৰাখিলোঁ।

মোৰ কাৰ্যকালৰ সময়ছোৱাত সকলো দিশতে পৰামৰ্শ দি সহযোগ আগবঢ়োৱা বাবে মই আমাৰ মহাবিদ্যালয়ৰ গতিকে মহাবিদ্যালয়ৰ অধ্যক্ষ বেৰকান্ত হাজৰিকাদেৱৰ ওচৰত চিৰঋণী। তদুপৰি মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই সুযোগতে বিভাগীয় সম্পাদক, সম্পাদিকা আৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। সদৌ শেষত মোৰ কাৰ্যকালছোৱাত হৈ যোৱা জ্ঞাত-অজ্ঞাত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি লগতে দিশপুৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মই মোৰ বছৰেকীয়া প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু দিশপুৰ মহাবিদ্যালয়
"ছাত্ৰ একতা সভা"
**শ্ৰীহেমন্তকুমাৰ নাথ**

## সহঃ সাধাৰণ সম্পাদক আৰু সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

১৯৯২-৯৩ চন



প্ৰতিবেদনৰ বুলনিতে মই অসমী আইৰ মুক্তি সংগ্ৰামত আত্মাহুতি দিয়া জ্ঞাত-অজ্ঞাত শ্বহীদসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ আৰু তেখেতসকলৰ বিদেহী আত্মাৰ সদগতি কামনা কৰিছোঁ।

যোৱা ১৯৯২-৯৩ ইং বৰ্ষৰ দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোৰ ওপৰত অশেষ আস্থা স্থাপন কৰি অপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মোক মহাবিদ্যালয়ৰ সেৱা কৰাৰ বাবে আগবঢ়াই দিলে। তাৰ বাবে মই তেওঁলোককৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সহকাৰী সাধাৰণ সম্পাদকৰ সকলোবোৰ কাম-কাজ সাধাৰণ সম্পাদকৰ ওপৰতে নিৰ্ভৰ কৰে বাবে মোৰ বিগত কাৰ্য্যকালৰ কাম-কাজৰ খতিয়ান সাধাৰণ সম্পাদকৰ প্ৰতিবেদনতে প্ৰকাশ পাব, অৱশ্যে মই মোৰ কাৰ্য্যকালত যিবোৰ কাম কৰিম বুলি আশা কৰি আহিছিলোঁ সেয়া মই কাৰ্য্যত পৰিণত কৰিব নোৱাৰিলোঁ। ইয়াৰ অৱশ্যে কাৰণো নোহোৱা নহয়। আমাৰ মহাবিদ্যালয়ৰ ১৫ বছৰীয়া ইতিহাসত যোৱা বছৰটোতে আটাইতকৈ বেছি কাম হোৱা বুলি মই ভাবোঁ। যেনে— প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় সপ্তাহ পৰ্য্যাপ্ত ক্ৰীড়া সামগ্ৰীৰ অভাৱ স্বত্বেও অনুষ্ঠিয়াকৈ হ'লেও পতা হয়। পোন প্ৰথমবাৰৰ বাবে আমাৰ মহাবিদ্যালয়ৰ পৰা আমাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বহু আকাংক্ষিত আলোচনী 'অৰুণ'ৰ প্ৰকাশৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ উপৰিও আন বহুতো সৰু-ডাঙৰ কাম-কাজ এই বছৰতে কৰাৰ বাবে হাতত লোৱা হৈছে। এই সকলোবোৰ কামত যথেষ্ট পৰিমাণৰ অৰ্থব্যয় হৈছে। যিহেতু আমাৰ সীমাবদ্ধ বাজেটেৰে এইখিনি কামেই সম্ভৱ হোৱা নাই, তেনেস্থলত মই নতুন কামৰ অৱতাৰণা ঘটাই বিপৰ্যয়ৰ বাট কাটি লোৱাহে হ'ব। তথাপিও আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় আন কেইটামান কাম মই পৰৱৰ্তী ছাত্ৰ একতা সভাৰ উদ্দেশ্যে উনুকিয়াই থলোঁ। মই আশা ৰাখিছোঁ, আমাৰ পৰৱৰ্তী ছাত্ৰ একতা সভাই এই বিষয়ত গুৰুত্ব আৰোপ কৰিব।

১। শিক্ষা গ্ৰহণৰ এক সৰল সাৰথি পুথিভঁৰালটোৰ সম্প্ৰসাৰণ ঘটাই ছাত্ৰ-ছাত্ৰীৰ চাহিদা পূৰণ কৰিব পৰা হ'ব লাগে।

২। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এখন চাহ দোকান (কেন্টিন)ৰ ব্যৱস্থা হ'ব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে বহু দূৰলৈ চাহ খোৱাৰ বাবে যাব লগা নহয়।

৩। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিশুদ্ধ খোৱা পানীৰ যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে।

৪। আন মহাবিদ্যালয়সমূহত অগ্ৰভাগ পোৱা শ্বহীদ বেদী আমাৰ মহাবিদ্যালয়ত এতিয়াও নোহোৱাটো বৰ পৰিতাপৰ বিষয়।





৫। আমাৰ মহাবিদ্যালয়ৰ বহুতো প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰী আছে। কিন্তু সুযোগৰ অভাৱত তেওঁলোকৰ প্ৰতিভা বিকশিত হ'ব পৰা নাই। গতিকে আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতা সমূহত আমাৰ ছাত্ৰ-ছাত্ৰীক যোগদান কৰাব লাগে।

আমাৰ মহাবিদ্যালয়ৰ ব্যাপক উন্নয়নৰ বাবে এই ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ বাবে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক কৰযোৰে অনুৰোধ জনালোঁ।

আমাৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদটো খালী হৈ থকা বাবে যোৱা ১৬ অক্টোবৰ তাৰিখে কাৰ্যনিৰ্বাহক সভাত সাংস্কৃতিক সম্পাদক কাৰ্য্যাৱলী চলাই নিয়াৰ বাবে বন্ধুবৰ তপন কুমাৰ হাজৰিকাই মোৰ নাম প্ৰস্তাৱ কৰে আৰু সভাই তাত অনুমোদন জনাই মোক বাকী থকা দিনকেইটাৰ বাবে সাংস্কৃতিক সম্পাদক দায়িত্বও অৰ্পণ কৰাত কাৰ্য্যনিৰ্বাহক সভাৰ মোৰ ওপৰত থকা আস্থা প্ৰমাণিত হয় ইয়াৰ বাবে পুনৰবাৰ সকলোটিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সাংস্কৃতিক সম্পাদক হিচাপে মোৰ কাৰ্য্যাৱলী হ'ল নৱাগত আদৰণি সভাৰ সাংস্কৃতিক সন্ধীয়া কাৰ্যসূচী। কাৰ্যসূচী অতি নিয়াৰিকৈ আৰু সৰ্বাংগ সুন্দৰ কৰি ৰূপ দিয়াত মোৰ তত্ত্বাৱধায়িকা শ্ৰীযুতা জয়জ্যোতি গোস্বামী বাইদেউৰ প্ৰয়োজনীয় দিহা-পৰামৰ্শ আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী হৰেণ, তপন, ক্ষিৰোদ, দিলীপ, গনেশ, বীনা, গীতা আৰু আন বহুতৰ কায়িক সহায়-সহযোগিতাৰে আমাৰ নৱাগত আদৰণি সভাৰ সাংস্কৃতিক কাৰ্যসূচী অতি আকৰ্ষণীয় আৰু শান্তিপূৰ্ণ ভাৱে সমাপ্ত হোৱাৰ বাবে সকলোটিলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত লোৱা প্ৰতিটো পদক্ষেপ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় আৰু সন্মানীয় অধ্যাপক, অধ্যাপিকাসকলৰ দিহা-পৰামৰ্শ আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ কায়িক সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতা জনাইছোঁ আৰু সকলো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীক অনুৰোধ জনাইছোঁ তেওঁলোকে যেন হাতে হাতে ধৰি ঐক্যবদ্ধভাৱে মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নয়নৰ বাবে কামত ব্ৰতী হৈ আমাৰ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়ৰ সপোনক বাস্তৱত ৰূপায়িত কৰাৰ প্ৰয়াস কৰে। ইয়াকে কামনা কৰি মই মোৰ সহঃ সাধাৰণ তথা সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদেৰে

**কুমাৰ ইন্দ্ৰজিৎ নাৰায়ণ দেৱ**
সহকাৰী সাধাৰণ সম্পাদক

# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদনৰ

চন ১৯৯২-৯৩



প্ৰতিবেদনৰ আৰম্ভণিতে অসমী আইৰ বাবে বুকুৰ শোণিত যাঁচি আগুৱাই অহা বীৰ বীৰাঙ্গনাসকললৈ মই মোৰ
আন্তৰিক শ্ৰদ্ধা জনাইছোঁ।

বিগত ১৯৯২-৯৩ কাৰ্য্য বৰ্ষৰ বাবে অনুষ্ঠিত দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্ব্বাচনত
যি সকলৰ ছাত্ৰ-ছাত্ৰীয়ে বিপুল ভোট দানেৰে মোক গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক নিৰ্বাচিত কৰিলে সেই সকল
ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

১৯৯৩ চনৰ জানুৱাৰী মাহৰ ৪ তাৰিখে আমি কাৰ্যভাৰ গ্ৰহণ কৰোঁ। কাৰ্যভাৰ গ্ৰহণৰ পিছৰেপৰা মই মোৰ
কৰ্তব্য সুঁৱৰি আমাৰ মহাবিদ্যালয়ৰ ক্ৰীড়া বভাগৰ উন্নতিৰ কামত হাত দিয়াৰ প্ৰয়াস কৰোঁ। ক্ৰীড়া হ'ল শিক্ষাৰ
এটা প্ৰধান অংশ। সেয়েহে আমাৰ বৌদ্ধিক বিকাশৰ লগে লগে মানসিক বিকাশৰ বাবে খেল-ধেমলীৰ বিশেষ
প্ৰয়োজন। ইয়াৰ বাবে আমাৰ প্ৰথম প্ৰচেষ্টা আছিল আমি পোনপ্ৰথমবাৰৰ বাবে আয়োজন কৰা 'মহাবিদ্যালয়
সপ্তাহ' আমাৰ প্ৰথম প্ৰচেষ্টা হোৱা বাবেই অৰ্থ, ক্ৰীড়া সমগ্ৰী আৰু খেল পথাৰৰ অভাৱে আমাক বাকৈকৈয়ে
অসুবিধাত পেলাইছিল। তথাপিও সীমিত সংখ্যক খেল-ধেমালী প্ৰতিযোগীসকলৰ মাজত পাতিছিলোঁ কিন্তু বৰ
দুখৰ বিষয় যে আমি অনুষ্ঠিত কৰা খেলসমূহত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই সেৰেঙা আছিল। তথাপিও
মই আশা ৰাখিছোঁ যে আগন্তুক হৈ থকা মহাবিদ্যালয় সপ্তাহসমূহত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ
মাজত সুপ্ত হৈ থকা ক্ৰীড়া প্ৰতিভা উজ্বল কৰি তুলিব।

আমি সীমিত পৰিসৰৰ মাজত থাকি সকলোবোৰ কাম সচাৰুৰূপে চলাই নিয়াত সু পৰামৰ্শ অধ্যক্ষ মহোদয়
শ্ৰযুত বেৰকান্ত হজৰিকাদেৱ বিভাগীয় তত্ত্বধায়ক শ্ৰীযুত ৰাতুল বৰা আৰু শ্ৰীযুতা ইন্দ্ৰাণী চৌধুৰী বাইদেউৰ ওচৰত
মই চিৰকৃতজ্ঞ হৈ ৰ'লো। এই খেলসমূহত চলোৱা শাৰীৰিক ভাবে সহায় কৰা বাবে ছাত্ৰ-বন্ধু-বান্ধৱী সৰ্বশ্ৰী
হেমন্ত, গনেশ, দেৱজিথ ব্ৰজেন, শ্বেসাচন্দ মহম্মদ, জয়জিত, নয়ন, কবিতা, ফুলকন, মিনু, ভাৰতী, ৰবিতা,
অনিমা, দ্বীপা, জনু লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালতচকিমাদ দূৰ সফল হ'লো তাক বিচাৰ কৰি চাবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক দায়িত্ব
জ্ঞাপ কৰিলোঁ। সামৰণিত অজানত ভুলৰ-ত্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰলোঁ। আৰু মহাবিদ্যালয় ক্ৰীড়া
বিভাগটোৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবিদন সামৰণি মাৰিলোঁ।

জয়তু দিশপুৰ মহাবিদ্যালয়

**শ্ৰীকমল পেগু**
**সম্পাদক, গুৰু ক্ৰীড়া বিভাগ**





# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

ইং ১৯৯২-৯৩, কাৰ্য্যবৰ্ষ



দিশপুৰ মহাবিদ্যালয়ৰ আলোচনীৰ বাবে সম্পাদকীয় প্ৰতিবেদন লিখিবলৈ পাই মই নিজকে কৃতাৰ্থ মানিছোঁ।
প্ৰতিবেদনৰ আৰম্ভণিতে নিৰ্বাচনত যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে সহায় সহযোগেৰে নিৰ্বাচিত কৰি
মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়াবৰ বাবে সুবিধা দিলে, সেইসকললৈ দিচিয়ানক ধন্যবাদ জ্ঞাপন কৰিলো।
মহাবিদ্যালয়ৰ বাৰ্ষিক মহোৎসৱত এই বিভাগটিৰ দ্বাৰা— কেৰম, বেডমিণ্টন, পাঞ্জা ইত্যাদি প্ৰতিযোগিতামূলক
মনোভাৱ এটি পাইছিলোঁ তাক স্বীকাৰ কৰিবই লাগিব। খেল বিভাগৰ মহাবিদ্যালয়ৰ প্ৰথম সম্পাদক হোৱা হেতুকে
বিভিন্ন ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। এই বিভাগটোত লগা আৱশ্যকীয় সামগ্ৰীৰ অভাৱ এতিয়াও
আছে আৰু কৰ্তৃপক্ষৰ সহযোগ ইতিবাচক বুলি ক'ব নোৱাৰি। এই বিভাগৰ খেলা সামগ্ৰীৰ অভাৱত বহুতো খেল
পৰিচালনা কৰিব নোৱাৰিলো। আকৌ দেখা যায় যে সম্পাদকসকলৰ লগতে প্ৰত্যেক বিভাগতে একোজনকৈ তত্ত্বাৱধায়ক
থাকে যদিও তেওঁলোকে স্বাধীনচিত্তিয়া ভাৱে কোনো চিন্তা-চৰ্চা কৰিব নোৱাৰে। সেইকাৰণে মহাবিদ্যালয়ৰ প্ৰত্যেকটো
কামতে পিছ পৰি থকা এটি কাৰণ বুলি আমি ভাবোঁ। সেয়ে কেইটিমান অভাৱ অভিযোগ তলত দাঙি ধৰিলো—
এই বিভাগটোৰ বাৰ্ষিক অনুদান যথেষ্ট কম। ইয়াক বৃদ্ধি কৰি খেলৰ যথেষ্ট সা-সঁজুলি ক্ৰয় কৰিব লাগে।

১। উপযুক্ত খেলপথাৰৰ ব্যৱস্থা অনতিপলমে কৰিব লাগে।
২। শৰীৰ চৰ্চা বিভাগৰ কোনো সামগ্ৰী বৰ্তমান মহাবিদ্যালয়ত নাই; গতিকে অনতিপলমে যোগান ধৰিব লাগে।
৩। প্ৰত্যেকটো বিভাগকে স্বাধীন আৰু স্বতন্ত্ৰ ভাৱে কাম-কাজ কৰাৰ সুবিধা দিব লাগে।
৪। এটি নিৰ্দিষ্ট পৰিমাণৰ টকাৰ অংক বাৰ্ষিক হিচাপে বিভাগটোত ব্যয় কৰাৰ ব্যৱস্থা কৰিব লাগে।
৫। আশাকৰোঁ কৰ্তৃপক্ষই এই অভাৱ অভিযোগৰ প্ৰতি সু-দৃষ্টি ৰাখিব, ইয়াৰ এটি সু-ব্যৱস্থা কৰিব।

মোৰ কাৰ্য্যকালত সকলো ধৰণৰ সহায় আৰু পৰামৰ্শ আগবঢ়োৱা বন্ধু-বান্ধৱীসকলক মোৰ অভিনন্দন জ্ঞাপন
কৰিলোঁ আৰু অধ্যাপক, অধ্যাপিকাসকলৰ ওচৰত মই কৃতজ্ঞ।

সদৌ শেষত মহাবিদ্যালয়ৰ বাৰ্ষিক খেলসমূহ পৰিচালনা কৰাত সহায় কৰি দিয়া শ্ৰীবীৰেণ কলিতা, তপনকুমাৰ
হাজৰিকা, শ্ৰীহিতেশ বৰ্ম্মা আৰু কুমাৰ ইন্দ্ৰজিৎ দেৱক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগিছোঁ। মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনাৰে—

জয়তু দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

**শ্ৰীবাজু কলিতা**
**সম্পাদক, লঘু খেল বিভাগ**

# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

১৯৯২-৯৩ চন



'জীৱনটো যদি এটি প্ৰদীপ হয়;
শুভ কামনাৰেই গঁঠা তাৰ শলিতা।'

মোৰ কলমৰ প্ৰত্যুষতে মোক তৰ্ক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি এই গুৰু দায়িত্ব অৰ্পণ কৰাৰ লগতে মোৰ কাৰ্য্যকালত মোক নানা ধৰণে সহায় কৰাৰ বাবে দিশপুৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শুভ কামনা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালত তৰ্ক বিভাগৰ তত্বাৱধায়িকা অধ্যাপিকা শ্ৰীযুতা সুনীতা আগৰৱালা বাইদেউৰ ভূমিকাই মোক কৰ্মত প্ৰেৰণা যোগাইছিল। তেখেতৰ সহায় আৰু দিহা-পৰামৰ্শৰ কথা চিৰদিন মনত ৰাখি তেখেতৰ ওচৰত সদায়ে কৃতজ্ঞ আৰু ঋণী হৈ থাকিম।

জীৱনত বহু কৰাৰ ৰঙীণ সপোন দেখা যায়; কিন্তু বাস্তৱত সি সম্ভৱ হৈ উঠেনে? কৰ্মৰ বাটৰ ৰঙীণ সপোনবোৰ ভাঙি খানবান হৈ গ'লে হৃদয় বিদাৰক আৰু মানসিক ৰোগৰ বীজাণু হৈ পৰে। তৰ্ক বিভাগৰ সম্পাদক হৈ থকা কালছোৱাত মোৰো এনে হৈছিল। মানে মোৰ কাৰ্য্যকালত যিখিনি কৰিম বুলি ভাবিছিলোঁ সেইখিনি হৈ উঠিবলৈ নাপালে। কিন্তু কিয়? ইয়াৰ উত্তৰ সচেতন ছাত্ৰ-ছাত্ৰী সকললৈ বিবেচনাৰ বাবে এৰিলোঁ।

১৯৭৮ চনত স্থাপন হোৱা মহাবিদ্যালয়খনত ১৯৯৩ চনতহে পূৰ্ণাঙ্গ ছাত্ৰ একতা সভাৰ গঠন হয়। আমি ১৯৯৩ চনৰ ২ জানুৱাৰীৰ দিনা কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। কাৰ্য্যভাৰ গ্ৰহ কৰিয়ে মহাবিদ্যালয়খনৰ বাবে বহু কাম কৰাৰ সপোন ৰচিছিলোঁ। বহু আশা কৰিছিলোঁ কিন্তু কাৰ্য্যত সপোনবোৰ সপোন হৈয়ে আৰু অভাৱবোৰ অভাৱ হৈয়ে বাটি গৈ থাকিল।

মোৰ কৰ্ম ক্ষেত্ৰৰ প্ৰথম পদক্ষেপ ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখৰ পৰা ২০ তাৰিখলৈ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা 'মহাবিদ্যালয় সপ্তাহ' বুলি ক'ব পাৰি। ফেব্ৰুৱাৰীৰ ১৭ তাৰিখে মোৰ বিভাগীয় তৰ্ক, আকস্মিক বক্তৃতা আৰু আবৃত্তি প্ৰতিযোগিতা পাতোঁ। বহু সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰাত প্ৰতিযোগিতাসমূহ যথেষ্ট আকৰ্ষণীয় হৈছিল। মোৰ বিভাগীয় প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান লাভ কৰে স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ শ্ৰীগজেন ভাগৱতীয়ে।

তৰ্ক বিভাগটো চৰ্চা কৰিলে বিদ্যাৰ্থী সমাজৰ বাক পটুতা, স্মৰণ শক্তি, উপস্থিত বুদ্ধি আদিৰ দৰে মানসিক





গুণবোৰৰ উৎকৰ্ষ সাধন হয়। কিন্তু বিভিন্ন অসুবিধাৰ বাবে আমি এই বিভাগটোৰ চৰ্চাৰ পৰা বাদ পৰি ৰলোঁ। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক এই বিষয়ে সজাগ হ'বলৈ অনুৰোধ জনালোঁ।

মোৰ কাৰ্য্যকালত মই দুটাহে প্ৰতিযোগিতা পাতিবলৈ সুবিধা পাওঁ। এই বছৰতে ১ অক্টোবৰত মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সৌজন্যত অনুষ্ঠিত হোৱা 'সদৌ অসম আন্তঃ মহাবিদ্যালয় শ্বহীদ সোঁৱৰণি তৰ্ক প্ৰতিযোগিতা'ত আমি মহাবিদ্যালয়ৰ পৰা প্ৰথমবাৰৰ বাবে যোগদান কৰোঁ। আমাৰ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিছিল স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ শ্ৰীগনেশ শইকীয়া আৰু স্নাতকৰ দ্বিতীয় বাৰ্ষিক ছাত্ৰ শ্ৰীজিতেন কলিতাই।

মোৰ কাৰ্য্যকালত মোক বিভিন্ন প্ৰকাৰে সহায় কৰাৰ বাবে শ্ৰদ্ধেয়া অধ্যাপিকা সৰ্বশ্ৰী শ্ৰীযুতা সুনীতা আগৰৱালা, ৰাবী বৰুৱা, ড০ নমিতা ডেকা, জয়জ্যোতি গোস্বামী, ৰীণা চৌধুৰী, সুমিত্ৰা চৌধুৰী বাইদেউৰ ওচৰত মই সদায় কৃতজ্ঞ আৰু ঋণী হৈ থাকিম।

মোৰ কাৰ্য্যক্ষেত্ৰত বিভিন্ন ভাৱে সহায় কৰাৰ বাবে ছাত্ৰ একতা সভাৰ সমূহ সহযোগী তথা বন্ধু-বান্ধৱী ধীৰেণ, দিলীপ, ৰাজদ্বীপ, অনিল, গনেশ, অনুপ, হীৰেণ, বৰ্ণালী, ৰীণা, নমিতা, প্ৰণীতা, অঞ্জলী, চন্দনাহঁতলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচিছোঁ।

সদৌ শেষত মহাবিদ্যালয়খনৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত উন্নতিৰ কামনা কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সুপ্ত প্ৰতিভাসমূহক জাগ্ৰত কৰাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক, অধ্যাপিকাসকলে চেষ্টা কৰিব বুলি আশা ৰাখি তৰ্ক বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

শ্ৰীহৰেণ নায়ক
সম্পাদক, তৰ্ক বিভাগ

## সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন

॥ ইং ১৯৯২-৯৩ কাৰ্য্যবৰ্ষ ॥



প্ৰতিবেদনৰ আৰম্ভণিতে মই দিশপুৰ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ সেৱা জনাইছোঁ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক এই গধুৰ দায়িত্ব পালন কৰিবলৈ আগবঢ়াই দিলে, তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

ছাত্ৰ-ছাত্ৰী বন্ধুবৰ্গই মনত যিবোৰ কল্পনা কৰি মোক এই সমাজসেৱা বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি আগবঢ়াই আনিছিল, সেইমতে মই কাম কৰিব পাৰিলোনে নাই ক'ব নোৱাৰোঁ। কিন্তু মোৰ কাৰ্য্যকালত যিবোৰ কাম কৰিবলৈ বাকী ৰৈ গ'ল, সেই সকলোবোৰ কাম মোৰ পিছৰ সম্পাদক জনে সমাপন কৰি ছাত্ৰ-ছাত্ৰীসকলক সুবিধা কৰি দিব বুলি আশাৰে বাট চাই ৰ'লোঁ।

আমাৰ মহাবিদ্যালয়ৰ অন্তৰ চ'ৰাৰ বিষয়ে সকলোৱেই জ্ঞাত। এই মহাবিদ্যালয়খন অতি চালুকীয়া অৱস্থাৰ পৰা আজিৰ এই পৰ্যায় পাইছেহি। আমাৰ মহাবিদ্যালয়খন ১৯৭৮ চনতে স্থাপিত হয়। কিন্তু অতি দুখৰ বিষয় যে আজি ইমান বছৰে আমাৰ মহাবিদ্যালয়খনত ছাত্ৰ একতা সভাৰ সকলোবোৰ বিভাগীয় সম্পাদক নিৰ্বাচিত কৰা হোৱা নাছিল। ১৯৯২ চনত আমাৰ মহাদিলয়খন চৰকাৰীকৰণ হোৱাৰ পিছত অৰ্থাৎ ১৯৯৩ চনত অধ্যক্ষ মহোদয়ে সকলো বিভাগৰে সম্পাদক নিৰ্বাচিত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক অনুমতি দিয়ে। আমাৰ আগৰ কাৰ্য্যৰ কেইটিত মহাবদ্যালয় একতা সভাত কেৱল মাত্ৰ সাধাৰণ সম্পাদক, উপ-সভাপতি আৰু সহকাৰী সাধাৰণ সম্পাদক এই তিনিজনেই মহাবিদ্যালয়ৰ সকলোবোৰ কাম-কাজ চলাই যাবলগীয়া হৈছিল।

গতিকে মহাবদ্যালয়খনৰ সমাজসেৱা বিভাগৰ প্ৰথমজন সম্পাদক হোৱা বাবে কিছু কঠিনতা অনুভৱ কৰিছিলোঁ। সেই কাৰণে ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকা সকলৰ লগত যিধৰণেৰে মিলি থাকিব লাগিছিল, হয়তো মই থাকিব পৰা নাছিলোঁ। ইয়াৰ বাবে আপোনাসবৰ ওচৰত ক্ষমা-ভিক্ষা বিচাৰিছোঁ।

মোৰ কাৰ্য্যকালত যিসকল অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী আৰু ছা একতা সভাৰ সহযোগীসকলে কাৰ্য্যভাৰ পালন কৰাৰ ক্ষেত্ৰত যি দিহা পৰামৰ্শৰে সহায় কৰিছিল তেখেতসকলৰ শলাগ লৈছোঁ আৰু মোৰ বাকী থকা দিন কেইটাতো তেখেতসকলৰ পৰা এনেদৰেই সহায়-সহযোগিতা পাই থাকিম বুলি আশা কৰিলোঁ। মোৰ কাৰ্য্যকালত আমাৰ অধ্যক্ষ মহোদয়ে মোক যিবোৰ পৰামৰ্শ আগবঢ়াইছিল, সেয়া পাথেয়। মহাবিদ্যালয়খনৰ উন্নয়নৰ বাবে পূজ্যপদ অধ্যক্ষদেৱে যি পৰিকল্পনা কৰিছে আৰু যিবোৰ কাম এই চালুকীয়া অৱস্থাতে সম্পন্ন কৰিলে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়।

মোৰ কাৰ্য্যৰ তত্ত্বাৱধানৰ দায়িত্বত থকা অধ্যাপিকা শ্ৰীযুতা ভাস্বতী বৰুৱা বাইদেউৰ পৰা মোৰ কাৰ্য্যকালত যি পৰামৰ্শ আৰু সহযোগিতা পালোঁ তাৰ বাবে তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনালোঁ। লগতে ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক-সম্পাদিকালৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলোঁ।

জয়তু দিশপুৰ মহাবিদ্যালয়

**শ্ৰীকৰুণা দেউৰী**
সম্পাদক, সমাজসেৱা বিভাগ





## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

॥ ইং ১৯৯২-৯৩ কাৰ্য্যবৰ্ষ ॥



প্ৰতিবেদনৰ বুলনিতে মই বিগত অসমী আইৰ মুক্তিৰ আন্দোলনত কলিজাৰ কেঁচা তেজ ঢালি আত্ম বলিদান দিয়া জাতীয় বীৰ শ্বহীদ সকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

যোৱা ১৯৯২-৯৩ বৰ্ষৰ দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে তেওঁলোকৰ বহুমূলীয়া ভোট দানেৰে মোক ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ ক্ষণিক সেৱা কৰিবলৈ সুযোগ উলিয়াই দিলে, তেওঁলোকক মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ বাবে নিৰ্বাচিত হৈ মই আমাৰ মহাবিদ্যালয়ৰ বাবে কৰিবলগীয়া কিমানবোৰ কাম কৰাত সফল হলোঁ সেয়া ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ জ্ঞাত। আমাৰ মহাবিদ্যালয়ত এখন পূৰ্ণাঙ্গ ছাত্ৰ একতা সভা পোন প্ৰথমবাৰ গঠন হোৱা বাবে চানেকী ওলোৱাৰ পৰা আমি সকলোৱে বঞ্চিত হৈছিলোঁ। সেয়েহে আমি সকলোৱেই সম্পূৰ্ণ নিজা পৰিকল্পনাৰে আগবাঢ়িব লগা হৈছিলোঁ। কিন্তু এই বিষয়ত দিশহাৰা হৈ পৰিছিলোঁ। এনে সময়তে শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় আৰু বিভাগীয় তত্ত্বাৱধায়িকা সন্মানীয়া অধ্যাপিকা শ্ৰীযুতা ৰীতা ঠাকুৰীয়া বাইদেউৰ দিহা-পৰামৰ্শৰে আমি ছাত্ৰসকলৰ বাবে সৰুকৈ হ'লেও এটা জিৰণি কোঠা পাতি দিয়াৰ বাবে সক্ষম হৈছোঁ। লগতে ছাত্ৰসকলৰ মনোৰঞ্জনৰ বে কম পৰিমাণৰ হলেও কেৰমবৰ্ড আদিৰো যোগান ধৰিবলৈ সক্ষম হৈছোঁ। যোৱা মহাবিদ্যালয় সপ্তাহত ছাত্ৰ জিৰণি কোঠাৰ উদ্যোগত লঘু ক্ৰীড়া বিভাগৰ ভালেকেইটি খেল খেলোৱা হৈছিল। এই খেলসমূহত যথেষ্ট সংখ্যক প্ৰতযোগীৰ যোগদান বিশেষভাৱে মন কৰিব লগা বিষয়। মই আশা ৰাখিছোঁ ভাল সুযোগ সুবিধা পালে আমাৰ মহাবদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে বাহিৰৰ অন্য প্ৰতিযোগিতাত সুনাম অৰ্জন কৰিব পাৰিব।

সৰ্বশেষত মই মোৰ কাৰ্য্যকালত বিভিন্ন কামত দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় তথা সন্মানীয়া অধ্যাপিকা ৰীতা বাইদেউৰ লগতে কাম-কাজ সমূহত শাৰিৰীক ভাৱে সহায় কৰাৰ বাবে কণু, হৰেণ, ক্ষীৰোদ, তপন, গুলচন, মুন্নীজান, নাজনীল আদি সকলৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আশা কৰি ৰ'লোঁ, মোৰ পৰৱৰ্তী সম্পাদকজনে ছাত্ৰসকলৰ বাবে আৰু বেছ সুবিধা কৰি দিয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'ব।

॥ জয়তু দিশপুৰ মহাবিদ্যালয় ॥

ধন্যবাদেৰে—

**শ্ৰীজিতু গোড়া**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

॥ ইং ১৯৯২-৯৩ কাৰ্য্যবৰ্ষ ॥



১৯৯২-৯৩ চনৰ দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ প্ৰথম গৰাকী সম্পাদিকা হিচাপে নিযুক্ত হ'বলৈ যিসকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া ভোটেৰে মোক জয়যুক্ত কৰি আমাৰ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা দিলে তেওঁলোক সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শুভেচ্ছা থাকিল। মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

আমাৰ দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাটো ছাত্ৰীসকলৰ বাবে যথেষ্ট সৰু হয় আৰু ছাত্ৰী সকলৰ প্ৰয়োজনীয় সুবিধাও যথেষ্ট নহয়। সেয়ে আমাৰ কাৰ্যকালত ছাত্ৰ-বান্ধৱী সকলৰ প্ৰয়োজনৰ কথা উপলব্ধি কৰি সেইমতে কাম কৰিবলৈ চেষ্টা কৰিছিলোঁ। ছাত্ৰ-জিৰণিৰ কোঠাটো পৰিষ্কাৰ পৰিচ্ছন্নতাৰ ওপৰত চকু দিছিলোঁ। দিশপুৰ মহাবিদ্যালয়ৰ কোষাগাৰত ছাত্ৰী জিৰণি কোঠাৰ বাবে টকা যথেষ্ট কম থাকে। নিৰ্বাচনৰ সময়ত ছাত্ৰী জিৰণি কোঠাৰ বাবে ছাত্ৰী-বান্ধৱীসকলে কিছুমান প্ৰয়োজনীয় বস্তু দিয়াৰ দায়িত্ব দিছিল। কিন্তু টকাৰ অভাৱত সকলোবোৰ প্ৰয়োজন পূৰ্ণ কৰিব পৰা নগ'ল।

মোৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়ত প্ৰথমবাৰ হোৱা 'মহাবিদ্যালয় সপ্তাহ' ভালদৰে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। মোৰ বিভাগত ৰন্ধন প্ৰতিযোগিতা, পুষ্প সজ্জা, এম্ব্ৰইডাৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাসমূহত ছাত্ৰী-বান্ধৱীসকলে যোগদান কৰি যথেষ্ট উৎসাহ যোগাইছিল। কিন্তু বেছি সংখ্যক প্ৰতিযোগীয়ে যোগদান নকৰাত বৰ দুখ পাইছোঁ। ইয়াৰে দুটা প্ৰতিযোগিতাত মই নিজেও যোগদান কৰিছিলোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ ছাত্ৰী-জিৰণি কোঠাৰ উন্নতিৰ লগতে মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰে উন্নতি কামনা কৰিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ কাৰ্যকালত সহযোগ আগবঢ়াইছিল তেওঁলোকক মই এই প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালছোৱাত সহায়-সহযোগ আৰু উপদেশ দিয়া মোৰ বিভাগীয় তত্বাৱধায়িকা অধ্যাপিকা ৰিতা শৰ্মা বাইদেউ তথা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

শেষত জ্ঞাতে বা অজ্ঞাতে কৰা ভুলৰ বাবে সকলোৰে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ অন্ত পেলালো।

ধন্যবাদেৰে—

গুলছন আৰা বেগম চৌধুৰী
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা





# 'TRINITY' IN THE 'NEW TESTAMENT' OF THE BIBLE

**SUMITRA CHOUDHURY,** M. A. M Phil.
Lecturer, Deptt. of Philosopy.

In the 'New Testament' of the Bible the concept of God has played a dominant role. The God of the New Testament is unlimited, Infinite, Omnipotent, Omnipresent and Omniscient. He is eternal and His existence is necessary. Nobody can conceive his non existence. He is without beginning and end. About the infinity and eternity of God, there is a broad agreement among semitic religions. Jewish are the semitic people. They worship yahweh. Yahweh is a territorial. The jews are monotheistic in their approach to God. Oneness of god is the central theme of monotheism.

The monotheism of Christianity is an inheritance from Judaism. The concept of god is toned down and compansated for by the concept of god, the son and the Holy spirit. So, the doctrine of christianity is not only monotheistic but Trinitarian. God is painted as three persons into one. There is one and the three. As Father, son and the Holy spirit he is one god 'The same yesterday, today and forever.'

The christians of the New Testament time are unable to state fully the meaning of christian life without using the three names— Father, son and the Holy spirit. The father, son and the Holy spirit are set along side eachother which suggest three co-equal persons. Yet Paul doesnot think of three gods. It is the same god who works as Father, son and the Holy spirit.

In the New Testament we find the three gods in one godhead. Father, son and the Holy spirit are merely modes of successive phases of one god. God is impersonal, but it personalised as Father, son and the Holy spirit.

Jesus Christ as the son and the Holy spirit is the power which dwells in our hear. This problem clearly explains the son's distinction from the Father without destroying the unity of god. This is called Trinity.

"We worship one god in Trinity and Trinity in unity, neither confounding the persons nor dividing the subtance. For there is one person of the Father, another of the son, another of the Holy ghost. But the godhead of the Father, of the son and the Holy ghost is all one; the glory co-equal, the Majesty co-eternal, such as the Father is such is the son, and such is the Holy ghost...." (Tiwari, Kedar Nath— Comparative Religion) such a kind of Trinity is very kin to the Hindu doctrine of Trimuriti. In Hindu religion we meet with the Trinitarian group of Brahma, Vishnu and Shiva. And in the Egptian religion with Trinitarian group of Orisis, Isis and Hours consisting of divine family like Father, Mother and son. We may find a real anticipation of an a preparation for, the christian doctrine of Trinity in the Rig Vedic conception of Varuna, Agni and Soma.

Christian doctrine of Thinity is in close association with the distinctive Christian view of 'Divine Incarnation'. Jesus Christ is the Incarnation of god manifests itself in different guises through out the length and breath of this wide world.

Jesus Christ is truly god and truly man. God manifests through Jesus as the son of god. God the Father of the New Testament sent his son (Jesus Christ) to redeem mankind from suffering.

The supreme sacrifice of Jesus Christ on the cross for the redemption of humanity has been an unfailing source of inspiration through the ages.

In the New Testament Jesus Christ is the only incarnation of god, who fully knows the Father (God). "No one knows the Father except his son," Jesus said, "He who has seen me, it is written in the Fourth Gospel has seen the Father." (Finegan, Jack— Christian Theology).

In Hindusim Krishna or Rama is the 'Incarnation of Vishnu,' who has a number of incarnation. As god manifests himself through Jesus Christ, it is called anthropomorphic conception of god, in which god uses to participate in daily affairs of man.

Although Christianity is theistic religion, yet its central point is Jesus Christ. Jesus explicitly told Nicodemus (John 3:3-5) that the individual could only be saved by means of self-puriffication or regeneration by being reborn of water (total purification) and of the spirit (divine knowledge).

The god of Christianity is loving god. So he sent his son for the peace of human being. Paul says that christian love also rests on three facts.

(i) God has sent his only son, the son of love,

(ii) God has bestowed his divine love upon individual.

(iii) By the gift of Holy spirit, god's love is shed abroad in our heart as the truth of the spirit.

Such a kind of 'Divine Love' is not ignored in the Upanisad. The spiritual thought of the Gita represents the love of man for god and love of god for man. Love is the creative force. The love of Radha for Krishna represents also the finite individual's eternal love for the supreme being. Love is the one thing that characterises gods personality. As god is personal so he is Father, Loving Father in heaven.

In Christianity there is a message of friendly union between god and man. Rabindra Nath Tagore also says the 'I' must have a relationship with infinite personality. The god of Gitanjali is Christ like God.

According to the New Testament god puts man right through his faith in Jesus Christ. Men are saved through their faith in Jesus Christ. God chooses man to be his fellow partner in the fulfilment of the knigdom of god all over the world. Man has to follow god's path of love and kindness. By the grace of god we may become partkers of divine nature. But our closeness of god can never reach identification. Because Man is a finite being but god is infinite. There is a creator—creature relationship between god and man. ●

■ **Twelve Things to remember**

The value of Time;
The succes of Perseverance;
The pleasure of Working;
The dignity of Simplicity;
The worth of Character;
The power of kindness;
The influence of Example;
The Obligation of Duty;
The wisdom of Economy;
The virtue of Patience;
The Improvement of Talent;
The Joy of Originating;

—**Marshall Field.**

**On Marriage**

"A good marriage will be between a blind wife and a deaf husband."

—**Montague**







# TEENAGE

**RAJDEEP DUTTA**
T.D.C. III Year.

Teenage or adolescence is a trickly transitional period of life which begins when childhood ends and ends when adulthood begins. It is a tricky time because one cannot throw tantrums as one did as a child nor does one have the maturity and sense of responsibility of an adult. So, in this "in between stage" teenage are literally torn between two "loyalties", these of childhood and adulthood.

Compelled to walk in this "middle path" teenagess find this period of their lives a trial as they run the risk of being constantly misunderstood by their parents, friends and teachers. Added to this, it is the period of emotions, conflicting thoughts and ambivalent attitudes as they face the pain of growing up.

The teenager is looking for a sense of directions and identity. He has to pursue a carreer, keeping in mind the interest and expectations of his family while at the some time relating to his peers. There is yet another distraction. That is the friendship with the opposite sex.

This is the time for 'first love' or 'puppy love' and most teenagers experience this emotion. They are often left in a daze, a dream-like trance a lost look, a rainbow of coloured thoughts and day-dreaming are some of the symptoms of this love-sickness.

A smile, a word from the loved one makes the mood of the love-smitten one to launch in-to flights of imagination and mishful thinking. All these are unmistakable sings of growing up.

Teenagers are conscious of their appearance and usually spend time grooming themselves. Both girls and boys dress up fashionable. All this is often done with the intention of attracting the attention of the opposite sex.

This is also the time when tennagers fall into the hands of bad company and are guided to misuse their freedom. They are introduced to some like drugs and other intoxicants with the belief that it is the fashionable thing to do or is a mark of manliness. Such students not only loose the most valuable period of their lives but also there self-confidence. This happens due to their instinet of hero-worship.

The period of adolescence is a time of experience and learning. One has to be cautious too-for one wrong step and one is swallowed by the swamp all around. Running after "puppy love" and fashion, they loose their valuable time and often briliant students have been seen to have performed very poorly.

It is during this shaky period that parents should take utmost care of their children. They snould treat their children as friends and encourage them to confide in them children should be consulted in family matters so that they feel involved in the family and feel grown-up. The childrens views should be respected and any misgivings should be amicably settled. For children of this age tend to be rebellious in their attitude which may turn them into juveline delinquents.

Young teenagers are like newly hatched birds. Let them fly. Never try to clip their wings. But always check that they come back home safe and sound. ●

● Poetry is the art of writing pleasure with truth but calling imagination to the helps of reason.

**Thomson**

"Women are wiser Man men because they know less and understand more."

—**Stephen**

## *COLLEGE*



**Junus Barda**
T.D.C. 1st Year.

*College is a place, where*
*one hook's and cooks girls*
*College is a place where,*
*one finds all sort of Junkies and Punkies*
*College is a place,*
*to tag and fag.*
*College is a place,*
*to make buddies and studies*
*College is a cage o*
*fashion rag.*
*Some students listen to the lecturer.*
*As for others, they lecture the lecturer.*
*Some fool round the year.*
*But are very jarred and perturbed*
*To see their marksheets full of ZERO.*

●●●

## *LONELINESS*

**SHANJIP DAS**
T.D.C. 1st Year.

*Look into my eyes*
*you'll see.......*
*what you Mean to Me,*
*Search your heart,*
*Search your soul.*

*When you find me there*
*you will search Me no More*
*Everything I do......I do it*
*For you.*

●●●

### Grate Comment On Woman:-

A handsome Women is a jewel;
A good woman is a treasure."
Soadi

"Men have sight;
Woman insight."
—Victor Hugo



■ Singleness of aim and singleness of effect are the two great canons by which we have to try the value of a story as a piece of art.

**Hudson**





## আমাৰ মহাবিদ্যালয়ত
## ১৯৯৩ চনত অনুষ্ঠিত প্ৰথম মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগীতাৰ ফলাফলসমূহ

**তৰ্কালোচনা বিভাগৰ ফলাফল**

কবিতা আবৃত্তি
প্ৰতিযোগীতা:
১ম স্থান— জয়ন্তকুমাৰ চহৰীয়া (T.D.C. Ist year)
২য় স্থান— চন্দ্ৰমা দেৱী (T.D.C. Ist Year)
৩য় স্থান— কবুল চাংমাই (H.S. Ist Year)

তৰ্ক প্ৰতিযোগীতা:
১ম স্থান— গজেন ভাগৱতী (T.D.C. 2nd Year)
২য় স্থান— গনেশ শইকীয়া (T.D.C. 2nd Year)
৩য় স্থান— কুস্তম হাজৰিকা (T.D.C. 2nd year)

আকস্মিক বক্তৃতা:
১ম স্থান— প্ৰদীপ চন্দ্ৰ বৈশ্য (T.D.C. 2nd Year)
২য় স্থান— গজেন ভাগৱতী (T.D.C. 2nd Year)
৩য় স্থান— কুস্তম হাজৰিকা (T.D.C. 2nd Yea)
পৱন কুমাৰ (T.D.C. Ist Year)

তৰ্কালোচনা বিজ্ঞানৰ শ্ৰেষ্ঠ প্ৰতিযোগী—
শ্ৰীগজেন ভাগৱতী (T.D.C. 2nd Year)

ছাত্ৰীজিৰণি কোঠাৰ অন্তৰ্গত
প্ৰতিযোগীতাৰ ফলাফল—
১ম স্থান গুলছনআৰা বেগম চৌধুৰী (T.D.C. Ist Year)
২য় স্থান শোভাৰাণী দাস (T.D.C. Ist Year)
৩য় স্থান মুন্নিজান বেগম T.D.C. Ist Year)

চিলাই আৰু ফুলতোলা প্ৰতিযোগীতা—
১ম স্থান সৰিতা ডেকা H.S.Ist Year)
২য় স্থান কৰিতা ঠাকুৰীয়া (T.D.C. Ist year)
৩য় স্থান গুলছন আৰাবেগম চৌধুৰী (T.D.C. Ist year)

বন্ধন প্ৰতিযোগীতা
১ম স্থান মুন্নিজান বেগম (T.D.C.Ist year)
২য় স্থান অণিতা বৈশ্য (H.S.Ist Year)
৩য় স্থান কৰিতা ঠাকুৰীয়া T.D.C.Ist year)

আহাৰ বনোৱা
প্ৰতিযোগীতা
১ম স্থান শিল্পী পাল (T.D.C.Ist year)
২য় স্থান অণিতা বৈশ্য (H.S.Ist year)
নন্দীতা তালুকদাৰ (T.D.C.Ist Year)
৩য় স্থান মুন্নিজান বেগম (T.D.C Ist year)

ছাত্ৰীজিৰণি কোঠাৰ অন্তৰ্গত
প্ৰতিযোগীতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী—
মুন্নিজান বেগম (T.D.C Ist year)

সংগীত প্ৰতিযোগীতা—
আধুনিক গীত
১ম স্থান বীণা শৰ্মা
২য় স্থান দিলীপচন্দ্ৰ বাহাং
৩য় স্থান ফুলকণ দেৱী
লোক গীত
১ম স্থান বদন বৰ্মণ।
২য় স্থান বীণা শৰ্মা
৩য় স্থান নৱজ্যোতি ডেকা
জ্যোতি সংগীত
১ম স্থান দিলীপচন্দ্ৰ বাহাং
২য় স্থান নৱজ্যোতি ডেকা
৩য় স্থান বীণা শৰ্মা
ৰাভা সংগীত
১ম স্থান নৱজ্যোতি ডেকা
২য় স্থান দিলীপচন্দ্ৰ বাহাং
৩য় স্থান

সংগীত প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী
শ্ৰীদিলীপচন্দ্ৰ বাহাং

লঘু ক্ৰীড়া বিভাগৰ ফলাফল—

ল'ৰাৰ একক কেৰম

১ম স্থান হৰেণ গগৈ (T.D.C.Ist year)
২য় স্থান হিতেশ বৰ্মা (T.D.C, 3rd year)
৩য় স্থান ইন্দ্ৰপ্ৰসাদ দাস (T.D.C. 2nd year)

ছোৱালীৰ একক কেৰম

১ম স্থান জুলি নায়ক (H.S.Ist year)
২য় স্থান সন্তোসী কৈৰী (H.S.Ist year)
৩য় স্থান সুনীতা আগৰৱাল (T.D.C, 3rd year)

ল'ৰাৰ দ্বৈত কেৰম

১ম স্থান হৰেণ গগৈ T.D.C. Ist year)
কৃষ্ণকান্ত বড়ো (T.D.C. Ist year)
২য় স্থান তপনকুমাৰ হাজৰিকা (T.D.C. 2nd year)
গজেন বাহাদুৰ (T.D.C.3rd year)
৩য় স্থান হিতেশ বৰ্মা (T.D.C. 3rd year)
ইন্দ্ৰপ্ৰসাদ দাস T.D.C 2nd year)

ছোৱালীৰ দ্বৈত কেৰম

১ম স্থান অনিমা দাস (T.D.C Ist year)
সুণীতা আগৰৱাল (T.D.C. 3rd year)
২য় স্থান কবিতা ঠাকুৰীয়া T.D.C. Ist year)
গুলছনআৰা বেগম চৌধুৰী T.D.C.Ist year)
৩য় স্থান ৰবিতা ৰবৰৰা (T.D.C.Ist year)
শিল্পী পাল (T.D.C. Ist year)

ল'ৰাৰ একক বেডমিণ্টন

১ম স্থান কৃষ্ণকান্ত বড়ো (T.D.C.Ist year)
২য় স্থান সৃজীত সিনহা (H.S.Ist year)
৩য় স্থান তপনকুমাৰ হাজৰিকা T.D.C.2nd year)

ছোৱালীৰ বেডমিণ্টন একক

১ম স্থান সুণীতা আগৰৱাল (T.D.C.3rd year)
২য় স্থান শোভাৰাণী দাস (T.D.C Ist year)
৩য় স্থান মনোৰাৰা চৌধুৰী (H.S.Ist year)

ল'ৰাৰ ডবা প্ৰতিযোগীতা

১ম স্থান পঙ্কজ শৰ্ম্মা (H.S.Ist year)
২য় স্থান নিৰ্ম্মল চাংমা (T.D.C. Ist year)
৩য় স্থান দিপক নাথ (T.D.C. 3rd year)

ছোৱালীৰ ডবা প্ৰতিযোগীতা

১ম স্থান গুলছনআৰা বেগম চৌধুৰী (T.D.C Ist year)
২য় স্থান সন্তোসী কৈৰী (H.S.Ist year)
৩য় স্থান সংগীতা বড়া (H.S.Ist year)

ছোৱালীৰ পাঞ্জা

১ম স্থান অঞ্জনা দাস (H.S.Ist year)
২য় স্থান অনিমা দাস (T.D.C Ist year)
৩য় স্থান শিল্পী পাল (T.D.C. Ist year)

ল'ৰাৰ পাঞ্জা (45 to 50 Kg)

১ম স্থান মণিটন সিং (T.D.C 2nd year)
২য় স্থান তপনকুমাৰ হাজৰিকা (T.D.C. 2nd year)
৩য় স্থান দিপক নাথ T.D.C. 3rd year)

লৰাৰ পাঞ্জা (51 to 55Kg)

১ম স্থান অমৰচান্দ সিং
২য় স্থান কস্তম হাজৰিকা
৩য় স্থান ৰাজেশ মেছ

ল'ৰাৰ পাঞ্জা (56 to 60 Kg)

১ম স্থান প্ৰতুল কলিতা
২য় স্থান নীলাদ্ৰী শৰ্ম্মা
৩য় স্থান সুজীত সিন্‌হা

ল'ৰাৰ পাঞ্জা (61 to 65 kg

১ম স্থান কুমাৰ ইন্দ্ৰজিৎ দেৱ
২য় স্থান নয়ন বড়া
৩য় স্থান থানেশ্বৰ মেধী

পাঞ্জাৰ সৰ্বশ্ৰেষ্ঠ খেলুৱৈ
কুমাৰ ইন্দ্ৰজীৎ দেৱ।

লঘু ক্ৰীড়াৰ সৰ্বশ্ৰেষ্ঠ ল'ৰা খেলুৱৈ
শ্ৰীতপন কুমাৰ হাজৰিকা T.D.C 2nd year

ছোৱালীৰ খেলুৱৈ
শ্ৰীসুনীতা আগৰৱাল T.D.C. 3rd year





গুৰু ক্ৰীড়া বিভাগৰ ফলাফল

১০০ মিটাৰ দৌৰ ল'ৰাৰ

১ম স্থান— জনাশ বাৰ্দা।
২য় স্থান— সুকান্ত চৌধুৰী
৩য় স্থান— নয়ন বড়া

॥ ১০০ মিটাৰ দৌৰ ॥ ছোৱালী

১ম স্থান— জুলি নায়ক
২য় স্থান— ৰবিতা ৰবৰবা
৩য় স্থান— কবিতা ঠাকুৰীয়া

॥ ২০০ মিটাৰ দৌৰ ॥ ল'ৰা

১ম স্থান— জনাশ বাঁদা
২য় স্থান— নোমল চন্দ্ৰ ৰাভা
৩য় স্থান— সুকান্ত চৌধুৰী

॥ ২০০ মিটাৰ দৌৰ ॥ ছোৱালী

১ম স্থান— জুলি নায়ক
২য় স্থান— ৰবিতা ৰবৰবা
৩য় স্থান— অণিমা দাস

॥ ৪০০ মিটাৰ দৌৰ ল'ৰা ॥

১ম স্থান— নোমল চন্দ্ৰ ৰাভা
২য় স্থান— মণিটন সিং
৩য় স্থান— কস্তম হাজৰিকা

॥ ৪০০ মিটাৰ দৌৰ ছোৱালী ॥

১ম স্থান— জুলি নায়ক
২য় স্থান— কবিতা ঠাকুৰীয়া
৩য় স্থান— ৰবিতা ৰবৰবা

১৪০০ মিটাৰ দৌৰ ল'ৰা

১ম স্থান— নোমলচন্দ্ৰ ৰাভা
২য় স্থান— কস্তম হাজৰিকা
৩য় স্থান— ৰাজেশ মেছ

ল'ৰাৰ ছত ফুত থ্ৰো

১ম স্থান— কমল পেগু
২য় স্থান— ব্ৰজেন শইকীয়া
৩য় স্থান— সবিন দাস

ছোৱালীৰ ছটফুত থ্ৰো

১ম স্থান— জয়া বসুমতাৰী
২য় স্থান— চিত্ৰা বৰ্মন
৩য় স্থান— নাৰ্জিমা বেগম

ল'ৰাৰ ডিছকাছ থ্ৰো

১ম স্থান— ব্ৰজেন শইকীয়া
২য় স্থান— জয়জিৎ গোস্বামী
৩য় স্থান— কমল পেগু

ছোৱালীৰ ডিছকাছ থ্ৰো

১ম স্থান— চিত্ৰা বৰ্মন
২য় স্থান— জয়া বসুমতাৰী
৩য় স্থান— অণিমা দাস

জেভলিং থ্ৰো ল'ৰা

১ম স্থান— সৃজিত সিনহা
২য় স্থান— চপ্লৰাজ চেতিয়া
৩য় স্থান— কমল পেগু

জেভলিং থ্ৰো ছোৱালী

১ম স্থান— জয়া বসুমতাৰী
২য় স্থান— অণিমা দাস
৩য় স্থান— নাজীম বেগম

লং জাম্প ল'ৰা

১ম স্থান— জনাশ বাদা
২য় স্থান— মণিটন সিং
৩য় স্থান— কুলেশ শৰ্ম্মা

লং জাম্প ছোৱালী

১ম স্থান— ৰবিতা ৰবৰবা
২য় স্থান— শিল্পী পাল
৩য় স্থান— অণিমা দাস

হাই জাম্প ল'ৰা

১ম স্থান— নয়ন বৰা
২য় স্থান— জনাশ বাৰ্দা
৩য় স্থান— মণিটন সিং

হাই জাম্প ছোৱালী

১ম স্থান— অণিমা দাস
২য় স্থান— ৰবিতা ৰবৰবা
৩য় স্থান— শিল্পী পাল

ভলীবল প্ৰতিযোগীতা

১ম স্থান— স্নাতক দ্বিতীয় বাৰ্ষিকৰ দল।
তপনকুমাৰ হাজৰিকা- (দলপতি)
গণেশ শইকীয়া— ( উপদলপতি)
জয়ন্ত গগৈ
দিলীপ ৰহাং
মঃ আলী শইকীয়া
বীৰেণ কলিতা
মুকুল মেধী—
মঃ ৰফিকুল হুছেইন

২য় স্থান— স্নাতক প্ৰথম বাৰ্ষিক দ'ল—
শেখচান্দ মহম্মদ, (দলপতি)
কমল পেগু, (উপদলপতি)
প্ৰতুল কলিতা
গজেন কলিতা
দেৱজিৎ দত্তবৰুৱা
মতিউৰ ৰহমান
নৱজ্যোতি ডেকা
সুন্দৰবন দেউৰী
সত্য ভিৰাম টাইদ।

গুৰু ক্ৰীড়া বিভাগৰ শ্ৰেষ্ঠ

ল'ৰা খেলুৱৈ— জনাশ বাঁদা
ছোৱালী খেলুৱৈ— ৰবিতা ৰবৰবা

সাহিত্যালোচনা বিভাগৰ ফলাফল

অসমীয়া কৱিতা লিখা প্ৰতিযোগীতা

১ম স্থান— দিব্যজ্যোতি শৰ্ম্মা পূজাৰী
২য় স্থান— তপনকুমাৰ হাজৰিকা
৩য় স্থান— চৈয়দ মিনাৰুল হক।



*Dispur College Building under Construction.*



Editor : **TAPAN KUMAR HAZARIKA,** First Issue, 1992-93



দিশপুৰ মহাবিদ্যালয়ৰ পুৰণি ভৱন

Printed at **NAVANITA PRINTERS**, Rajgorh Road, Guwahati- 781 003